# ASSAM
# LEGISLATIVE ASSEMBLY
# DEBATES

सत्यमेव जयते

## OFFICIAL REPORT

FIFTH SESSION OF THE ASSAM LEGISLATIVE
ASSEMBLY ASSEMBLED AFTER THE EIGHT
GENERAL ELECTIONS UNDER SOVEREIGN
DEMOCRATIC REPUBLICAN
CONSTITUTION
OF INDIA

## BUDGET SESSION

No. : 15

The 21st March, 1987

Price : 34.50

# CONTENTS

## BUDGET SESSION

## NO. : 15

**Dated, the 21st March, 1987**


| | | Page |
|---|---|---|
| 1. | *Questions and Answers* | *1* |
| 2. | *Presentation of the List of Supplementary Demands for Grant and Supplementary Appropriations.* | 50 |
| 3. | *Voting on Demands for Grants.* | 51 |
| 4. | *Adjournment* | 87 |
| 5. | *Annexures- I......... IV.* | 88 |

# DEBATES OF THE ASSAM LEGISLATIVE ASSEMBLY

***Saturday the 21st March, 1987***

The House met at 9 A.M of the clock in the Assembly Chember at Dispur with Mr. Pulakesh Barua, Speaker in the chair.

## STARRED QUESTIONS AND ANSWERS

(To which oral answers were given)

**Mr. Speaker:-** Now, Starred Question No. 261. Hon'ble Member Shri Silvius Condpan.

**বিষয় ঃ- নেপালী ভাষাৰ শিক্ষক নিয়োগ।**

**শ্ৰীচিলভিউছ কন্দপানে সুধিছে ঃ**

★২৬১। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবানে ঃ

(ক) অসমৰ নেপালী ছাত্ৰ ছাত্ৰীৰ সংখ্যাৰ ভিত্তিত প্ৰাথমিক স্তৰৰ পৰা স্নাতক স্তৰলৈকে নেপালী বিষয় "ভাষা" পঢ়াবলৈ শিক্ষক নিযুক্তি দিয়াৰ ব্যৱস্থা চৰকাৰে লৈছে নেকি ?

**শ্ৰী বৃন্দাবনগোস্বামী (শিক্ষামন্ত্ৰী) য়ে উত্তৰ দিছে,**

(ক) প্ৰাথমিক স্তৰত নেপালী ভাষা ভাষী অধ্যুষিত অঞ্চলৰ নেপালী ভাষাৰ প্ৰাথমিক বিদ্যালয়ত নেপালী শিক্ষক দিয়া হৈছে।

মাধ্যমিক পৰ্য্যায়ত শতকৰা ১৫-২০ ভাগ নেপালী ভাষী জনসংখ্যা থাকিলে আৰু বিদ্যালয় কৰ্তৃ পক্ষৰ প্ৰস্তাৰ থাকিলে নেপালী পঢ়াবলৈ শিক্ষক নিযুক্তি দিয়াৰ ব্যৱস্থা আছে। ঠিক একেদৰে নেপালী ছাত্ৰ ছাত্ৰীৰ সংখ্যাৰ ভিত্তিত এটা বিদ্যালয়ে বিচৰা মতে নেপালী ভাষা পঢ়াবলৈ শিক্ষক নিযুক্তি দিয়া হৈছে।

★**শ্ৰীকুল বাহাদুৰ ছেত্ৰীঃ-** মাননীয় অধ্যক্ষ মহোদয়, শিক্ষক নিযুক্তিৰ ক্ষেত্ৰত তেওঁলোকৰ সংখ্যা অনুযায়ী ভগাই দিব পাৰিছে নে ?

★**শ্ৰীবৃন্দাবন গোস্বামী(মন্ত্ৰী)ঃ-** অধ্যক্ষ মহোদয়, নেপালী ভাষাত প্ৰাথমিক বিদ্যালয় ৫ খন আৰু মজলীয়া বিদ্যালয় ৫ খন আছে। প্ৰাথমিক বিদ্যালয় ৫

খনত ১০ গৰাকী আৰু মজলীয়া ইংৰাজী ৩ খনত ১৪ গৰাকী শিক্ষক আছে। ইয়াৰোপৰি মহাবিদ্যালয়ত নেপালী ভাষা প্ৰবৰ্ত্তন কৰাৰ চেষ্টা চলোৱা হৈছে। মহাবিদ্যালয়ত শিক্ষক নিযুক্তিৰ পৰিচালনা সমিতি আছে আৰু উপযুক্ত অৰ্হতা সম্পন্ন প্ৰাৰ্থী পালে নেপালী ভাষাটো নিযুক্তি দিয়া হব।

★ **শ্ৰীজয়নাথ শৰ্মা(মন্ত্ৰী)ঃ-** মাননীয় অধ্যক্ষ মহোদয়, নেপালী ভাষাটো ভাৰতবৰ্ষৰ সংবিধানত ভাষা বুলি অনুমোদিত হয় নে নহয়?

★ **শ্ৰীবৃন্দাবন গোস্বামী(মন্ত্ৰী)ঃ-** অধ্যক্ষ মহোদয়, এই প্ৰশ্নটো ইয়াৰ লগত সম্পৰ্ক নাই। ইয়াৰ বাবে বেলেগ প্ৰশ্ন আহিলেও ভাল আছিল।

**মাননীয় অধ্যক্ষঃ-** ইয়াৰ পিচৰ প্ৰশ্ন ২৬২

**Re : Introduction of Rabha Language as medium of Instruction .**

**শ্ৰীবিনয় খুংগুৰ বসুমতাৰীয়ে সুধিছে,**

★ **262. Will the Minister Education be pleased to state:**

(a) Whether the Minister met and discussed with the Bebak Rabha Kraurang Runchum (All Rabha Sahitya Sabha) on 25th March, 22nd April and 27th October 1986 in Janata Bhawan, Dispur on the matter of introduction of Rabha Language as a medium of Instructions at Primary level in Prcdominantly Rabha papulated areas of the State?

(b) If so, whether it is true that the Minister agreed to introduction of the Rabha language as a medium of Instruction in the Primary level?

**শ্ৰীবৃন্দাৱন গোস্বামী, (শিক্ষামন্ত্ৰী)য়ে উত্তৰ দিছে,**

(ক) শিক্ষা বিভাগত থকা নথি মতে শিক্ষামন্ত্ৰীয়ে ৰাভা সাহিত্য সভাৰ প্ৰতিনিধিৰ লগত আনুস্থানিক ভাৱে ১/২/৮৭ ইং তাৰিখে জনতা ভৱনত ৰাভা ভাষা প্ৰৱৰ্ত্তন কৰা সম্পৰ্কে আলোচনা কৰা। অনানুস্থানিক ভাবে কেবাবাৰো আলোচনা হৈছে।

(খ) আলোচনাত এইটো স্থিৰ কৰা হয় যে শতকৰা ১০০ জন ৰাভা ভাষী ছাত্ৰ- ছাত্ৰী থকা প্ৰাথমিক বিদ্যালয়ত অসমীয়া লিপিত প্ৰথম তিনি বছৰৰ

★ *Speech not corrected*

বাবে ৩য় আৰু ৪ৰ্থ শ্ৰেণীত ৰাভা ভাষা এটা ভাষা বিষয় হিচাৱে প্ৰৱৰ্ত্তন কৰা হ'ব। প্ৰস্তুতি মূলক এই তিনি বছৰ কাল গোৰাত অসমীয়া ভাষা এই বিদ্যালয় সমুহত শিক্ষাৰ মাধ্যম হিচাৱে থাকিব, তিনি বছৰৰ পাছত ৰাভা ভাষা শিক্ষাৰ মাধ্যম হ'ব আৰু অসমীয়া ভাষা এটা ভাষা বিষয় হিচাপে ৩য় শ্ৰেণীৰ পৰা শিকোৱা হ'ব।

★**শ্ৰীহেমেন দাস** ঃ- মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে যে ১৯৮৫ চনৰ ১২ এপ্ৰিলত শিক্ষা মন্ত্ৰী আৰু ৰাভা সাহিত্য সভাৰ মাজত আলোচনা হৈছিল। সেই আলোচনাত ১১৬ খন স্কুল ৰাভা ভাষাৰ মাধ্যম হিচাবে ব্যৱহাৰ কৰি স্কুল প্ৰতিষ্ঠা কৰাৰ সিদ্ধান্ত লোৱা হৈছিল। অসমীয়া স্কুলত ৰাভা ভাষাৰ কথা নাছিল। ৰাভা ভাষাৰ শিক্ষকক মাধ্যম হিচাবে লোৱা কথা কৈছিল। মন্ত্ৰী মহোদয়ে জানেনে কিয় এই পৰিৱৰ্ত্তন হ'ল।

★**শ্ৰীবৃন্দাবন গোস্বামী(মন্ত্ৰী)**ঃ- অধ্যক্ষ মহোদয়, মই আগতে এই বিষয়ে ব্যাখ্যা কৰিছিলো। পূৰ্ব্বৰ চৰকাৰৰ দিনত তেনে হৈছে। যোৱা বছৰ মিছিং ভাষাটো আলোচনা কৰিছিল। এইটো ৰাষ্ট্ৰীয় শিক্ষা নীতিৰ লগত সংগতি ৰাখি ব্যৱস্থা লোৱা হৈছে। পূৰ্ব্বৰ চৰকাৰৰ দিনত কেতবোৰ সিদ্ধান্ত হৈছিল। সেইবিলাক পৰ্য্যলোচনা হ'ব লাগিছিল। কিন্তু তেনে নকৰি কিছুমান সিদ্ধান্ত লোৱা হৈছিল। সেই সিদ্ধান্ত বোৰ মন্ত্ৰী পৰ্য্যায়তহে লোৱা হৈছিল। ৰাজ্যখনত ভাষাৰ ক্ষেত্ৰত এক সুদুৰ প্ৰসাৰী লক্ষ্য ৰাখিব লাগিব আৰু এক সিদ্ধান্ত মতেহে ভাষা ব্যৱহাৰ কৰিব লাগিব। তাক আমাৰ গণ পৰিষদ চৰকাৰেও মানি লব। এটা কথা উল্লেখ কৰিব বিচাৰিছো যে ভাষা এটা স্পৰ্শকাতৰ বিষয়। ভাষাৰ সম্পূৰ্ণ বিকাশ গঢ়ি উঠা নাই। ভাষাৰ মূল হৈছে বৈজ্ঞানিক ভিত্তি। বৈজ্ঞানিক ভিত্তিতহে ভাষাই গঢ় লোৱা উচিত। আজি তিনি বছৰৰ ভিতৰতেই বৈজ্ঞানিক ভাবে মিছিং ভাষা আৰু ৰাভা ভাষাও লোৱাইছে। পূৰ্ব্ব চৰকাৰৰ দিনত কি হৈছিল? সভ্যাবি, বঙালী পূছা আদি ভাষাও আছে। ৰাভা যুৱক/ ছাত্ৰ পৰিষদে আবেদন দিছে। তেওঁলোকৰ লগত আলোচনাওঁ হৈছে। আমাৰ শাসক গোষ্ঠীয়ে আগবাঢ়ি আহিব লাগিব। মই সদনৰ দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছো এই বিষয়ত ৰাজনৈতিক চিন্তা চৰ্চ্ছাৰ পৰা আতৰি যাতে ভাষা বিকাশ হ'ব পাৰে তাৰ চেষ্টা কৰিব লাগিব। মই মাননীয় সদস্য গৰাকীৰ দৃষ্টি আকাৰ্ষণ কৰি জনাব বিচাৰিছো যে মই বিষয়টোৰ পৰা আমি সকলোৱে

---

★ *Speech not corrected*

ৰাজনৈতিক ওজৰ আপত্তিৰ কথা নেভাবি ভাষা বিকাশ কৰাৰ কাৰণে চেষ্টা চলাব লাগে। এই ক্ষেত্ৰত চৰকাৰৰ পক্ষই হওক বা বিৰোধী পক্ষই হওঁক বিবেচনা কৰিব লাগিব। আমি এই বিষয়টো লৈ জনতা ভৰনত এটা সমীক্ষা লৈ সকলোৱে আলোচনা কৰিছো আৰু স্পষ্টভাৱে তেখেত সকলক জনাই দিছো যে যি ভাষাৰ ব্যৱহাৰৰ যোগে মানুহক মানুহ কৰি তুলিব পাৰি, তাৰ প্ৰচেষ্টা চলাব লাগে। গতিকে এই বিভাগকো এনে তিনিটা স্তৰলৈ নিব লাগে যাতে ৰাজ্য খনত বিভিন্ন ভাষাৰ বিকাশৰ লগে লগে অসমীয়া ভাষাটোত সহযোগী ভাষা হিচাবে সকলোতে শিকাব পৰা যায়। তেতিয়া হলেহে সহযোগী ভাষা হিচাবে ইয়াক শিকাব পৰা যাব।

★**Shri Abdul Rob Laskar:-** On a point of order sir, The answer of the Minister should as possible and to the point.

★**শ্ৰীবৃন্দাবন গোস্বামী(মন্ত্ৰী)ঃ-** আপোনালোক অতিষ্ঠ নহব,উত্তৰটো দীঘলীয়া হবই। কৰণ এই বিষয়টো লৈ আমি সুদীৰ্ঘ সময় ধৰি অসমৰ মাটিত আলোচনা কৰি আহিছো। গতিকে আপোনালোকক অনুৰোধ জনাইছো আমাৰ কথাটোত ৰাজনীতি উৰ্দ্ধত ৰাখি কথাবিলাক বিবেচনা কৰিব লাগে। ৰাষ্ট্ৰীয় পৰ্য্যায়ত যি নীতি লোৱা হৈছে, সেই মতে ছাত্ৰ সকলক সৰু অৱস্থাতে আঞ্চলিক ভাষাৰ যোগেদি পৰিচয় কৰাই দিব লাগে। এই সমস্যাটোৰ প্ৰতি সকলোৱে সজাগ হোৱা প্ৰয়োজন।

**Re : Vacant Posts of L.P. ME Schools Teachers of Silchar Sub-division**

**Shri Digendra Purkayastha asked,**

★**263. Will the Minister Education be pleased to state.**

a) The total number of Posts of both L.P., M.E Schools lying Vacant in Silchar Sub- Division.

b) Whether it is a fact that application with Treasury Challan were invited from the Candidates and interview taken?

c) If so, when the candidates will be finally selected for appointment?

---

★ *Speech not corrected*

d )Is there any guidline from the Government to that effect?

e) If so, what are these guidelines?

শ্ৰী বৃন্দাবন গোস্বামী (শিক্ষামন্ত্ৰী)য়ে সুধিছে,

| | | | |
|---|---|---|---|
| ক) ১) এল পি | অৱসৰৰ খালিপদ | | ৫৬টা |
| | বৃত্তি ধাৰী পদ | | ৭৫ টা |
| | | | ১৩১ টা |
| ১) মজলীয়া | | | ৬ টা |
| ২) মধ্যইংৰাজী | | ৮ টা | |
| | | | ১৪৫ টা |

খ) হয়

গ) নিযুক্তি উপদেষ্টা পৰিষদ আৰু নিৰ্ব্বচনী কমিটিৰ বাচনিৰ ওপৰত নিৰ্ভৰশীল।

ঘ) শিক্ষক নিযুক্তি সম্পৰ্কত যথাবিহিত নিৰ্দ্দেশ দিয়া হৈছে।

ঙ) নিৰ্দ্দেশৰ এটা প্ৰতিলিপি সদনৰ মেজত দিয়া হৈছে।(See the Annexur - 1)

★**Shri Digendra Purkyastha:-** Mr. Speaker, Sir it appears from the reply of the Hon. Minister that 145 posts are lying vacancy since the last $1\frac{1}{2}$ years. so, in many L.P. Schools there are no teacher where there are single teacher school and in double teacher schools there is only one teacher after one teacher has retired. This way the teaching in schools are greatly hampered. Therefore I upon the Hon. Minister to take step for immediate appointment of teacher and I also request the Minister to instruct the Board to make the appointments constitution wise.

★**শ্ৰীবৃন্দাবন গোস্বামী(শিক্ষামন্ত্ৰী)ঃ-** মাননীয় অধ্যক্ষ মহোদয়, বৰ্ত্তমান শিলচৰ মহকুমাত ১৪৫ টা খালি পদ আছে। উক্ত পদ সমুহ পূৰণ কৰাৰ কাৰণে উপদেষ্ট পৰিষদ আৰু নিৰ্ব্বাচনী কমিটিক ভাৰ দিয়া হৈছে। ইতিমধ্যে নিযুক্তি দিয়াৰ বাবে কাৰ্য্যালয়ৰ পৰা নিৰ্দ্দেশ দিয়া হৈছে।

---

★ *Speech not corrected*

★**আব্দুল মুক্তাদিৰ চৌধুৰীঃ-** অধ্যক্ষ মহোদয়, মোৰ প্ৰথম প্ৰশ্ন হৈছে সমষ্টি অনুসাৰে নিযুক্তি দিয়া হ'ব নে নহয়। আৰু দ্বিতীয় প্ৰশ্ন হৈছে শতকৰা ৫০ ভাগ নিযুক্তিৰ ক্ষেত্ৰত যি নিয়ম বান্ধি দিয়া হৈছে সেই নীতি মানি চলা নাই, মই কৰিমগঞ্জৰ কথাকে ক'ব পাৰো, এইটো তদন্ত কৰি চাই নিযুক্তি দিয়াৰ ব্যৱস্থা কৰিব নে?

★**শ্ৰীবৃন্দাবন গোস্বামী(মন্ত্ৰী)ঃ-** আমি এই ক্ষেত্ৰত নিৰ্দ্দিষ্ট কিছুমান নিয়ম বান্ধি দিছো আৰু সেই নিয়মৰ ভিতৰতে নিযুক্তি দিয়াৰ কাৰণে সংশ্লিষ্ট সকলো জিলা কৰ্ত্তৃপক্ষক নিৰ্দ্দেশ দিয়া হৈছে।

★**শ্ৰীকুল বাহাদুৰ ছেত্ৰী ঃ-** অধ্যক্ষ মহোদয়, যি বিলাক স্কুলত এজনীয়া শিক্ষক আছে সেই শিক্ষক জনৰ কিবা বেমাৰ হলে বা কিবা কাৰণত আহিব নোৱাৰিলে স্কুল বন্ধ হ'ব লগা হয়। আৰু ছাত্ৰ- ছাত্ৰীৰ পঢ়া-শুনা নহয়, গতিকে এনেবোৰ স্কুলত দুজনীয়া শিক্ষকৰ ব্যৱস্থা কৰাৰ কথা চিন্তা কৰিবনে?

★**শ্ৰীবৃন্দাবন গোস্বামী(মন্ত্ৰী)ঃ-** অধ্যক্ষ মহোদয়, আমিওঁ আৰম্ভণীৰ পৰাই এই বিষয়ে মন কৰি আহিছো, এনে হেজাৰ হেজাৰ এজনীয়া শিক্ষকৰ স্কুল চলি আছে। কিন্তু ৭১ জন ল'ৰা- ছোৱালী থকা স্কুলতো ১৭ জন শিক্ষক আগৰ চৰকাৰৰ দিনতে নিযুক্তি হৈ আছে। গতিকে এনেকুৱা সৰহীয়া শিক্ষকৰ পৰা শিক্ষক আনি দিয়াৰ ব্যৱস্থা কৰাৰ বাবে চিন্তা কৰা হৈছে, কিন্তু কথা হৈছে সকলোৱেই চহৰত থাকিবলৈ বিচাৰে আৰু গাওঁলৈ যোৱাৰ মন নকৰে। ইতিমধ্যে এনেকুৱা সৰহীয়া স্কুলৰ শিক্ষক থকা স্কুলৰ তথ্যপাতি সংগ্ৰহ কৰি থকা হৈছে সকলোৱেই চহৰত থাকিবলৈ বিচাৰে আৰু গাওঁলৈ যোৱাৰ মন নকৰে। ইতিমধ্যে এনেকুৱা সৰহীয়া স্কুলৰ শিক্ষক তথা স্কুলৰ তথ্যপাতি সংগ্ৰহ কৰি তথা হৈছে আৰু এই সম্পৰ্কত জিলা কৰ্ত্তৃপক্ষক নিৰ্দ্দেশ দিয়া হৈছে।

★**আব্দুল মুক্তাদিৰ চৌধুৰীঃ-** অধ্যক্ষ মহোদয়, মই কৈছিলো যে সমষ্টি অনুসাৰে নিযুক্তি দিয়াৰ কথাটো কৰিব নেকি?

★**শ্ৰীবৃন্দাবন গোস্বামীঃ-** অধ্যক্ষ মহোদয়, সমষ্টিৰ কথাত জোৰ দিয়াতকৈ য'ত শিক্ষকৰ প্ৰয়োজন তাতহে জোৰ দিয়াৰ প্ৰয়োজনীয়তাৰ কথা ভবা প্ৰয়োজন হৈ পৰিছে।

★**শ্ৰীৰত্নেশ্বৰ সৰকাৰঃ-** অধ্যক্ষ মহোদয়,স্থানীয় চৰকাৰক নিযুক্তি দিয়াৰ কিবা

★ *Speech not corrected*

নিৰ্দ্দেশনা চৰকাৰৰ আছে নেকি ? স্থানীয় ভাৱে নিযুক্তি নিদিয়াৰ কাৰণে ঠায়ে ঠায়ে কাজিয়াৰ সূত্ৰপাত হোৱা দেখা গৈছে। এই খেলিমেলি বিলাক দুৰ কৰাৰ কাৰণে স্থানীয় নিযুক্তিৰ ব্যৱস্থা চৰকৰে কৰিবনে ?

★**শ্ৰীবৃন্দাবন গোস্বামীঃ-** অধ্যক্ষ মহোদয়,নিযুক্তিৰ ক্ষেত্ৰত নিৰ্দ্দিষ্ট কেতবোৰ নীতি বান্ধি দিয়া হৈছে। এই সকল কম দৰমহা পোৱা লোক গতিকে স্থানীয় ভাৱে যাতে ওচৰে পাজৰে নিযুক্তি হয় তাৰ কথা চিন্তা কৰা হৈছে।

**বিষয় ঃ- সিদ্ধেশ্বৰ হাইস্কুল কাটিগাড়াত প্ৰধান শিক্ষক নিয়োগ।**

**শ্ৰী ৰামেন্দ্ৰ দেয়ে সুধিছে ঃ**

★**২৬৪। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ**

ক) উচ্চ ইংৰাজী বিদ্যালয়ত প্ৰধান শিক্ষক ওঁ সহকাৰী প্ৰধান শিক্ষক নিয়োগৰ নিয়ম কি ?

খ) সিদ্ধেশ্বৰ হাইস্কুল কাটিগড়াত কাছাৰ প্ৰধান শিক্ষক নিয়োগ নীতি বিৰোধ হৈছে আৰু এই ক্ষেত্ৰত মহামান্য গুৱাহাটী হাইকোৰ্টেও এটা ৰায় দিছে এই কথা চৰকাৰে জানে নেকি ?

**শ্ৰীবৃন্দাবন গোস্বামী (শিক্ষামন্ত্ৰী) য়ে উত্তৰ দিছে,**

ক) অসম মাধ্যমিক শিক্ষা' প্ৰদেশীকৰণ' আইন ১৯৭৭ আৰু ১৯৮২ চনৰ সেৰা বিধি অনুযায়ী ৰাজ্যিক বাছনি পৰিষদৰ দ্বাৰা নিৰ্ব্বচিত প্ৰাৰ্থীক প্ৰধান শিক্ষক সহকাৰী প্ৰধান শিক্ষক হিচাৱে পদোন্নতি দিয়া হয়। ৰাজ্যিক বাচনি সমিটিৰ তৰফৰ পৰা তালিকা নোপোৱা কাৰণে বৰ্ত্তমান বিদ্যালয়ৰ ভিতৰতে সম্পূৰ্ণ অস্থায়ী ভিত্তিত আৰু ৰাজ্যিক বাচনি সমিতিৰ অনুমোদন সাপেক্ষে পদোন্নতি কাম সুচাৰু ৰূপে চলি থাকিবলৈ এনে অস্থায়ী ব্যৱস্থা লোৱা হৈছে।

খ) হয়।

★**Shri Ramendra De:-** Mr. Speaker Sir, I am not Speaking against any teacher. I know the concerned Headmistress is very efficient in the line of administration having good calibre and convincing capacity also, as soon as the School have been provincialised মিষ্টাৰ স্পীকাৰ চ্যাৰ, ১৯৭৮ ইং শ্ৰী লক্ষধৰ চৌধুৰী মহোদয়/যখন শিক্ষামন্ত্ৰী ছিলেন ওখন এই প্ৰশ্নটি উৎথাপিত

---

★ *Speech not corrected*

হৈয়েছিলেন। এর পর ১৯৮৪ ইং /যখন শ্ৰীমুকুট শর্মা মহোদয় শিক্ষামন্ত্রী ছিলেন ওঁ খন শ্ৰী হেমেন দাস মহাশয় এই প্রশ্নটি করেছিলেন এবং উত্তর একইছিল। এবার ১৯৮৭ ইং নতুন চৰকাৰ এবং নতুন শিক্ষামন্ত্রীকে এই একই প্রশ্ন করা হয়েছে এবং উত্তৰ ওঁ সেই এক রকম। মুড়বাং আমাৰ প্রশ্ন হৈছে। As per circular No 196/81/11 dated 3.8.81, as seniority the next vacant post will be upgraded from the school concerned এই স্কুলের যিখিনি সিনিয়ৰ টিচার ১৯৪৯ ইং গ্রেজুয়েট তাকে নিযুক্তি না করে জুনিয়র টিচারকে (১৯৫৯ইং গ্রেজুয়েট) কেন নিযুক্তি দেওৱা হলো আমর বিত্তীয় প্রশ্ন হাই কোর্টের একটা বুলিং এই ব্যাপারে বয়েসে। এই ৰুলিংর ৫ নং ধারার মে ৩ মাসের মধ্যে প্রধান শিক্ষক এবং সহকাৰী প্রধান শিক্ষকের পদ দুইটি পুরণ করতে হবে। এই ৰুলিং কপি নিশ্বয় সরকারের কাছে আছে। Inspector of Schools, Cachar wrote a letter to the D. S. E. just to regularise the apponitent of Shri P.C. Das as Assistant Master and regularise appointment of Smti. P. Chakravarty as Headmistress. whether the Government has received this letter and if received, what action they have taken till today?

★**শ্ৰীবৃন্দাবন গোস্বামী(শিক্ষামন্ত্রী)ঃ**- মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য গৰাকীয়ে এটা অভিযোগ আনিছে যে শ্ৰীলক্ষধৰ চৌধুৰী শিক্ষা মন্ত্রী থাকোতে এই প্রশ্নটো আহিছিল আৰু তেতিয়া যি উত্তৰ দিয়া হ'ল সেই উত্তৰকে শিক্ষা মন্ত্রী মুকুট শর্মা থাকোতে এইটো প্রশ্ন আহিছিল আৰু সেই একেই উত্তৰকে দিয়া হৈছিল। এতিয়া ১৯৮৭ চনত এইটো প্রধান পুনৰ আহিছে আৰু আগতে দুৱাৰ দিয়া উত্তৰকে এতিয়াও দিয়া হৈছে। এই প্রশ্নটোৰ উত্তৰত মই কব খোজিছো যে পেঞ্চন সম্পৰ্কত এই ধৰনৰ বহুতো প্রশ্ন আমালৈ অহিছে। এই সমস্যাটো সমাধান কৰাৰ কাৰণে এখন আইন অনা হৈছে। ৰিটেইনচন শব্দটো কি এইটো সকলোৰে অৱগত। একোটা পদ অইডেটিফাই কৰিব নোৱাৰাৰ কাৰণে শিক্ষক সকলৰ যথেষ্ট অসুবিধা হৈছে।

★ *Speech not corrected*

সেই কাৰণে এই সকলো বিলাক কথা চাবৰ কাৰণে অমি এটা অনুসন্ধান কমিটি পাতি দিছো। আমি এই বিলাক এতিয়া মিমাংসা কৰিবলৈ চেষ্টা কৰিছো। একোখন স্কুলত প্ৰধান শিক্ষক দিয়াৰ কাৰণে আমাৰ কিছুমান সমস্যা হৈছে। বিশেষকৈ হাইস্কুল প্ৰধান শিক্ষক বিলাক জেষ্ঠচাৰ ভিত্তিত হ'ব লাগে বুলি যদিও কোৱা হৈছে অন্য হাতে অৰ্হতা সম্পৰ্কত আন এটা কথা উঠিছে। হাইস্কুল প্ৰধান শিক্ষক বিলাকৰ অৰ্হতা বি এ বি টি হলেই হয়। কিন্তু হায়াৰ চেকেণ্ডাৰী স্কুলৰ প্ৰধান শিক্ষক জনেই প্ৰিনচিপাল হয়। হায়াৰ চেকেণ্ডাৰীৰ প্ৰিনচিপালৰ অৰ্হতা হ'ব লাগে এম এ, বি টি। হাইস্কুলৰ প্ৰধান শিক্ষকক প্ৰিনচিপাল কৰি দিলে হায়াৰ চেকেন্ডাৰী স্কুলে আপত্তি কৰে। এতিয়া আমি এই সমস্যা বিলাকৰ কাৰণে কিছুমা ব্যৱস্থা কৰিবলৈ লৈছো। এই সম্পৰ্কত ১২/১/৮৬ তাৰিখে উচ্চতম ন্যায়লয়ে এটা ৰায় দিছিল। সেই মতে আমি এখন বাচনি সমিটি পাতি দিছো প্ৰধান শিক্ষক আৰু সহকাৰী প্ৰধান শিক্ষক নিৰ্বাচন কৰি দিবলৈ। ৰাজ্য চৰকাৰে এই নিৰ্বাচনী সমিটিৰ বাচনি লিষ্ট এতিয়াও পোৱা নাই। এই সম্পৰ্কত সকলো বিলাক কথা কবলৈ মোক কমেও আৰু ১ মাহ সময় লাগিব। কাৰণ কথাটো হৈছে যে এইটো প্ৰশ্নৰ লগত সিটো প্ৰশ্ন জৰিত আছে। এটা কলে পিচৰটো নকলে স্পষ্ট নহব।

★**Shri Ramendra De:-** Mr. Speaker Sir, my question is very pointed whether the Government is able to honour the High Court Judgment and the Circular given by the Govt. itself. I like to draw the attention of the Government though you Sir, by Submitting the relevant papers including the High Court Judgment. Whether the Government is able or not ?

★**শ্ৰীবৃন্দাবন গোস্বামী(শিক্ষামন্ত্ৰী)ঃ-** অধ্যক্ষ মহোদয়, মই কৈছোৰেই যে এই সম্পৰ্কত হাইক'টে এটা ৰায় দিছে। সেই ৰায় অনুযায়ী নিযুক্তি দিবৰ কাৰণে আমি এখন বাচনি সমিটি পাতি দিছো যদিওঁ বাচনি সমিতিয়ে নিৰ্বাচিত প্ৰাৰ্থীৰ তালিকা দিয়া নাই সেই কাৰণেই এই ধৰণৰ ব্যৱস্থা লোৱাত আমাৰ অসুবিধা হৈছে।

**Mr. Speaker:-** Now, next qustion No. 265

---

★ *Speech not corrected*

**বিষয় ঃ- অসম নগালেণ্ড সীমান্ত নতুন মহকুমা উদ্বোধন।**

**শ্ৰীবিনোদ গোৱালাই সুধিছে,**

**★২৬৫। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ**

ক) যোৱা ইং ১০/২/৮৭ তাৰিখে অসম সীমান্তত নিউলেন্ড মহকুমা নাগালেণ্ড চৰকাৰৰ শিক্ষা মন্ত্ৰী আৰু দুজন বিধায়কে আজি ৰাজহুৱা উদ্বোধন কৰাৰ কথা চৰকাৰে জানেনে?

খ) যদি জানে তেন্তে আমাৰ চৰকাৰে এই বিষয়ে কি ব্যৱস্থা লৈছে জনাবনে?

গ) যদি লোৱা নাই কিয় লোৱা নাই?

**শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত (মুখ্যমন্ত্ৰী) য়ে উত্তৰ দিছে,**

ক) হয়। জানে।

খ) নাগালেণ্ড চৰকাৰৰ ওপৰত তীব্ৰ প্ৰতিবাদ আৰু ক্ষোভ প্ৰকাশ কৰা হৈছে আৰু মহকুমাৰ কাৰ্যলয় নাপাতিবলৈ অনুৰোধ কৰা হৈছে। কেন্দ্ৰীয় চৰকাৰক হস্তক্ষেপ কৰাৰ কাৰণে অনুৰোধ কৰা হৈছে।

গ) 'খ' প্ৰশ্নৰ উত্তৰৰ সাপেক্ষে এই প্ৰশ্ন নুঠে।

**★শ্ৰী দেবেশ্বৰ বৰা ঃ-** মহকুমাটো স্থাপন কৰি ইতিমধ্যে অসমৰ মাটি দখল কৰিলেই। গতিকে প্ৰতিবাদ জনাই থাকিবনে নাই কিবা বিশেষ ব্যৱস্থা কৰিব?

**★শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত (মুখ্যমন্ত্ৰী)ঃ-** মাননীয় অধ্যক্ষ মহোদয়, অসম নাগালেণ্ডৰ সীমা মুঠ ৪৩৫ কিঃ মিঃ। অসমৰ ৰেংমা ৰিজাৰ্ভ বনাঞ্চলৰ ভিতৰত হোৰিছে নামৰ এখন গাওঁ বে- আইনি ভাবে বহি আছে এই গাওঁ খন ইয়াক্ষা নদীৰ পৰা আধা কিঃ মিঃ পশ্চিমে নাগা ৰাজ্যৰ চৰকাৰে পূৰ্বতে এই অঞ্চলটো তথা কথিত বিবাদ মান এলেকা হিচাপে দাবী তুলি নগা গাওঁ আদি পাতি দিবলৈ উচটনি দিছিল। হৰিছে গাওঁ আদি পাতি দিবলৈ উচটনি দিছিল। হৰিছে গাওঁ যদিও অসমৰ মাটিত অৱস্থিত যোৱা ১০/২/৮৬ তাৰিখে এই গাওঁ খন নিউলেণ্ড নামে নতুনকৈ নামাকৰণ কৰি তাত নাগালেণ্ডৰ নিউলেণ্ড মহকুমাৰ সদৰ কাৰ্য্যালয় উদ্বোধন কৰে। অসম চৰকাৰে যেতিয়া কথাটো গম পায় তেতিয়া ৰাজ্য চৰকাৰে তীব্ৰ ক্ষোভ প্ৰকাশ কৰে আৰু নাগা ৰাজ্যৰ চৰকাৰৰ ওচৰত এইপ্ৰতিক্ৰীয়া জানিবলৈ দিয়ে। তেওঁলোকৰ তেনেকুৱা বে আইনী কাৰ্য্যৰ পৰা বিৰত থাকিবলৈ অনুৰোধ জনোৱা হয়। কেন্দ্ৰীয়

★ *Speech not corrected*

চৰকাৰক বিষয়টোৰ সবিশেষ জনাই নাগালেণ্ড চৰকাৰক তেনে কামৰ কৰা বিৰত থাকিবলৈ নিৰ্দ্দেশ দিয়াৰ কাৰণে অনুৰোধ কৰা হৈছে। কিন্তু কেন্দ্ৰীয় চৰকাৰৰ সহাৰি সম্বন্ধে এতিয়ালৈকে জানিব পৰা হোৱা নাই।

যোৱা ২৩/১/৮৭ তাৰিখে নাগালেণ্ডৰ মুখ্য সচিব পৰ্য্যায়ৰ সভাত আশ্বাস দিছিল যে তেওঁলোকে অসমৰ মাটিত মহকুমা স্থাপন কৰা হোৱা নাই। কিন্তু পিচত দেখা গ'ল যে নিউলেণ্ড মহকুমাৰ কাৰ্যালয় মাটিত পাতিবলৈ ধৰে।

নিউলেণ্ড মহকুমাৰ সদৰ কাৰ্যলয়ৰ নামত নাগালেণ্ড চৰকাৰে পকাঘৰ আৰু এটি অতিৰিক্ত উপাযুক্তৰ কাৰ্যালয় পাতে। আৰু তাত চাইন বৰ্ড আদি লগায়। আমাৰ ফালৰ পৰা ইতিমধ্যে নাগালেণ্ড চৰকাৰৰ লগত আলোচনা কৰিবৰ কাৰণে যোগাযোগ কৰি থকা হৈছে। আৰু সীমান্তৰ পৰা পহৰা দিয়া ব্যৱস্থা কটকটীয়া কৰা হৈছে। আমাৰ ভূমি ৰক্ষাৰ কাৰণে সৰ্বতো প্ৰকাৰে চেষ্টা চলোৱা হব আৰু এই সম্পৰ্কে কোনো আপোচ নহব।

**Re :Dectaration of Sonai Bazar as Town**

**Shri Abdul Rob Laskar asked, :**

**★266. Will the Minister, Municipal Administration be pleased to state.**

a) Whether the Govt. has verified the feasibility of declaring Sonai Bazar as town?

b) If not way?

**Shri Sahidul Alam Choudhury, (Minister of Municipal Administration) replied :**

a) At present the feasibility of declaring Sonai Bazar as Town is not under verification

b) There is no Comprehensive Proposal before the Govt.

★ **Shri Abdul Rob Laskar:**-Sir, in the last Budget Session also I put this question, whether on the basis of public demand, the Government is thinking for converting the Sonai Bazar in to a town. Will the Government verify it?

★ *Speech not corrected*

★ **Shri Sahidul Alam Choudhury:**-(Minister, Municipal Administration): Yes, Sir the Government will verify. Government, at present, is not considering the feasibility of constituting the Town Committee there.

★ **Shri Abdul Rob Laskar:**-Sir, now the Minister has given the answers that the Government is not considering the feasibility for clearing the matter. May I know from the hon. Minister, how many years will be taken in getting the feasibility report. or is it possible to verify the matter within a time limit?

★ **Shri Sahidul Alam Choudhury:**-(Minister, Municipal Administration): Sir, I receive more or less similar questions during the budget session of the Assembly. The D. C., Cachar was asked to Submit a report in this regard. The D. C. in his reply has stated that he has no proposal pending for constituting the Town Committee at Sonai.

**বিষয় ঃ বৰপেটা আৰু হাউলী চহৰৰ পথ।**

**শ্ৰীকুমাৰ দীপক দাসে সুধিছে,**

★২৬৭। মাননীয় পৌৰ প্ৰসাশন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

ক) অসমৰ প্ৰায় বিলাক নগৰৰে ৰাস্তা আদি ভঙা চিঙা আৰু নৰ্দমা আদিৰ দুৰৱস্থাৰ বিষয়ে চৰকাৰ অবগতনে ?

খ) বৰপেটা আৰু হাউলী চহৰৰ পৌৰ এলেকাৰ ৰাস্তা সমূহো ভঙা চিঙা আৰু পৰিবহনৰ অয়োগ্য হৈ পৰা কথাটো জানেনে ?

গ) যদি জানে ইয়াক পুনৰ পৰিবহনৰ যোগ্য কৰি তোলাৰ বাবে চৰকাৰে কিবা ব্যৱস্থা লব নেকি ?

ঘ) চলিত বিত্তীয় বছৰতে বৰপেটা আৰু হাউলী নগৰ উন্নয়নৰ কাৰণে প্ৰয়োজনীয় মঞ্জুৰীৰ টকাৰ ব্যৱস্থা লোৱা হ'বনে ?

---

★ *Speech not corrected*

শ্ৰীচহিদুল আলম চৌধুৰী, (পৌৰ প্ৰশাসন মন্ত্ৰী) যে উত্তৰ দিছে, ঃ

ক) চৰকাৰ অৱগত।

খ) বাটপথৰ দুৰৱস্থাৰ কথা চৰকাৰে জানে।

গ) চৰকাৰে পৌৰ প্ৰশাসন বিভাগত তেনে কোনো পুজি নাই। সাধাৰণতে আৰু ৰাস্তা ঘাটৰ মেৰামতিৰ ব্যৱস্থা স্থানীয় পৌৰ সভাৰ/নগৰ সমিতিৰ ঘ) নিজাপুজিৰ পৰা কৰিব লাগে।

**বিষয় ঃ- বঙ্গাইগাওঁ চৰকাৰী নৰ্মাল স্কুল।**

**শ্ৰীদেৱান জয়নাল আবেদিনে সুধিছে, ঃ**

**★২৬৮। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে?**

ক) বঙ্গাইগাওঁ চৰকাৰী নৰ্মাল স্কুল খন কেতিয়া স্থাপিত?

খ) এই স্কুলত বৰ্ত্তমানে কিমান ছাত্ৰ ছাত্ৰীয়ে প্ৰশিক্ষণ লৈ আছে?

গ) উক্ত স্কুলত প্ৰশিক্ষাৰ্থী সকলৰ কাৰণে কোনো হোটেলৰ ব্যৱস্থা আছে নেকি?

শ্ৰীবৃন্দাবন গোস্বামী (শিক্ষা বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে। ঃ

ক) ১৯৬৭ চনৰ ১৭ আগষ্টত।

খ) ৬৪ জন।

গ) ব্যৱস্থা নাই।

**★দেৱান জয়নাল আবেদিনঃ-** মাননীয় অধ্যক্ষ মহোদয়, মাননীয মন্ত্ৰী মহোদয়ে তেখেতৰ প্ৰশ্নোত্তৰত কৈছে যে বঙ্গাইগাওঁ চৰকাৰী নৰ্ম্মালস্কুল খন ১৯৬৭ চনৰ ১৭ আগষ্টত। স্থাপন কৰা হৈছে আৰু এই স্কুলৰ প্ৰশিক্ষাৰ্থী সকলক এতিয়ালৈকে হোষ্টেলৰ কোনো সুবিধা দিব পৰা নাই বা ব্যৱস্থা চৰকাৰৰ ফালৰ পৰা কৰা নাই। মই মাননীয় মন্ত্ৰী মহোদয়ক সুধিব খুজিছো তেখেতে এই সকলৰ কাৰণে হোষ্টেলৰ ব্যৱস্থা কৰিবনে?

**★শ্ৰীবৃন্দাবন গোস্বামী(মন্ত্ৰী)ঃ-** মাননীয় অধ্যক্ষ মহোদয়, বঙ্গাইগাওঁ নৰ্ম্মাল স্কুলখন স্থানীয় ৰাইজে১৯৬৭ চনৰ ১৭ আগষ্টত তাৰিখত স্থাপন কৰিছিল। চৰকাৰৰ ১১/৩/৭৬ ইংৰাজী তাৰিখত ই, এছ, এছ ২১/৭১/৮৪ নং চিঠিৰ জৰিয়তে উক্ত স্কুলখন ১৫/৮/৭৫ তাৰিখৰ পৰা প্ৰদেশীকৰণ কৰা হৈছে।

---

★ *Speech not corrected*

বৰ্ত্তমান উক্ত স্কুলত অধ্যক্ষকে ধৰি মুঠ ছয় জন কৰ্ম্মচাৰী আছে। চলিত বছৰত বঙ্গাইগাওঁ নৰ্ম্মাল স্কুলত ৬৪ জন ছাত্ৰীয়ে প্ৰশিক্ষণ লৈ আছে। প্ৰশিক্ষাৰ্থী সকলৰ বাবে কোনো হোষ্টেলৰ ব্যৱস্থা নাই যদিওঁ ৰাজ্যিক কৰ্ম্মচাৰী সকলক যি হাৰত ঘৰ ভাড়া বানিচ দিয়া হয় সেই অনুপাতে প্ৰশিক্ষাৰ্থী সকলক তেনে ঘৰ ভাড়াৰ বাবত বানচ দিয়া হয়। ইতিমধ্যে নৰ্মাল স্কুলৰ প্ৰশাসনীয় ঘৰটো নিৰ্মাণ কৰা হৈছে। হোষ্টেলৰ ঘৰ নিৰ্মাণৰ বাবে অহা বছৰত পূজী সাপেক্ষে ব্যৱস্থা লোৱা হ'ব।

**বিষয়ঃ- স্কুল মাতৃ নিযুক্তি আচঁনি।**

**শ্ৰীকেশৰাম বৰাই সুধিছে,**

**★২৬৯। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে?**

ক) প্ৰাথমিক বিদ্যালয় সমূহত স্কুল মাতৃ হিচাৰে নিযুক্তি দিয়াৰ কিবা আচঁনি চৰকাৰৰ হাতত আছে নেকি?

খ) যদি আছে, এই আচনি সকলো বিদ্যালয়তে মঞ্জুৰী দিয়াৰ ব্যৱস্থা চৰকাৰে ভাবিছে নেকি?

গ) যদি ভাবিছে, ই কেতিয়াৰে পৰা কাৰ্য্যকাৰী হ'ব জনাবনে?

**শ্ৰীবৃন্দাবন গোস্বামী (শিক্ষামন্ত্ৰী) য়ে উত্তৰ দিছে,**

ক) নাই।

খ) প্ৰশ্ন নুঠে

গ) প্ৰশ্ন নুঠে।

**★শ্ৰীকেশৰাম বৰাঃ-** মাননীয় অধ্যক্ষ মহোদয়, সদৌ অসম স্কুল মাতৃ সন্থা বুলি এটা সংগঠনে স্কুলত মাতৃ সকলক নিযুক্তি দিয়াৰ কিবা ব্যৱস্থা আছে নেকি সেইটো মাননীয় শিক্ষা মন্ত্ৰী মহোদয়ে জনাবনে?

**★শ্ৰীবৃন্দাবন গোস্বামী (মন্ত্ৰী) ঃ-** মাননীয় অধ্যক্ষ মহোদয়, পূৰ্ব্বতে স্কুল মাতৃ সকল নিযুক্তি দিয়াৰ, সময়ত প্ৰাথমিক বিদ্যালয়ত ছাত্ৰ ছাত্ৰীৰ নাম ভৰ্ত্তীৰ বয়য আছিল। সেইবাবে হয়তো স্কুল মাতৃ নিযুক্তিৰ যুক্তি কিছু পৰিমাণে আছিল। কিন্তু কোঠাৰ কমিশ্যনৰ অনুমোদনৰ পিছত প্ৰাথমিক পৰ্য্যায়ত ৪ বছৰ আৰু তেতিয়া 'ক' শ্ৰেণীৰ পৰা ৩য় শ্ৰেণীলৈকে মুঠ ৫ টা শ্ৰেণী

---

★ *Speech not corrected*

আছিল। সেইবাবে হয়তো স্কুল মাতৃ নিযুক্তিৰ যুক্তি যুক্ততা কিছু পৰিমাণে আছিল। কিন্তু কোঠৰ কমিশ্যনৰ অনুমোদনৰ পিছত প্ৰাথমিক পৰ্য্যায়ত ৪ বছৰীয়া পাঠ্যক্ৰম প্ৰবৰ্ত্তন কৰাত ছাত্ৰ ছাত্ৰীৰ নাম ভৰ্ত্তীৰ বয়স ৬ বছৰ কৰা হয়। তেনে অৱস্থাত বৰ্ত্তমান সময়ত বিদ্যালয় সমূহত স্কুল মাতৃ পদৰ বিশেষ প্ৰয়োজন আছে বুলি ভাৱাৰ থল নাই।

★**শ্ৰীমহেন্দ্ৰ মোহন চৌধুৰীঃ**- মাননীয় অধ্যক্ষ মহোদয়, যোৰহাটাতো তেনে এটা মাতৃ মুক্তি সন্থাই ৰচিত বহী আদি ছপাকৰি ফাণ্ড কলেকশ্বন কৰি থকা আমাৰ ফালৰ পৰা গম পাওঁ। এই বিষয়ে মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ৰ দৃষ্টি গোচৰ হৈছেনে আৰু যদি হৈছে তেতিয়াহলে, এই বিলাকৰ বিৰোদ্ধে কি বিহিত ব্যৱস্থা লৈছে? তাৰোপৰি মন্ত্ৰী মহোদৰ পৰা মই জানিব খুজিছো এই সন্থাক লগ পাবৰ কাৰণে তেখেতে আমন্ত্ৰণ জনাইছিল নেকি?

★**শ্ৰীবৃন্দাবন গোস্বামী (মন্ত্ৰী) ঃ**- মাননীয় অধ্যক্ষ মহোদয়, এনেকুৱা সংগঠনে স্কুলত মাতৃ নিযুক্তি দিয়াৰ কাৰণে কেইটামান চৰ্ত আৰোপ কৰি আমাৰ ওচৰত 'মেমৰেণ্ডাম আদিও দিছে। এই সন্দৰ্ভত আমাৰ ফালৰ পৰা কি ব্যৱস্থা গ্ৰহণ কৰা হৈছে সেইটো মই মোৰ প্ৰশ্নোত্তৰত দিছোৱেই।

★**শ্ৰীজয়নাথ শৰ্মা ঃ**- মাননীয় অধ্যক্ষ মহোদয়, এই দৰে স্বাস্থ্য সংগঠনে নিযুক্তি দিয়াৰ কথাটো ১৯৮৩ চনৰ পৰাই চলি আছে চৰকাৰ এটা থকোতেই এই দৰে নিযুক্তি দিয়া কথাটো কেতিয়াও সমৰ্থন যোগ্য হ'ব নোৱাৰে। সেই সময়ত এটা 'পেৰেলেল' চৰকাৰ চলি আছিল নেকি?

★**শ্ৰীবৃন্দাবন গোস্বামী (মন্ত্ৰী) ঃ**- মাননীয় অধ্যক্ষ মহোদয়, মই ইতিমধ্যে কৈছেয়েই। বহুদিনৰ আগতে ৫০৬ গৰাকীও নিযুক্তি দিছিল তাৰে ছয় গৰাকীৰ মৃত্যু হ'ল। বাকী সকল আছে। তাৰ পিচত আৰু নিযুক্তিৰ কোনো ব্যৱস্থা ৰখা নাই।

★**শ্ৰীদিলীপ কুমাৰ শইকীয়া ঃ**- মাননীয় অধ্যক্ষ মহোদয়, চৰকাৰে এই সকলক বে আইনী বুলি ঘোষণা কৰাৰ কথা ভাবিছেনে?

★**শ্ৰীবৃন্দাবন গোস্বামী (মন্ত্ৰী) ঃ**- মাননীয় অধ্যক্ষ মহোদয়, চৰকাৰী নীতি নিয়ম অনুসৰি যি খিনি কৰিব লাগে সেইখিনি কৰা হ'ব।

---

★ *Speech not corrected*

**বিষয় ঃ-প্ৰাইমাৰী স্কুলৰ ঘৰ নিৰ্ম্মান।**

**শ্ৰীহেমেন দাসে সুধিছে ঃ**

★২৭০। **মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ**

ক) চলিত বছৰত প্ৰতিবিধান সভা সমষ্টিত প্ৰাইমাৰী স্কুলৰ ঘৰ সজাৰ কিবা আচঁনি লোৱা হৈছিল নেকি ?

খ) যদি হৈছিল এই আচঁনি অনুসৰি কিমানটা স্কুলৰ ঘৰ নিৰ্মান কৰা হ'ল ?

**শ্ৰীযতীন মালী (ৰাজ্যিক শিক্ষা মন্ত্ৰী) য়ে উত্তৰ দিছে,**

ক) চলিত বছৰত ৰাজ্যখনত প্ৰাথমিক বিদ্যালয় সজাৰ আচঁনি লোৱা হৈছে।

খ) ৩৩০২ স্কুল ঘৰ নিৰ্মান আৰম্ভৰ ব্যৱস্থা লোৱা হৈছে।

★ **শ্ৰী হেমেন দাসঃ**- মাননীয় অধ্যক্ষ মহোদয়, এতিয়ালৈকে কেইটা ঘৰ নিৰ্মাণ কৰা হ'ল সেইটো মাননীয় মন্ত্ৰী মহোদয়ে জনাবনে ?

★ **শ্ৰীযতীন মালী(মন্ত্ৰী)ঃ**- মাননীয় অধ্যক্ষ মহোদয়, অসমত ২৫,৯৭০ খন প্ৰাইমেৰী আৰু ৫১৮ খন মধ্য ইংৰাজী স্কুল আছে বেছি ভাগ স্কুলকেই ঘৰ দুৱাৰ ভঙা ছিগা। সেয়েহে চৰকাৰে চলিত বছৰত ৮ম বিত্তীয় আয়োগৰ পৰা যোৱা অনুদান ৮০৬'৩৮ লাখ টকা আৰু স্কুলীয়া ছাত্ৰ ছাত্ৰীক বিনামূলীয়াকৈ সাজ পোছাক বিতৰণৰ শিতানত ১৮৬-৮৭ চনত ধাৰ্য্যকৰা পৰিকল্পনাৰ ১২১০ লাখ টকা মুঠতে ২০১৬'৩৮ লখ টকাৰে ৰাজ্যখনত ৩৩০২ খন প্ৰাথমিক স্কুলৰ ঘৰ সজাৰ সিদ্ধান্ত লৈছে। এনে স্কুলৰ বাবে মঞ্জুৰী কৃত ধনৰ পৰিমাণ হ'ব ৬১,০৬৫ টকা।

ৰাজ্যিক শিক্ষা মন্ত্ৰী মহোদয়ৰ পৰা সমষ্টি ভিত্তিত স্কুলৰ তালিকা পোৱাৰ পিচত জিলা ভিত্তিত ২৯০৩ খন স্কুলৰ তালিকা প্ৰস্তুত কৰি সঞ্চালকে, প্ৰাথমিক শিক্ষা, কাহিলিপাৰালৈ পঠোৱা হয়। ইয়াৰ পিছতো সমষ্টি ভিত্তিত নতুন তালিকা আৰু সংশোধনী তালিকাত পোৱা হৈছে। এনে তালিকাবোৰ সমষ্টি ভিত্তিত ডি, ই, ই, লৈ পঠোৱা হৈছে।

এই স্কুল ঘৰ সজাৰ দায়িত্বৰ নিৰ্ব্বচিত হোৱা স্কুল মেনেজিং কমিটি আৰু তদাৰক কমিটিৰ তত্ত্ববাধানত দিয়া হৈছে।

★ **শ্ৰী হেমেন দাসঃ**- মাননীয় অধ্যক্ষ মহোদয়,মোৰ প্ৰশ্নটো আছিল, কেইটা ঘৰ নিৰ্মণ কৰা হৈছে সেইটোহে মই মাননীয় মন্ত্ৰীজনৰ পৰা জানিব খুজিছো।

---

★ *Speech not corrected*

**★শ্ৰীযতীন মালী(মন্ত্ৰী)ঃ**- মাননীয় অধ্যক্ষ মহোদয়, মই ইতিমধ্যে কৈছোঁৱেই যে ব্যৱস্থা হাতত লোৱা হৈছে।

**★শ্ৰী হেমেন দাসঃ**- মাননীয় অধ্যক্ষ মহোদয়, মই কৈছো যে, বৰ্ত্তমান কেইটা ঘৰ সজা হৈছে?

**★শ্ৰীযতীন মালী(মন্ত্ৰী)ঃ**- মাননীয় অধ্যক্ষ মহোদয়, এই বিত্তীয় বছৰতে বুলি কোৱা কথাটো তেখেতে নিশ্চয় বুজি পাইছে।

**বিষয় ঃ- বড়ো আৰু মিচিং ভাষা শিক্ষাৰ মাধ্যম।**

**শ্ৰীপদ্মনাথ কেৰীয়ে সুধিছে ঃ**

**★২৭১। মাননীয় শিক্ষামন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ**

ক) অসমৰ বড়ো আৰু মিচিং সকলক তেওঁলোকৰ নিজৰ ভাষাত পঢ়িবৰ স্বীকৃতি কি শ্ৰেণীলৈ দিয়া হৈছে জনাবনে?

খ) তেওঁলোকে নিজৰ ভাষাৰ উপৰিও অসমীয়া পঢ়িবনে নাই?

**শ্ৰীবৃন্দাবন গোস্বামী (শিক্ষামন্ত্ৰী) য়ে উত্তৰ দিছে,**

ক) বড়ো ছাত্ৰ ছাত্ৰী সকলক বড়ো ভাষাত বড়ো মাধ্যমৰ বিদ্যালয় সমূহত পঢ়িবলৈ প্ৰাথমিক পৰ্য্যয়ৰ পৰা হাইস্কুল পৰ্য্যায়লৈ স্বীকৃতি দিয়া হৈছে। শতকৰা ১০০ ভাগ মিচিং ছাত্ৰ-ছাত্ৰী থকা বিদ্যালয়ত মিচিং ভাষাত প্ৰাথমিক পৰ্য্যায়ৰ ৩য় আৰু ৪ৰ্থ শ্ৰেণীত বৰ্ত্তমানে ভাষা বিষয় হিচাৱে পঢ়িবলৈ স্বীকৃতি দিয়া হৈছে।

খ) বড়ো ছাত্ৰ- ছাত্ৰী সকলৰ ক্ষেত্ৰত অসমীয়া ভাষা এতিয়াওঁ বাধ্যতা মূলক কৰা হোৱা নাই।

শতকৰা এশভাগ মিচিং ছাত্ৰ-ছাত্ৰী থকা প্ৰাথমিক বিদ্যালয়ত মিচিং ভাষা মাধ্যম হিচাৱে প্ৰৱৰ্ত্তন হোৱাৰ পাচত তৃতীয় আৰু চতুৰ্থ শ্ৰেণীত অসমীয়া এটা ভাষা বিষয় হিচাৱে পঢ়োৱা হ'ব। মজলীয়া স্তৰৰ পৰা অসমীয়া ভাষা শিক্ষাৰ মাধ্যম হ'ব আৰু মিচিং এটা ভাষা বিষয় হিচাবে প্ৰৱৰ্ত্তণ কৰা হ'ব।

**★শ্ৰী হেমেন দাসঃ**- মাননীয় অধ্যক্ষ মহোদয়, মিচিং ভাষা প্ৰবৰ্ত্তন কৰাৰ পাচত মিচিং ভাষাৰ পাঠ্য পুথি দিয়া হৈছে নে নাই? আৰু যদি দিয়া হোৱা নাই কেতিয়াৰ পৰা দিয়া হব?

★ *Speech not corrected*

★**শ্ৰীবৃন্দাবন গোস্বামী (মন্ত্ৰী)** ঃ-এই তথ্যখিনি এতিয়া মোৰ হাতত নাই তথাপিতো প্ৰতিখন স্কুলতে ষ্টাইপেণ্ডাৰী কোৰ্চ একোটাকৈ দিয়া হৈছে আৰু মিচিং ভাষাৰ পাঠ্যপুথি প্ৰবৰ্ত্তন কৰাৰ ক্ষেত্ৰত ব্যৱস্থা কৰা হৈছে যদি এতিয়ালৈকে পাঠ্যপুথি যোৱা নাই তেতেয়াহলে সেইটো চাম।

**Re : Venture L.P. School .**

**Shri Padma Nath Koiri, asked. ঃ**

★**272. Will the Minister, Education be pleased to state:**

a) Whether the Govt. has ordered to make hearing to venture L.P School by the District Elementary Education officers?

b) Whether the D. E. E. O. has been empowered to canc ell an L. P. School if the teacher fails to appear before the Officer for hearing?

শ্ৰীবৃন্দাবন গোস্বামী (শিক্ষামন্ত্ৰী) যে উত্তৰ দিছে ঃ

ক) চৰকাৰে তেনেকুৱা কোনো নিৰ্দ্দেশ দিয়া নাই কিন্তু স্থানীয় বিষয়াই তেওঁৰ এলেকাৰ যি কোনো বিদ্যালয় সম্পৰ্কে তদন্ত কৰিব পাৰে আৰু প্ৰয়োজন বোধে মাটি পঠাবওঁ পাৰে।

খ) নাই দিয়া।

(প্ৰশ্নকৰ্ত্তা অনুপস্থিত সেয়েহে ২৭২ নং তাৰা চিহ্নিত প্ৰশ্ন নিষ্পত্তিৰ বাবে লোৱা নাছিল।)

**বিষয় ঃ-উত্তৰ শালমাৰা মহকুমাৰ ন্যায়িক দণ্ডধীশ আদালত।**

**শ্ৰীৰত্নেশ্বৰ সৰকাৰে সুধিছে ঃ**

★**২৭৩। মাননীয় অইন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে?**

ক) নামনি অসমৰ আয়ুক্তৰ দ্বৰা গঠিত আয়োগে উত্তৰ শালমাৰা মহকুমাৰ সদৰ অভয়াপুৰীত স্থাপন হবলগীয়া ন্যায়ক দণ্ডধীশ আদালতৰ বিষয়ে চৰকাৰৰ ওচৰত কিবা প্ৰতিবেদন দাখিল কৰিছে নেকি?

খ) যদি দাখিল কৰিছে, ইয়াৰ কি ব্যৱস্থা লোৱা হৈছে,

---

★ *Speech not corrected*

**শ্ৰীসুৰেন্দ্ৰ নাথ মেধি (আইন বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে, ঃ**

ক) হয়।

খ) চৰকাৰে উচ্চন্যায়ালয়ৰ লগত পৰামৰ্শক্ৰমে উত্তৰ শালমাৰা মহকুমা সদৰ ঠাই অভায়াপুৰীত অস্থায়ী ভাৱে ন্যায়িক দণ্ডাধীশৰ আদালত স্থাপন কৰাৰ সিদ্ধান্ত লৈছে।

★**শ্ৰীৰত্নেশ্বৰ সৰকাৰ** ঃ- যোৱা বাৰৰ শীতকালিন অধিবেশনত মোৰ এটা প্ৰশ্নৰ উত্তৰত মাননীয় মন্ত্ৰী ডাঙৰীয়াই উত্তৰ দিছিল যে নামনি অসমৰ আয়োগৰ দ্বাৰা এখন কমিটি গঠন কৰি দিয়া হৈছিল, এইয়া মোৰ প্ৰশ্নটো আছিল এই সম্পৰ্কত আয়োগে কিবা প্ৰতিবেদন দাখিল কৰিছে নেকি আৰু সেই প্ৰতিবেদন কি আছিল জনাবনে ?

★**শ্ৰী সুৰেন্দ্ৰ নাথ মেধী (মন্ত্ৰী)** ঃ-যি খন আয়োগ গঠন হৈছিল সেইআয়োগখনে সিদ্ধানতে দিছে আৰু সেই সিদ্ধান্ত মতে অভয়াপুৰিত আদালত স্থাপন কৰিবলৈ সিদ্ধান্ত লোৱা হৈছে।

**বিষয় ঃ- ১৯৭৬-৮৭ চনত কামৰূপ জিলাত স্কুল নিৰ্মান**

**শ্ৰীগোপীনাথ দাসে সুধিছে ঃ**

★**২৭৪। মাননীয় শিক্ষাবিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?**

ক) অষ্টম বিত্তীয় আয়োগৰ গৃহ নিৰ্মন আচনিৰ অধীনত কামৰূপ জিলাত ১৯৮৬-৮৭ চনত সৰ্ব্বমুঠ কিমান খন স্কুলৰ ঘৰ নিৰ্মন কৰা হ'ব জনাবনে ?

খ) উক্ত আচঁনিৰ অধিনত বকো সমষ্টিত কিমান খন স্কুলৰ ঘৰ নিৰ্মান কৰা হ'ব ?

শ্ৰীযতীন মালী (ৰাজ্যিক শিক্ষামন্ত্ৰী)য়ে উত্তৰ দিছে।

ক) কামৰূপ জিলাত বৰ্ত্তমানলৈকে ৩৫৪ খন প্ৰাথমিক স্কুল ঘৰ নিৰ্মান কৰিবলৈ আচঁনি লোৱা হৈছে।

খ) সদ্যহতে ১২ খনৰ আচঁনি লোৱা হৈছে।

★ **শ্ৰীগোপীনাথ দাস** ঃ- মাননীয় অধ্যক্ষ মহোদয়, স্কুল ঘৰ নিৰ্মাণৰ সমষ্টি ভিত্তিত কোৱা হৈছে নেকি, যদি লোৱা হৈছে মন্ত্ৰী মহোদয়ে জনাব নেকি ?

---

★ *Speech not corrected*

★**শ্ৰীযতীন মালী (মন্ত্ৰী)** ঃ- মাননীয় অধ্যক্ষ মহোদয়, প্ৰয়োজনীয় ভিত্তিত এই ব্যৱস্থা লোৱা হৈছে।

**বিষয় ঃ-কামপুৰ কলেজ পৰিচলনা সমিতি।**

**শ্ৰীগোলোক ৰাজবংশীয়ে সুধিছে,ঃ**

★**২৭৫। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে?**

ক) নগাওঁ জিলাৰ কামপুৰ কলেজ খনৰ পৰিচলনা সমিটি খন কেতিয়া গঠন কৰা হৈছে।

খ) এই পৰিচালনা সমিতিলৈ শিক্ষক গোটৰ পৰা প্ৰতিনিধি কাক নিৰ্ব্বচিত কৰা হৈছে?

গ) এইটো সচাঁনে যে স্থানীয় ছাত্ৰ সন্থাৰ হেচাত শিক্ষক গোটে সেই নিৰ্ব্বাচন বাতিল কৰিবলৈ বাধ্য হৈছিল।

শ্ৰীবৃন্দাবন গোস্বামী( শিক্ষমন্ত্ৰী) য়ে উত্তৰ দিছে,

ক) নগাওঁ জিলাৰ কামপুৰ কলেজখনৰ পৰিচালনা সমিতি খন শিক্ষাধিকাৰ কাৰ্য্যালয়ৰ নথি নং জি, এ, জি, বি, ১/৮৬/১২৮ মৰ্মে ৪/৯/৮৬ তাৰিখে গঠন কৰি দিয়া হৈছিল।

খ) এজন শিক্ষক প্ৰতিনিধি হ'ল শ্ৰী জি, চি, শইকিয়া আনজান প্ৰতিনিধি হ'ব সেইটো শিক্ষক গোটৰ পৰা প্ৰস্তৱ এতিয়াওঁ লোৱা হোৱা নাই।

গ) হয়।

★**Shri Golok Rajbangshi:-** Mr. Speaker Sir, I think the Minister is not correctly briefed. এই চিঠি খনত লিখিছে।

From: Principle, Kampur College, Kampur

To Shri Subha Ram Majumdar

Head of Department, Geography, Kamupur College.

Sub: Kumpur Anchalik Students Union Protest against G. B. Membership.

Inviting reference to the subject matter quoted above I am to inform you that Kampur anchalik Students Unions

---

★ *Speech not corrected*

demands cancellation of your membership to C. B. as I. R. and they have already started blocading the entrance of all the college employees into the College premises in protest against it and shall continue the same indefinitely till their dem and is fulfilled. গতিকে শিক্ষকৰ প্ৰতিনিধি হোৱা নাই বুলি কৈছে তেনে ক্ষেত্ৰত এইসভাৰাম মজুমদাৰৰ ন্যায় খন কেনেকৈ প্ৰিঞ্চিপালৰ ওচৰলৈ গ'ল। মই এই He is not correctly briafed. নটিচ খন মন্ত্ৰী মহোদয়ক দিছো। গতিকে শিক্ষকৰ প্ৰতিনিধি নিৰ্ব্বাচিত হোৱা নাই বুলি কৈছে তেনেক্ষেত্ৰত এই সোভাৰাম মজুমদাৰৰ নটিচখন কেনেকৈ প্ৰিন্সিপালৰ ওচৰলৈ গ'ল। মই এই নটিচ খন মন্ত্ৰী মহোদয়ক দিছো।

★**শ্ৰীবৃন্দাবন গোস্বামী (মন্ত্ৰী)** ঃ- মাননীয় অধ্যক্ষ মহোদয়, প্ৰিন্সিপালৰ পৰা এখন চিঠি পাইছো। নতুন পৰিচালনা সমিতি গঠন হোৱাৰ পাচত প্ৰথম বৈঠক ৮-১২-৮৬ তাৰিখে বহা কথা আছিল কিন্তু অনিবাৰ্য্য কাৰণ বশতঃ সভাখন নহল। দ্বিতীয় বাৰ সভাখন ২১/১২/৮৬ তাৰিখে হোৱাৰ কথা আছিল। কিন্তু কামপুৰ আঞ্চলিক ছাত্ৰ সন্থাই শিক্ষক প্ৰতিনিধি শ্ৰী এচ, আৰ, মজুমদাৰক কাৰ্য্যকৰী সমিতিৰ সদস্যৰ পদৰ পৰা অপসাৰণ কৰাৰ দাবী তুলি পিকেটিং কৰাৰ ফলত কাৰ্যকৰী সমিতি বৈঠক নবহিল। ২/১/৮৭ তাৰিখে শিক্ষক গোটে তেওঁলোকৰ সভাত ২ নং প্ৰস্তাৱ যোগে শ্ৰী এচ, আৰ মজুমদাৰক কাৰ্য্যকৰী সমিতিৰ সদস্যৰ পদৰ পৰা নাকচ কৰে। কিন্তু এতিয়া পৰ্য্যন্ত শিক্ষক গোটে তেখেতৰ পৰিবৰ্ত্তে আন এজনক মনোনীত কৰা নাই কামপুৰ মহাবিদ্যালয়ৰ অধ্যক্ষকৰ ৫-৩-৮৭ তাৰিখৰ চিঠিৰ এটা নকল গাঠি দিয়া হ'ল। এই চিঠিখন পাইছো।

★**শ্ৰীগোলোক ৰাজবংশী** ঃ- মাননীয় অধ্যক্ষ মহোদয়, শিক্ষক গোটৰ পৰা প্ৰতিনিধি নিৰ্বাচিত হৈছিল কিন্তু ছাত্ৰ সন্থাৰ প্ৰেচাৰত কিয় সেইটো কেন্‌চেল কৰা হ'ল ?

★**শ্ৰীবৃন্দাবন গোস্বামী (মন্ত্ৰী)** ঃ- কলেজ শিক্ষকৰ স্বতন্ত্ৰতাৰ ওপৰত আমি বিশ্বাস কৰিছো আৰু ক্ৰমান্যয়ে চৰকাৰৰ হস্তক্ষেপ সীমিত কৰা হৈছে। এতিয়া গম পাইছো এচ, আৰু মজুমদাৰক আতৰোৱা হৈছে, তেখেতৰ নামতো নাকস হৈছে নতুন শিক্ষকো দিয়া নাই। এতিয়া এই বিষয়ত আমাৰ কবলগীয়া একো নাই।

---

★ *Speech not corrected*

★**শ্ৰীজয়নাথ শৰ্মা ঃ-** যি জন শিক্ষকৰ বিৰুদ্ধে পৰিচালনা সমিতিত নাম অন্তভুক্ত হৈছে আৰু যাৰ কাৰণে ছাত্ৰ সন্থাই আপত্তি কৰিছিল সেই গৰাকী শিক্ষকৰ নৈতিক চৰিত্ৰৰ কিবা স্বলন থকা বুলি কিবা কিবা অভিযোগ মন্ত্ৰী মহোদয়ে পাইছে নেকে?

★**শ্ৰীবৃন্দাবন গোস্বামী (মন্ত্ৰী) ঃ-** এনে অভিযোগ পোৱা নাই যদিও এইটো গম পাইছো যে তেওঁৰ বিৰুদ্ধে আপত্তি কৰিছে আৰু তেওঁৰ নামতো নাকচ কৰিছে। সেই খিনিয়ে কব পাৰো তাতকৈ আৰু বেছি কৰ নোৱাৰো।

★**শ্ৰীগৌতম ৰয় ঃ-** হাইলাকান্দীত মহিলা সদস্য বিবেচনা কৰা হৈছিল নে নাই।

★**শ্ৰীবৃন্দাবন গোস্বামী (মন্ত্ৰী) ঃ-** এইটো এটা সুকীয়া প্ৰশ্ন।

★**Shri Gautam Roy:-** Mr. Speaker Sir, My question is regarding Body of Sidheswar High School, Katigora.

★**শ্ৰীবৃন্দাবন গোস্বামী (মন্ত্ৰী) ঃ-** এইটো এটা সুকিয়া প্ৰশ্ন।

## Re : Water Tax

**Shri Altaf Hussain Mazurrdar, asked,**

★**276. Will the Minister, Municipal Administration be pleased to state.**

a) What was the rate of cases/ tax for supply of water for individual houses?

b) Whether it has been increased to Rs 30/ (Rupees thirty) per month?

c) Will the Govt. reconsider with draw or mdify the enhanced tax?

Shri sahidul Alam Choudhary (Minister Municipal Administration) replied.

(a), (b)and (c): Nil as there is no reference about town/ area.

★**Shri Sahidul Alam Choudhury (Minister, MAD):-** The question is not specific.

---

★ *Speech not corrected*

★**Shri Ramendra De:-** It is specific. The questioner wanted to know the priniciple of asseaaing tax re;:arding water supply in urban areas only.

★**শ্ৰীজয়নাথ শৰ্মা ঃ-** মাননীয় অধ্যক্ষ মহোদয়, ইয়াত আৰবান এৰিয়া বুলি নাই।

★**Shri Surendra Nath Madhi, (Minister, Law):-** The question is not intelligible. It should be intelligible.

## Re : School of arts and crafts: Guwahati

**Shri Amritlal Basumatatary asked ঃ**

★**277. Will the Chief Minister be pleased to state Post metric institution?**

a) Whether School of Arts and crafts, Guwahati is a Post matric institution?

b) Whether its head is designated as Principal?

c) Whether he is selected by the Arran public Service Commission?

d) If so, whether his scale of pay is at par with the principal of College or Head Master of a High School.

**শ্ৰীফুল্ল কুমাৰ মহন্ত (মুখ্যমন্ত্ৰী) য়ে উত্তৰ দিছে, ঃ**

ক) হয়।

খ) হয়।

গ) হয়।

ঘ) উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষৰ দৰমহা নিৰিখতকৈ কম আৰু মাধ্যমিক বিদ্যালয়ৰ প্ৰধান শিক্ষকৰ দৰমহাতকৈ বেছি।

★**শ্ৰীঅমৃত লাল বসুমতাৰী ঃ-** মাননীয় অধ্যক্ষ মহোদয়, মোৰ ধাৰাণাত এই প্ৰিঞ্চিপাল জনক ইনযাষ্টিট কৰা হৈছে আগৰ চৰকাৰৰ দিনত। যিহেতু আগতে ইনযাষ্টিচ কৰা হৈছে সেয়েহে এতিয়া যাষ্টিচ দিবনে?

---

★ *Speech not corrected*

★**শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত (মুখ্যমন্ত্ৰী) ঃ-** মাননীয় অধ্যক্ষ মহোদয়, স্কুল অৱ আৰ্টচ এণ্ড ক্ৰাফটচ এটা পোষ্ট মেট্ৰিক অনুষ্ঠান। ১৯৪৭ চনতেই ইয়াক প্ৰতিস্তা কৰা হয় আৰু ১৯৭০ চনত (শিক্ষা বিভাগৰ অধীনত) প্ৰদেশীকৰণ কৰা হয়। ইং ১৯৭২ চনত সাংস্কৃতিক সঞ্চালকায়ৰ অধীনলৈ অনা হয়। বৰ্ত্তমান উক্ত অনুস্থানটোৰ অধ্যক্ষ শোভা কক্ষক অসম লোক সেৱা আয়োগৰ অনুমোদন ক্ৰমে নিযুক্তি দিয়া হৈছে। তেখেতে উক্ত পদত ইং ১৯৬৪ চনৰ পৰা আছে।

শ্ৰীব্ৰহ্মৰ শিক্ষাগত অৰ্হতা এনেধৰ ঃ-

আৰ্ট বিষয় ইন্টাৰ মিডিয়েত ( ইং ১৯৫২ চনত)

ফাইন আৰ্টত ডিপ্লোমা ( ইং ১৯৫৭ চন)

ভাৰত চৰকাৰৰ দ্বাৰা ফেল'স্বিপ লাভ ৩ বছৰৰ বাবে। উক্ত স্কুলৰ অধ্যক্ষ পদৰ বাবে গুৱাহাটী বিশ্ববিদ্যালয়ৰ অনুমোদিত শিক্ষাগত অৰ্হতা এনেধৰনৰ।

১। আৰ্ট বিষয়াতঃ ডিপ্লোমা

২। দহ বছৰৰ শিক্ষাদানৰ অৰ্হতা অথবা প্ৰশাসনিক অৰ্হতা। বৰ্ত্তমান স্কুল খনৰ মুঠ ছাত্ৰ- ছাত্ৰী ৭২ জন (ছাত্ৰঃ ৬৬ জন ছাত্ৰী-৬ জনী) এই স্কুলখন অসম চৰকাৰৰ উপৰিও শান্তি নিকেতনৰ বিশ্বভাৰতী, বৰোদাৰ এম, এচ বিশ্ববিদ্যালয় আদিৰ দ্বাৰা স্বীকৃত প্ৰাপ্ত। উক্ত স্কুলৰ অধ্যক্ষৰ মাহিলী দৰমহা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষৰ দৰমহাৰ নিৰিখতকৈ কম কিন্তু হাইস্কুলৰ প্ৰধান শিক্ষকৰ দৰমহাৰ নিৰিখতকৈ বেছি। তেখেত সকলৰ দৰমহাৰ নিৰিখ এনেদৰে —

১। উচ্চতৰ মাধ্যমিক বহুমুৱী বিদ্যালয় নিৰ্ম্মল স্কুল আৰু বুনিয়াদী প্ৰশিক্ষণ মহাবিদ্যালয়ৰ অধ্যক্ষৰ মাহিলী দৰমহাৰ নিৰিখঃ ১১২৫-১৯৭৫ টকা

২। হাইস্কুলৰ প্ৰাঃ শিঃ ৰ মাহিলী দৰমহা-৮৫০- ১৯৭৫ টকা।

৩। আৰ্ট স্কুলৰ অধ্যক্ষকৰ দৰমহা ৮৭৫-১৮৫০ টকা। গতিকে কি ইনযাষ্টিচ হৈছে সেইটো মই বুজি পোৱা নাই।

**বিষয় ঃ- বেচৰকাৰী প্ৰাথমিক বিদ্যালয় সমূহৰ প্ৰাদেশীকৰণ।**

**শ্ৰীমুক্তাৰ হুচেইনে সুধিছে, সুধিছে ঃ**

★**২৭৮। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাহনেঃ**

ক) ১৯৮৬-৮৭ চনত বেচৰকাৰী প্ৰাথমিক বিদ্যালয় প্ৰদেশীকৰণ কৰাৰ কোনো আচনি চৰকাৰৰ হাতত আছে নেকি ?

খ) যদি আছে, তেনেহলে এইবাৰ কিমান খন প্ৰাথমিক বিদ্যালয় প্ৰদেশীকৰণ কৰা হ'ব?

শ্ৰীবন্দাবন গোস্বামী (শিক্ষামন্ত্ৰী) য়ে উত্তৰ দিছে,

ক) হয় আছে।

খ) ৭০০ খন প্ৰাথমিক বিদ্যালয় প্ৰদেশীকৰণ কৰাৰ কথা চিন্তা কৰা হৈছে।

★**শ্ৰীআব্দুল মুক্তাদিৰ চৌধুৰী ঃ-** মাননীয় অধ্যক্ষ মহোদয়, কি ভিত্তিত লোৱা হ'ব।

★**দেৱান জয়নাল আবেদিন ঃ-** মাননীয় অধ্যক্ষ মহোদয়, এই স্কুল বোৰ চৰকাৰে অধিগ্ৰহণ কৰাৰ কাৰণে কিবা নীতি নিয়ম বা নৰ্মচ বান্ধি দিছে নেকি?

★**শ্ৰীবৃন্দাবন গোস্বামী (মন্ত্ৰী) ঃ-** অধ্যক্ষ মহোদয়, ১৯৮৬-৮৭ বিত্তীয় বছৰত পৰিকল্পনা শিতানৰ সৰ্ব্বমুঠ সঞ্চয়ৰ বাবে প্ৰাথমিক বিদ্যালয় (প্ৰতিখনত দুজনকৈ শিক্ষক সহ) প্ৰদেশী কৰনৰ বাবে প্ৰাথমিক শিক্ষা সঞ্চালকৰ পৰা ১৪০০ প্ৰাথমিক স্কুলৰ শিক্ষকৰ পদ সৃষ্টি কৰাৰ কাৰণে প্ৰস্তাৱ পোৱা হৈছে। উক্ত ৭০০ খনৰ ভিতৰত মুঠ ২০০ খন চাহ বাগিচা অধ্যুমিক অঞ্চলৰ পৰা লোৱা হ'ব। প্ৰদেশীকৰণ কৰিব লগা বিদ্যালয় সমূহৰ তালিকা এতিয়ালৈকে পোৱা হোৱা নাই।

★**দেৱান জয়নাল আবেদিন ঃ-** অধ্যক্ষ মহোদয়, নীতি নিয়মৰ ভিত্তিত এই স্কুল সমূহ লোৱা হ'ব বুলি মন্ত্ৰী মহোদয়ে জনাবনে? ইয়াৰ কাৰণে চন হিচাবে ধাৰা হবনে নহয়?

★**শ্ৰীবৃন্দাবন গোস্বামী (মন্ত্ৰী) ঃ-** অধ্যক্ষ মহোদয়, মই ইতিমধ্যেই কৈছে যে ২০০ খন চাহ বাগিচা অধ্যুমিক অঞ্চলৰ পৰা লম। বাকী যিখিনি স্কুল থাকিব সেই খিনিও যথেষ্টে নহয়। গতিকে বিভিন্ন প্ৰয়োজনৰ প্ৰতি লক্ষ্য ৰাখি এই বিদ্যালয় কেইখন লোৱা হ'ব।

**বিষয় ঃ- মজলীয়া আৰু উচ্চ ইংৰাজী বিদ্যালয়ৰ একত্ৰিকৰণ।**

**শ্ৰীদেবেশ্বৰ বৰাই সুধিছে ঃ**

★**২৭৯। মাননীয় শিক্ষাবিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে,**

ক) মজলীযা আৰু উচ্চ ইংৰাজী বিদ্যালয়ৰ একত্ৰিকৰণৰ (analoramation) বাবে চৰকাৰে কোনো বাধ্যতা মুলক নীতিৰ সিদ্ধান্ত লৈছে নেকি?

---

★ *Speech not corrected*

খ) যদি লৈছে, তেন্তে কেতিয়াৰ পৰা ইয়াৰ কাৰ্য্য কাৰী ব্যৱস্থা ল'ব আৰু বিশেষকৈ ১৯৮৭-৮৮ চনত কিমান খন উক্ত পৰ্য্যয়ৰ বিদ্যালয় একত্ৰিকাৰণ কৰা হ'ব?

শ্ৰী বৃন্দাবন গোস্বামী (শিক্ষামন্ত্ৰী) য়ে উত্তৰ দিছে

ক) নাইলোৱা।

খ) প্ৰশ্নই নুঠে।

★**শ্ৰীদেবেশ্বৰ বৰা (মন্ত্ৰী) ঃ-** অধ্যক্ষ মহোদয়, ১৯৮৫-৮৬ আৰু ১৯৮৬-৮৭ চনত এমালগেমেচনৰ কাৰণে লৈছে। ১৯৮৭-৮৮ চনত এমালগেমেচনৰ কাৰণে লবনে নলয় জনাবনে?

★**শ্ৰীবৃন্দাবন গোস্বামী (মন্ত্ৰী) ঃ-**মাননীয় অধ্যক্ষ মহোদয়, মজলীয়া আৰু উচ্চ ইংৰাজী বিদ্যালয়ৰ একত্ৰিকৰনৰ কোনো বাধ্যতা মূলক নীতি চৰকাৰে লোৱা নাই। চৰকাৰে অৱেশ্যে ১৯৮৬ চনত ৬ মে তাৰিখত ই এচ এচ ১৬/৬৯ অংশ। ৭৭ তাৰিখৰ চিঠিমতে প্ৰাথমিক শিক্ষা সঞ্চালক আৰু মাধ্যমিক শিক্ষা সঞ্চালককৈলে একোটা চৌহদত থকা এম, ই আৰু হাইস্কুলৰ একত্ৰি কৰণ কৰিব পাৰিব বুলি জনায়। একত্ৰি কৰনৰ বাবে ১৯৮৩ চনত দিয়া নিৰ্দ্দেশোৱলীৰ নকল মোৰ লগত আছে। ১৯৮৫-৮৬ চনত ১৫ খন আৰু ১৯৮৬-৮৭ চনত ৭ খন বিদ্যালয় একত্ৰি কৰণ কৰা হয়। এম, ই, স্কুল হাইস্কুলৰ লগত একত্ৰিকৰনত প্ৰশাসনীয় আৰু বিত্তীয় অসুবিধা কেতবোৰ আছে। মাননীয় সদস্যাই কোৱাৰ দৰে অষ্টম মানৰ পৰা ধৰিছিল, এতিয়া মনা কৰা হৈছে।

**বিষয় ঃ- ডিব্ৰুগড় বিশ্ববিদ্যালয়ত এম ফিল পাঠ্যক্ৰম**

**শ্ৰীকিৰণ কুমাৰ গগৈয়ে সুধিছে ঃ**

★**২৮০। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে**

ক) ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ সকলো বিভাগতে M. phil পাঠ্যক্ৰমৰ ব্যৱস্থা আছেনে?

খ) যদি নাই বিষয়ৰ গুৰুত্বলৈ লক্ষ্য ৰাখি ৰাসায়ন (Chemistry) আৰু Applied Geology বিষয়ৰ M.phil পঠ্যক্ৰমৰ ব্যৱস্থা উক্ত বিশ্ববিদ্যালয়ত কৰিবনে?

---

★ *Speech not corrected*

**শ্ৰীবৃন্দাবন গোস্বামী(শিক্ষামন্ত্ৰী) য়ে উত্তৰ দিছে,**

ক) নাই।

খ) ১৯৮৮ চনৰ পৰা ৰাসায়ন বিভাগত এম, ফিল খোলাৰ ব্যৱস্থা লোৱা হৈছে বুলি ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ পঞ্জীয়কে জনাইছে পিছত Applied Geology কে ধৰি অন্যান্য বিষয়তো পাঠ্যক্ৰম পৰ্য্যয় ক্ৰমে খোলা হ'ব বুলিওঁ পঞ্জীয়কে জনাইছে।

★ **শ্ৰীকিৰণ কুমাৰ গগৈ ঃ-** মাননীয় অধ্যক্ষ মহোদয়, মই ধন্যবাদ জনাইছো। কিন্তু এই এপ্লাইড জিওলোজি বিষয়ত এম, ফিল পাঠ্যক্ৰমৰ ব্যৱস্থা বিশ্ববিদ্যালয়ত কৰিব লাগে। এই বিষয়টো নোহোৱাৰ কাৰণে বাহিৰৰ লৰাই চাকৰি পায়। গতিকে এই বিষয়টো নোহোৱাৰ কাৰণে বাহিৰৰ লৰাই চাকৰি পায়। গতিকে এই বিষয়টো অন্তভুক্ত কৰিবলৈ মই অনুৰোধ জনাইছো

★ **শ্ৰীবৃন্দাবন গোস্বামী ঃ-** মাননীয় অধ্যক্ষ মহোদয়, এপ্লাইড জিওলোজি বিষয়টো পৰ্য্যায় ক্ৰমে লবলৈ ব্যৱস্থা ল'ম।

## UNSTARRED QUESTIONS AND ANSWERS

**বিষয় ঃ- মাদ্ৰাছা স্কুলৰ শিক্ষক কৰ্ম্মচাৰীৰ ঘৰ ভাড়া আৰু চিকিৎসা বানচ।**

**শ্বেখ ছামান আলীয়ে সুধিছে ঃ**

৩৪২। **মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ**

ক) অসমৰ ছিনিয়ৰ আৰু টাইটেল মাদ্ৰাছাৰ শিক্ষক আৰু কৰ্ম্মচাৰী সকলক ঘৰ ভাড়া আৰু চিকিৎসা বানচ দিয়া হৈছে নে ?

খ) যদি হোৱা নাই তেন্তে ইয়াৰ কাৰণ কি আৰু উক্ত শিক্ষকও কৰ্ম্মচাৰী সকলক উক্ত ঘৰ ভাড়াও চিকিৎসা বানচ দিয়াৰ ব্যৱস্থা লবনে ?

**শ্ৰীবৃন্দাবন গোস্বামী (শিক্ষামন্ত্ৰী)য়ে উত্তৰ দিছে,**

ক) ছিনিয়ৰ মাদ্ৰাছাৰ কৰ্ম্মচাৰী সকলে (Teaching Staff) ঘৰ ভাড়া আৰু চিকিৎসা বাচন পাম আছে। কিন্তু শিক্ষক সকলে (Teaching staff) উক্ত ঘৰ ভাড়া আৰু চিকিৎসা বানচ পোৱা নাই। আনহাতে টাইটেল মাদ্ৰাছাৰ শিক্ষক আৰু কৰ্ম্মচাৰী ঘৰ ভাড়া আৰু চিকিৎসা বানচ কোনোটেৰে পোৱা নাই।

খ) ঘৰভাড়া আৰু চিকিৎসা বানচ দিয়া বিষয়টো পৰীক্ষা ধীন হৈ আছে।

★ *Speech not corrected*

## Re : Unemployed Matriculate Candidates

**Shri Manilal Gowala asked**

**343. Will the Minister, Education be pleased to state.**

a) Whether Government is aware of the large Number of Jobless normal matric panid candidatis?

b) If so, whether there has been any proposal for their absorbtion?

**শ্ৰীবৃন্দাবন গোস্বামী (শিক্ষা মন্ত্ৰী)য়ে উত্তৰ দিছে,**

ক) হয় কিছু সংখ্যক আছে।

খ) হয়, চৰকাৰে এই বিষয়ে উপযুক্ত নিৰ্দ্দেশ দিছে।

**বিষয় ঃ- চাহ বাগিছাৰ প্ৰাথমিক স্কুল।**

**শ্ৰীপ্ৰফুল্ল গোস্বামীয়ে সুধিছে,**

**৩৪৪। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে,**

ক) যি বিলাক চাহ বাগিছাত প্ৰাথমিক স্কুল নাই সেই চাহ বাগিছা বোৰত এনে প্ৰাথমিক স্কুল খুলিবলৈ চৰকাৰৰ তৰফৰ পৰা কিবা ব্যৱস্থা লৈছে নেকি?

খ) চাহ বাগিছাত থকা প্ৰাথমিক স্কুল সমূহত বিনামূলীয়া পাঠ্য-পুথি যোগন ধৰাৰ ব্যৱস্থা লৈছে নেকি?

গ) চাহ বাগিছাত থকা প্ৰাথমিক স্কুল সমূহৰ ছাত্ৰ- ছাত্ৰী অনুযায়ী বহুতত শিক্ষকৰ সংখ্যা কম হোৱাৰ কথা চৰকাৰে জানেনে? যদি জানে তেন্তে এই ক্ষেত্ৰত চৰকাৰৰ তৰফৰ পৰা শিক্ষক নিয়োগৰ কিবা ব্যৱস্থা লৈছে নেকি?

**শ্ৰীবৃন্দাবন গোস্বামী (শিক্ষা মন্ত্ৰী)য়ে উত্তৰ দিছে,**

ক) প্ৰাথমিক বিদ্যালয় নোহোৱা চাহ বাগিছা বিলাকত বিদ্যালয় নোহোৱা চাহ বাগিছা কৰ্তৃপক্ষক অনুৰোধ জনোৱা হৈছে। চাহ বাগিছাৰ কৰ্মচাৰী সকলৰ ল'ৰা ছোৱালীৰ শিক্ষাৰ বাবে চাহ বাগিছাবোৰত প্ৰাথমিক স্কুল খোলাৰ দায়িত্বৰ বাগিছা কৰ্ত্তৃপক্ষৰ

খ) লোৱা হৈছে।

গ) জানে

ঘ) চাহ বাগিছা কৰ্ত্তৃপক্ষৰ নিয়ন্ত্ৰাধীন বিদ্যালয় সমূহত প্ৰয়োজনীয় শিক্ষক দিয়াতো বাগিছা কৰ্তৃপক্ষৰ দায়িত্ব প্ৰদেশীকৰণ স্কুলত য'ত শিক্ষক কম আছে তাত পৰ্য্যায় ক্ৰমে অতিৰিক্ত শিক্ষক দিয়াৰ আচঁনি চৰকাৰৰ আছে।

**বিষয় ঃ- ১৯৮৭-৮৮ বছৰতোৰ বাবে প্ৰাথমিক বিদ্যালয়লৈ সাহাৰ্য্য**

**শ্ৰীকুসুম্বৰ টাইৰাই গগৈয়ে সুধিছে ঃ**

**৩৪৫। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?**

ক) ১৯৮৬-৮৭ চনৰ বছৰতোৰ দৰে ১৯৮৭-৮৮ চনৰ বছৰটোৰ বাবেওঁ প্ৰাথমিক বিদ্যালয় সমুহলৈ প্ৰয়োজনীয় আৰ্থিক সাহাৰ্য্য আগবঢ়োৱাৰ কথা চৰকাৰে বিবেচনা কৰিছে নেকি ?

শ্ৰীযতীন মালী (ৰাজ্যিক মন্ত্ৰী) য়ে উত্তৰ দিছে,

ক) ১৯৮৭-৮৮ চনতো বিত্তীয় আয়োগে প্ৰাথমিক স্কুল ঘৰ সজাৰ বাবে দিয়া অনুদানৰ টকাৰে প্ৰাইমাৰী স্কুল ঘৰ নিৰ্মানৰ পৰিকল্পনা আছে।

**বিষয়ঃ- ছৈখোৱা হাতীঘুলী মথাউৰিৰ পৰা বিদেশী উচ্ছেদ।**

**শ্ৰীমতী জোস্না সোনোৱালে সুধিছে ঃ**

**৩৪৬। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?**

ক) সদিয়া সমষ্টিৰ ছৈখোৱা হাতীঘূলী মাথাউৰিৰ ওপৰত আৰু কাষত থকা লোক বিলাকক বিদেশী হিচাপে চৰকাৰে চিনাক্ত কৰণ কৰাৰ পাচতো অজিলৈকে সেই লোক সকলক উচ্ছেদৰ কাৰ্য্যকাৰী ব্যৱস্থা নোলোৱাৰ কাৰণ কি ?

খ) অতি সোনকালে ইয়াৰ কাৰ্য্যকাৰী ব্যৱস্থা লবনে ?

**শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত (মুখ্য মন্ত্ৰী) য়ে উত্তৰ দিছে,**

ক) শদিয়া সমষ্টিৰ ছৈখোৱা হাটীঘূলী অঞ্চলৰ কোনো মানুহক অবৈধ প্ৰজননকাৰী চিনাক্তকৰণ প্ৰব্ৰজনকাৰী নাইবা বিদেশী বুলি ঘোষনা বা চিনাক্ত কৰণ কৰা হোৱা নাই অৱশ্যে শদিয়া মহকুমাত অবৈধ প্ৰবজনকাৰী আৰু ১৯৬৫-৭১ চনত অহা বিদেশীৰ চিনাক্তকৰণৰ কাম চলি আছে।

**বিষয় ঃ- চিলাপথাৰ কলেজৰ অধ্যক্ষ।**

**শ্ৰীফনীৰাম টায়েংয়ে সুধিছে,**

**৩৪৭। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ**

ক) চিলাপথাৰ কলেজৰ অধ্যক্ষই কলেজৰ পুজিৰ ধন আত্মসাৎ কৰা বুলি উঠা অভিযোগৰ বিষয়ে চৰকাৰ অবগত নে?

খ) এই সংক্ৰুন্তত কলেজৰ পৰিচালনা সমিতিয়ে অধ্যক্ষ গৰাকীক পদচ্যুত কৰাৰ বাবে বিভাগীয় কৰ্তৃপক্ষলৈ লিখাতো সচানে? যদি সচা উক্ত অধ্যক্ষ গৰাকীৰ ওপৰত শিক্ষাধিকৰ্ত্তাই কি কাৰ্য্যকাৰী ব্যৱস্থা লৈছে জনাবনে?

**শ্ৰীবৃন্দাবন গোস্বামী (শিক্ষা মন্ত্ৰী)য়ে উত্তৰ দিছে,**

ক) হয়।

খ) পদচ্যুত কৰাৰ বাবে কাগজ পোৱা দেখা নাযায়, কিন্তু পৰিকল্পনা সমিতিয়ে অধ্যক্ষ গৰাকীক নিলম্বিত কৰি শিক্ষা-ধিকাৰক জনায়। শিক্ষা-ধিকাৰীক জনায় । শিক্ষাধিকাৰে পৰিচালনা সমিতিৰ সেই প্ৰস্তাৱত অনুমোদন জনায়।

গ) নিলম্বিত কৰনৰ বিপক্ষে অধ্যক্ষ গৰাকীয়ে গুৱাহাটীৰ উচ্চন্যায়ালয়ত গোচৰ তৰাত ন্যায়ালয়ে স্থিতাৱস্থা বাহাল ৰাখিবলৈ দিয়া হুকুমৰ পৰিপ্ৰেক্ষিতত অন্য ব্যৱস্থা গ্ৰহন কৰাৰ প্ৰশ্ন নুঠে। শিক্ষাধিকৰ্ত্তাই ইতিমধ্যে মহাবিদ্যালয়ৰ হিচাৰ পত্ৰ পৰীক্ষা কৰাইছে।

**বিষয় ঃ- মাটিৰ পট্টা প্ৰমান পত্ৰ হিচাবে গ্ৰহণ।**

**শ্ৰীইউছুফ আলী আহমেদে সুধিছে,**

**৩৪৮। মাননীয় নিৰ্ব্বাচন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে?**

ক) ১৯৮৫ চনৰ ভোটাৰ তালিকা সংশোধনৰ সময়ত মাটিৰ পট্টা বা খাতিয়ানক ভাৰতীয় নাগৰিকত্বৰ প্ৰমান পত্ৰ হিচাবে মানি লোৱা হৈছিল নেকি?

**শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত (মুখ্য মন্ত্ৰী)য়ে উত্তৰ দিছে,**

ক) নহয়।

**Re : Kharupetia College**

**Shri Abdul Jabbar asked,**

**350. Will the Minister, Education be pleased to state:**

a) Under what Circumstancs the old Governing body of

Kharupetia College was dissolved and new one is formed?

b) Whethere it is a fact that Rupees one lakh was paid to the secretary/ Principal, Kharupetia College by Shri Hiteswar Saikia, Chief Minister of the College Building?

c) If so, will the Government be pleased to ensure proper utilisation of the said money?

শ্ৰীবৃন্দাবন গোস্বামী (শিক্ষা মন্ত্ৰী)য়ে উত্তৰ দিছে,

ক) এটা শৈক্ষিক বাতাবৰণ সৃষ্টি কৰাৰ উদ্দেশ্যে অসমৰ সকলো মহাবিদ্যালয়ৰ নতুন পৰিচালনা সমিতি গঠণ কৰা হয়।

খ) তেতিয়াৰ মুখ্যমন্ত্ৰী পুজিৰ পৰা ১৯৮৫ চনৰ ১০ মে তাৰিখে CMS (A)10/85 চিঠিৰ মৰ্ম্মে ২৫ হাজাৰ টকা গৃহ নিৰ্ম্মানৰ বাবে অনুদান পাইছে ইয়াৰ উপৰিও শিক্ষা বিভাগৰ পৰা ১৯৮৫-৮৬ চনত ২০ হাজাৰ টকা অননুদান দিয়া হৈছিল।

গ) কলেজ কৰ্তৃপক্ষই নিৰ্ম্মানত খৰছ কৰিছে।

**বিষয় ঃ-অসম চৰকাৰৰ বিষয়া কৰ্ম্মচাৰীৰ সা-সম্পত্তিৰ পৰিমান ঘোষণা।**

**শ্ৰীদীনবন্ধু চৌধুৰীয়ে সুধিছে,**

৩৫১। মাননীয় মুখ্য মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ

ক) ১৯৬৫ চনৰ অসামৰিক সেৱা (আচৰণ) বিধিৰ ১১ নং নিয়মৰ বিধান অনুসৰি অসম চৰকাৰৰ বিষয়া কৰ্ম্মচাৰী সকলৰ প্ৰথম নিযুক্তিৰ সময়ত তেওঁ লোকৰ প্ৰত্যেকৰে নিজৰ বা পৰিয়ালৰ স্থাবৰ, অস্থাবৰ আৰু মুল্যবান সম্পত্তিৰ হিচাব দাখিল কৰাৰ ব্যৱস্থা প্ৰচলিত আছেনে?

খ) যদি আছে সকলো বিষয়া কৰ্ম্মচাৰীৰ পৰা তেনে হিচাপ প্ৰথম নিযুক্তিৰ সময়ত লোৱা হৈছে নেকি?

গ) এতিয়ালৈ কোনো বিষয়া কৰ্ম্মচাৰীয়ে আহৰণ কৰা স্থাবৰ আৰু মুল্যবান সম্পত্তি তেওঁৰ আয়ৰ অসমানু পাতিক হোৱাটো চৰকাৰৰ দৃষ্টি গোচৰ হৈছে নে?

ঘ) যদি হৈছে, কিমান জনৰ ক্ষেত্ৰত?

ঙ) উক্ত বিধিৰ ১১ নং নিয়মৰ (৪) নং উপ নিয়মৰ বিধান অনুসৰি কোনো

বিষয়া কৰ্ম্মচাৰীৰ পৰা তেওঁ বা তেওঁৰ পৰিয়ালে আহৰণ কৰা স্থাবৰ, অস্থাবৰ আৰু মুল্যবান সম্পত্তিৰ হিচাব বিচৰা হৈছে নে ?

চ) যদি নাই তাৰ বাবে জৰুৰী ব্যৱস্থা গ্ৰহন কৰিবনে ?

**শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত (মুখ্যমন্ত্ৰী) য়ে উত্তৰ দিছে,**

ক) হয়, আছে।

খ) এই বিষয়ে ৰাজ্য চৰকাৰৰ বিভিন্ন নিয়োগকাৰী কৰ্তৃপক্ষ সমুহৰ পৰা তথ্য সংগ্ৰহ কৰা হৈ আছে।

গ) হয় হৈছে।

ঘ) ১৯৬৮ চনৰ তদন্ত কৰা গোচৰ সমূহৰ ভিতৰত তিনি জন বিষয়াৰ ক্ষেত্ৰত। তেওঁলোকৰ দুজন আৰক্ষী বিষয়া আৰু আনজন বান নিয়ন্ত্ৰন বিভাগৰ।

ঙ) হয়, হৈছে।

চ) প্ৰশ্ন নুঠে।

**বিষয় ঃ- এডহক স্কুল শিক্ষকৰ সংশোধিত দৰমহা।**
**শ্ৰীমকবুল হুচেইনে সুধিছে ঃ**

৩৫২। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

ক) Adhoc স্কুলত মঞ্জুৰীপ্ৰাপ্ত পদত কাম কৰি থকা বড়ো শিক্ষক অসমীয়া জনা বড়ো শিক্ষক, বড়ো হিন্দী শিক্ষক, সংশোধিত দৰমহা পোৱাৰ পৰা বঞ্চিত হৈ থকা কথাটো সচাঁনে ?

খ) যদি উপযুক্ত শিক্ষক সকলক কেতিয়াৈলে উক্ত সংশোধিত দৰমহা দিয়াৰ ব্যৱস্থা কৰা হ'ব ?

শ্ৰীবৃন্দাবন গোস্বামী (শিক্ষামন্ত্ৰী) য়ে উত্তৰ দিছে,

ক) সচা নহয়। এডহক স্কুল " তদৰ্থ মঞ্জুৰী প্ৰাপ্ত" বিদ্যালয় সমুহত ১৯৮১ চনৰ সংশোধিত হাৰৰ বেতন ক্ৰমত দৰমহা দিয়াৰ প্ৰশ্ন নুঠে।

খ) প্ৰশ্ন নুঠে।

## Re : Judicial Magistrate in Karbi Anglong.

**Shri Holiran Terang, asked**

**353. Will the Minister, Judicial be pleased to state :**

a) Whether there are Separate Judicial Magisrate in Karbi Anglong?

b) It not, who are discharging the duties of Judicial Magistrates?

**Shri Surendra Nath Medhi, (Minister, Judicial etc.) replied.**

a) No.

b) In the Atonomous districts no judicial Magistrate is posted criminal justice is administered by the Deputy commissioner, his Assistants and by the mouzadars, Gaonburas or other village authorities of the different of the different commurities under the Rules of the Assam Atomomons Districts(Constitution of District councils) Rules, 1951 framed by the Governor in exercise of the powers conferred by Sub- paragraph (6) of paragraph 2 of the sixth schedule of the constitution of India,

**বিষয় ঃ- ভাষিক শিক্ষকৰ নিয়োগ।**

**শ্ৰীগিৰীন্দ্ৰ কুমাৰ বৰুৱাই সুধিছে ঃ**

৩৫৪। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ

ক) অসমৰ কলেজ সমূহৰ ভাষিক বিভাগ সমূহত নিয়োগ কৰিবৰ বাবে বৰ্ত্তমান শতকৰা কিমান নম্বৰৰ আৱশ্যক ?

খ) নিৰ্দ্ধাৰিত নম্বৰৰ শতকৰা হাৰ হ্ৰাস কৰা হ'ব নেকি ?

গ) যদিহে কৰা হয়, এই নীতি কেতিয়াৰ পৰা কাৰ্য্যকৰী হ'ব ?

**শ্ৰীবৃন্দাবন গোস্বামী (শিক্ষামন্ত্ৰী)য়ে উত্তৰ দিছে,**

ক) বিশ্ববিদ্যালয় অনুদান আয়োগৰ নীতি অনুসৰি আয়োগৰ নিৰ্দ্ধাৰিত বেতন ক্ৰম 'বৰ্ত্তমানে ৭০০-১৬০০ টকা পাবলৈ হলে কলেজৰ শিক্ষকৰ আৰ্হত তলত দিয়া ধৰণৰ হ'ব লাগে।

১। এম ফিল ডিগ্ৰী থাকিলে স্নাতকোত্তৰ স্তৰত ২ য় শ্ৰেণী, অথবা

২। এম ফিল নাথাকিলেঃ-

ক) স্নাতকোত্তৰ স্তৰত উচ্চ দ্বিতীয় শ্ৰেণী আৰু স্নাতক পৰ্য্যয়ত ২য় শ্ৰেণী

খ) স্নাতকোত্তৰ স্তৰত দ্বিতীয় শ্ৰেণী আৰু স্নাতক পৰ্য্যায়ত প্ৰথম শ্ৰেণী ৰাজ্য চৰকাৰে ১৯৮৪ চনত "ভাষা বিষয়ত" স্নাতক পৰীক্ষাত ২য় শ্ৰেণী আৰু স্নাতকোত্তৰ পৰীক্ষাত শতকৰা ৫০ নম্বৰ পোৱা শিক্ষকক নিম্নহাৰৰ বেতন ক্ৰম দিয়াৰ সিদ্ধান্ত লয়। ৫০০-১২২৫ অৱশ্যে বড়ো, মণিপুৰী, নেপালী আদি ভাষাবোৰৰ বাবে বিশ্ববিদ্যালয়ত অনাৰ্ট পাঠ্যক্ৰম অথবা এম. এড পাঠ্যক্ৰম নথকাৰ বাবে সেইবোৰ বিষয়ত শিক্ষক নিযুক্তিৰ ক্ষেত্ৰত লাগতিয়াল স্নাতকোত্তৰ ডিগ্ৰী বা স্নাতক পৰ্যায়ত অনাৰ্চ অৰ্হতা তেনে পাঠ্যক্ৰম আৰম্ভ নথকা পৰ্য্যন্ত স্থপিত থাকিব।

খ) চৰকাৰৰ বিবেচনাধীন হৈ আছে।

গ) 'খ' প্ৰশ্নৰ উত্তৰৰ পৰিপ্ৰেক্ষিতত প্ৰশ্ন নুঠে।

**বিষয় ঃ- চৰকাৰী চাকৰিত জনসংখ্যাৰ আৰ্হি অনুযায়ী নিযুক্তি।**

**শ্ৰীমজিৰুদ্দিন আহমেদে সুধিছে,**

**৩৫৫। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে,ঃ**

চৰকাৰী চাকৰিত নিযুক্তিৰ ক্ষেত্ৰত জনসংখ্যাৰ আৰ্হিৰ ওপৰত ভিত্তি কৰি নিযুক্তি দিয়াৰ কোনা নিৰ্দ্ধাৰিত নীতি আছে নেকি?

**শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত (মুখ্যমন্ত্ৰী) য়ে উত্তৰ দিছে,**

হয়, আছে।

**বিষয় ঃ- বিদ্যালয় সমুহত নিযুক্তি।**

**শ্ৰীমতি দাসে সুধিছে ঃ**

**৩৫৬। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ**

ক) যোৱ জুলাই মাহতে অসমৰ বিভিন্ন বিদ্যালয় সমুহৰ খালি থকা পদসমুহত নিযুক্তিৰ বাবে বিদ্যালয়ত বৰ্ত্তমানেওঁ নিয়োগৰ কোনো ব্যৱস্থা থকাটো জানেনে?

খ) যদি জানে, ইয়াৰ কাৰণ কি আৰু কেতিয়ালৈ ইয়াৰ নিযুক্তিৰ ব্যৱস্থা লোৱা হ'ব?

**শ্ৰীবৃন্দাবন গোস্বামী(শিক্ষামন্ত্ৰী) য়ে উত্তৰ দিছে,**

ক) হয়।

খ) প্ৰাথমিক পৰ্য্যয়ৰ খালি হৈ থকা পদ সমূহত সোণকালে নিযুক্তি দিবলৈ বিদ্যালয় সমূহৰ উপ পৰিদৰ্শক আৰু জিলা প্ৰাথমিক শিক্ষা বিষয়া সমূহলৈ নিৰ্দ্দেশ দিয়া হৈছে। মাধ্যমিক পৰ্য্যয়ৰ খালি হৈ থকা পদ সমূহত নিযুক্তি দিবৰ বাবে প্ৰৰ্থী বাছনি কৰিবৰ কাৰণে প্ৰত্যেক জিলাতেই বাছনি কমিতি গঠন কৰিবৰ কাৰণে চৰকাৰে ব্যৱস্থা লৈছে। কমিটি বিলাক গঠণ হলেই প্ৰৰ্থী বাছনি কৰা হ'ব।

**Re : Occupation of R. D I Hall, Silchar**

**Shri Karnendu Bhattacharjee asked,**

**357. Will the Minister, Municipal Administration be pleased to state:**

a) Whether it is a fact that the R.D.I Hall at Silchar has been under occupation of the ASSU unit of Silchar which is on association not under the administration of the Government?

b) Whether the Govt is aware of the public resentment against unauthorised occupation of public premise by the sound student wing?

c) If So, what measures the govt( is lively to be taken) Proposes to take to remote such unauthorised occupation?

**Shri Sahidul Alam Choudhury (Minister, MAD) replied,**

a) No only one room of the building is rented out to ASSU Unit of silchar for 5 months.

b) Yes, but the resentment is against the authorised use by Assu unit or rent .

c) Does not arise, since occupation is not unauthorised.

**বিষয় ঃ-অসম চৰকাৰৰ ঋনৰ বোজা**

**শ্ৰীজয়নাথ শৰ্মাই সুধিছে ঃ**

**৩৫৮। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ**

ক) অসম চৰকাৰৰ সৰ্ব্বমুঠ ঋণ ১৯৮৭ চনৰ ১ লা জানুৱাৰীত কিমান ?

খ) এই ঋণ জনমুৰি হিচাবত কি?

গ) অসমত নৱজাত শিশুটোৰ ওপৰত এই ঋনৰ বোজা পৰেনে?

**শ্ৰী প্ৰফুল্ল কুমাৰ মহন্ত (মুখ্য মন্ত্ৰী)য়ে উত্তৰ দিছে,**

ক) ১৯৮৭ চনৰ ৩১ মাৰ্চত অসম চৰকাৰৰ ঋণৰ পৰিমান অনুমানিক ২৪৪১.৩৯ কোটি টকা।

খ) ১৯৭১ চনৰ লোক পিয়লৰ ভিত্তিত নিৰূপিত কৰা ১৯৮৭ চনৰ ১ লা মাৰ্চৰ জনসংখ্যা আনুসৰি জনমুৰি হিচাবত এই ঋণ ১০৩০ টকা।

গ) পাৰে।

**বিষয় ঃ- উত্তৰ লক্ষীমপুৰৰ পলিটেকনিক স্কুল।**

**শ্ৰীজগত হাজৰিকাই সুধিছে,**

**৩৫৯। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ**

ক) ইতিপূৰ্বে ঘোষণা কৰা মতে লক্ষীমপুৰ জিলাত পলিটেকনিক শিক্ষানুস্থান-খন নিৰ্মানৰ কোনো ব্যৱস্থা চৰকাৰে হাতত নোলোৱাৰ কাৰন কি?

খ) ইয়াৰ নিৰ্মানৰ কাম কেতিয়াৰ পৰা আৰম্ভ হ'ব জনাবনে?

**শ্ৰীবৃন্দাবন গোস্বামী(শিক্ষা মন্ত্ৰী)য়ে উত্তৰ দিছে,**

ক) লক্ষীমপুৰ জিলাত পলিটেকনিক নিৰ্ম্মানৰ কাৰণে যাৱতীয় ব্যৱস্থা লোৱা হৈছে আৰু প্ৰথম পৰ্য্যায়ৰ কাম শেষ হৈছে।

খ) সোনকালেই আৰম্ভ কৰিবলৈ যত্ন কৰা হৈছে।

**বিষয় ঃ- ১৯৪২ চনত প্ৰথম ভাৰতীয় ৰাষ্ট্ৰীয় পতকা উত্তোলন সম্বন্ধে।**

**শ্ৰীৰবীন শইকিয়াই সুধিছেঃ**

**৩৬০। মাননীয় মুখ্য মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ**

ক) ১৯৪২ চনৰ ২০ আগষ্ট তাৰিখে ভাৰতৰ পোন প্ৰথম বাৰৰ বাবে চতিয়াত থানা দখল কৰি ভাৰতীয় পতকা উত্তোলন কৰা বিষয়ে চৰকাৰ অৱগত নে?

খ) কেন্দ্ৰীয় চৰকাৰৰ লগত এই ঐতিহাসিক ঘটনাটো স্বীকৃতি দিবৰ বাবে যোগাযোগ কৰিছে নেকি আৰু যদি কৰিছে কিমান দুৰ আগবাঢ়িছে।

গ) এই ঐতিহাসিক ঘটনাটোৰ স্বীকৃতিৰ চিন স্বৰূপে চতিয়া থানা খনক আদৰ্শ থানা হিচাবে পৰ্য্যতক সকলক আকৰ্যণ কৰিব পৰা কেন্দ্ৰ হিচাপে

কেন্দ্ৰীয় চৰকাৰৰ এটি অনুস্থান পঢ়ি তুলিবৰ বাবে চৰকাৰে আচঁনি গ্ৰহণ কৰিবনে ?

**শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত (মুখ্য মন্ত্ৰী) য়ে উত্তৰ দিছে,**

ক) হয়।

খ) হয়, কৰা হৈছে। বৰ্ত্তমান বিষয়টো কেন্দ্ৰীয় চৰকাৰৰ গৃহ বিভাগৰ বিবেচনাধীন হৈ আছে।

গ) এই বিষয়ে চৰকাৰে সময়ত বিবেচনা কৰিব।

**বিষয় ঃ- তথ্য আৰু জনসংযোগ সঞ্চালকালয়ৰ টিভি।**

**শ্ৰীশ্বহিদুল ইছলামে সুধিছে ঃ**

৩৬১। মাননীয় মুখ্য মন্ত্ৰী মহোদয়ে, অনুগ্ৰহ কৰি জনাবনেঃ

ক) তথ্য আৰু জনসংযোগ সঞ্চালকালয়ৰ অধীনত কিমান টেলিভিচন আছে আৰু সেইবোৰ ক'ব আছে?

খ) কিছুমান আগেয়ে দুটা টেলিভিচন হেৰুৱা কথাটো সত্য নে ?

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত (মুখ্যমন্ত্ৰী) য়ে উত্তৰ দিছে,

ক) ২৬ টা আছে। সেইবোৰ ক'ত ক'ত আছে তাৰ তালিকা লাঠি দিয়া হ'ল।

খ) সত্য নহয়। ( See the Annexure-II)

**বিষয় ঃ- শিলচর পৌর সভার বাৎসারিক আয়।**

**শ্ৰীৰামেন্দ্ৰ দেয়ে সুধিছে ঃ**

**৩৬২। মাননীয় পৌৰ প্ৰশাসন বিভাগেৰ মন্ত্ৰী মহোদয় অনুগ্ৰহ করিয়া জানাবেন কিঃ**

ক) বৰ্ত্তমানে শিলচর পৌর সভার গত বৎসরের আয় এবং ব্যয় ক'ত ?

খ) গত - ৫ বৎসৰে উক্ত সভারে ৰাজ্যও কেন্দ্ৰিয় চৰকারে মোট ক'ত টকা অনুদান দিয়েছেন।

গ) ১৯৮৬ ইং কেজিতে ক'ত টাকা মঞ্জুৰ হয়েছে ও ক'ত টাকা যাবৎ খৰচ হায়ছে?

**শ্ৰীচহিদুল আলাম চৌধুৰী ( পৌৰ প্ৰশাসন মন্ত্ৰী) য়ে উত্তৰ দিছিল,**

ক) ১৯৮৫-৮৬ সালের আয় ১,২৭,৮৬,৯০৭,৯৩ টাকা।

খ) ১৯৮১-৮২ সাল থেকে ১৯৮৫- ৮৬ সাল পর্য্যন্ত শিলচর পৌর সভা রাজ্য চরকার থেকে মোট ১,১২,০০.০০ পেয়েছেন।

গ) মোট ১৫,৭৫,০০.০০ টকা মঞ্জুর হয়েছে। এখনো খরছ হয়নি।

**Re : Venture Schools of Sonai Assembly Constituency**

**শ্ৰীঅব্দুল ৰব লস্কৰে সুধিছে ঃ**

**363. Will the Minister, Education be plared to State:**

a) Whether the Government is ware of the existance of a large number of venture L. P. Schools in the State?

b) If so, weather Government has proposed to take over some more verture L. P. School's?

c) Whether Government is also aware of the existance of venture L. P. School Sonai Assembly Constituency of Cachar District?

d) If so, whether Government will consider taking over of those venture L. P.. School?

**শ্ৰীবৃন্দাবন গোস্বামী (শিক্ষা মন্ত্ৰী)য়ে উত্তৰ দিছে,**

ক) হয়।

খ) বিষয়টো চৰকাৰৰ বিবেচনাধীন।

গ) হয়।

ঘ) পৰ্য্যায় ক্ৰমে বিবেচনা কৰা হ'ব।

**Re : State Haj Committee**

**Shri Abdul Rob Laskar, asked,**

**364. Will the Minister, Haz Committee etc. be pleased to state:**

a) The name of the chairman of State Haj Commitee?

b) Name and address of the members of the Haz committee?

c) The function of the said Committee?

শ্ৰীচহিদুল আলম চৌধুৰী (হজ বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে,

ক) অসম ৰাজ্যিক হজ কমিটিৰ সদস্য সকলৰ নাম আৰু ঠিকনাৰ তালিকা ইয়াৰ লগত গাঠি দিয়া হ'ল। (See the Annexury-III)

খ) কেন্দ্ৰীয় হজ কমিটি বোম্বাইৰ নিৰ্দ্দেশাৱলীৰ(গাইড লাইন) মতে ৰাজ্যিক হজ কমিটিয়ে সকলো যাৱতীয় কাম কৰে যাতে হজ যাত্ৰী সকলৰ সকলো ধৰণৰ সা- সুবিধাৰ প্ৰতি লক্ষ্য ৰাখিব পৰা যায়।

## Re : Service Rules, 1982 in direct recruitment and promotion of teachers

**Shri Abdul Rob Laskar asked,**

**365. Will the Minister, Education be pleased to state:**

a) Whether the service Rules, 1982 is followed in the matter of direct recruitment of teachers in provincidised High/ Higher Secondary Schools?

b) If not, way?

c) Whether the Service Pules, 1092 is followed in respect of promrtion of principal/ vice of provincidised High and Higher Secondary School's?

d) If not, way?

শ্ৰীবৃন্দাবন গোস্বামী (শিক্ষা মন্ত্ৰী)য়ে উত্তৰ দিছে,

ক) নাই হোৱা।

খ) ১৯৮২ চনৰ অসম মাধ্যমিক শিক্ষা 'প্ৰদেশীকৰণ' সেৱা বিধি অনুযায়ী স্নাতক শিক্ষক/স্নাতকোত্তৰ শিক্ষক/ হাইমাদ্ৰাছা স্নাতক শিক্ষক/ নিম্ন খাপৰ শিক্ষক আদি পদৰ বাবে পোনপটিয়াকৈ নিযুক্তি দিয়াৰ ব্যৱস্থা আছে। কিন্তু ১৯৮২ চনৰ বিধিত দিয়া ব্যৱস্থা মতে শিক্ষাধিকৰ্ত্তক লৈ গঠন কৰিবলগীয়া এখন কমিটিয়ে ৰাজ্যখনৰ সকলো বিলাক খালি পদৰ বাবে শিক্ষক বাচনি কৰা সম্ভৱ নহয়। আনহাতে অসম লোক সেৱা আয়োগৰ ৰেগুলেচনৰ ৩ 'ক' ধাৰাত উল্লেখ কৰা মতে উক্ত বাচনি

কমিটিয়ে সৰ্বেচ্ছ-৬৫১ টকাৰ ওপৰত দৰমহাৰ পদত নিযুক্তি দিব নোৱাৰে। ১৯৮৩ চনৰ দৰমহা নিৰিখ সংশোধনী বিধিমতে সৰ্ব্বোচ্ছ দৰমহাৰ হিচাব ৬৫১ টকাৰ ঠাইত ১৭৭৫ টকা হয়গৈ। সেয়েহে উক্ত ৩ 'ক' ধাৰাৰ সংশোধনীক অৱশ্যক হোৱাত প্ৰস্তাৱ দাখিল কৰা হৈছে। লগতে ৰাজ্যিক কমিতিৰ পৰিবৰ্ত্তে জিলা পৰ্য্যায়ত একোখনকৈ বাচনি কমিতি গঠন কৰিবৰ বাবে ১৯৮২ চনৰ বিধিৰ আৱশ্যকীয় সংশোধনৰ ব্যৱস্থাও লোৱা হৈছে.

গ) হৈছে। উক্ত পদ সমুহ পুৰনৰ বাবে ৰাজ্যৰ উচ্চ আৰু উচ্চতৰ মাধ্যমিক প্ৰাদেশীকৰণ বিদ্যালয় সমুহৰ জেষ্ঠ আৰু যোগ্য শিক্ষক সকলৰ তালিকা এখন ইতিমধ্যে বাচনি সমিতিলৈ পঠোৱা হৈছে।

ঘ) প্ৰশ্ন নুঠে।

## Re: Sonai Nitya Gopal Higher Secondary School.

**Shri Abdul Rob Laskar, asked**

**366. Will the Minister, Education be pleased to state:**

a) Whether the Govt. is aware that the building of Sonai Nitya Gopal Higher Secondary School was badly damaged due to earth quake of 1984?

b) Whethere Plan Estimatis has been Submitted has been Submitted to the Govt. by the principal of the said institution for the reconstruction of the School Building?

c) If so, whether the Govt. Proposes to Sarehor the building grant to this school

**শ্ৰীবৃন্দাবন গোস্বামী(শিক্ষামন্ত্ৰী)য়ে উত্তৰ দিছে,**

ক) হয়।

খ) নহয়। বিদ্যালয় খনৰ মেৰামতিৰ বাবেহে আচঁনি আৰু প্ৰাক কলন স্থানীয় স্কুল পৰিদৰ্শকৰ পৰা পোৱা হৈছিল নিৰ্ম্মানৰ বাবে নহয়।

গ) সোনাই নিত্যগোপাল উচ্চতৰ মাধ্যমিক বিদ্যালয় খনক ভূমিকম্পৰ ক্ষয় ক্ষতিৰ মেৰামতিৰ বাবে ৬০,০০০ হেজাৰ টকাৰ অনুদান ইতিমধ্যে

দিয়া হৈছে। গৃহ নিৰ্মাণৰ বাবে পৃথকে অনুদান দিয়াৰ কোনো প্ৰস্তাৱ বৰ্ত্তমানে নাই।

## Re : Principal of Ramkrishna Nagar College

**Dewan Joynal Abedin, asked,**

**367. Will the Minister, Education be pleased to state:**

a) Whether it is a fact that Rankrishne nagar College in Karimganj district is running without a selected Principal for the last four years?

b) If so, what is the reason?

c) Whether it is a fact that there is a number of allegation against the said Principal in charge?

শ্ৰীবৃন্দাবন গোস্বামী (শিক্ষা মন্ত্ৰী)য়ে উত্তৰ দিছে,

ক) হয়।

খ) মাহাবিদ্যালয়ৰ আগৰ পৰিচলনা সমিতিয়ে স্থায়ী অধ্যক্ষ নিযুক্তি দিয়াৰ বাবে একো ব্যৱস্থা গ্ৰহণ নকৰিলে। এতিয়া নতুনকৈ গঠন কৰি দিয়া পৰিচালনা সমিতিয়ে এই বিষয়ে ব্যৱস্থা লৈছে।

গ) হয়।

## Re : Number of Stipendary teachers in the State.

**Dewan Joynal Abedin asked,**

**368. Will the Minister, Education be pleased to state:**

a) How many teachers are working at present as stipendary teachers in a fixed stipend of Rs. 900/ -P.M in the State?

b) How long will these teachers have to serve with such meagre stipends?

শ্ৰীবৃন্দাবন গোস্বামী (শিক্ষা মন্ত্ৰী)য়ে উত্তৰ দিছে,

ক) ৪১৫৭।

খ) নিযুক্তি পত্ৰত উল্লেখ কৰা স্বৰ্ত্তমতে প্ৰশিক্ষণ শেষ নকৰা পৰ্যন্ত।

**বিষয় ঃ- প্ৰাথমিক বিদ্যালয়ৰ দ্বিতীয় শিক্ষক নিযুক্তি।**

**শ্ৰীকেশৰাম বৰাই সুধিছে ঃ**

**৩৬৯। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ**

ক) সদৌ অসমতে প্ৰাথমিক বিদ্যালয় সমূহৰ প্ৰতিস্থা পদ হয় শিক্ষক সকলৰ পদ সমূহ মঞ্জুৰি দিয়াৰ কথা চৰকাৰে কিবা বিবেচনা কৰিছে নেকি ?

খ) যদি কৰিছে এই আচনিৰ কেতিয়ালৈ কাৰ্য্যকৰী ব্যৱস্থা লোৱা হ'ব ?

শ্ৰীবৃন্দাবন গোস্বামী (শিক্ষা মন্ত্ৰী) য়ে উত্তৰ দিছে,

ক) বৰ্ত্তমানে কোনো প্ৰস্তাৱ নাই

খ) প্ৰশ্ন নুঠে।

**বিষয় ঃ- স্থায়ী বাসিন্দাৰ প্ৰমাণ পত্ৰ।**

**শ্বেখ আব্দুল হামিদে সুধিছে।**

৩৭০। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে, স্থায়ী বসিন্দা প্ৰমান পত্ৰ দিয়া চৰকাৰে বন্ধ কৰা সচাঁনে ?

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত (মুখ্য মন্ত্ৰী) য়ে উত্তৰ দিছে—

বৰ্তমানে স্থায়ী বাসিন্দাৰ প্ৰমান পত্ৰ কেৱল শিক্ষানুষ্ঠানত ভৰ্ত্তি হবৰ কাৰনে য'ত আৱশ্যক তাতহে দিয়া হৈছে। অন্যান্য ক্ষেত্ৰত সাময়িক ভাৱে বন্ধ কৰি ৰখাটো সচা।

**Re : Grade IV Post in Siragul Ali H. S. School, Cachar.**

**Shri Altaf Hussain Mazumdar asked,**

**371. Will the Minister, Education pleased to state.**

a) Is it a fact that Post of grade IV of Siragul Ali Higher Secondary School (Cachar) Sanctioned vide A O P I letter to Inspector (No GPH/ 6/710 PT 13 old kahilipara 29th August, 1981.

b) Is it a fact that the Post was dropped during provincialisation?.

c) Who was working in Post at that time?

d) Will the Govt. Now Re- Sanction this post?

শ্রীবৃন্দাবন গোস্বামী(শিক্ষামন্ত্রী)য়ে উত্তৰ দিছেঃ

ক)
খ) তথ্য সমূহ বিচাৰি পঠোৱা হৈছে।
গ) পালেই জনোৱা হ'ব।
ঘ)

**Re : Amalgamation of Golok Nath ME. HE. and Doloo M. E., H. E. School.**

**Shri Altaf Hossain Mazumder, asked, :**

**372. Will the Minister of Education be pleased to state:**

a) Is it a fact that School authorities of the following Schools wanted amalgamation, and will the Government take steps for immediate amalgamation of :

1) Golok Nath ME. & HE. School.

ii) Doloo M. E. & H. E. School. in Silchar Subdivision.

শ্রীবৃন্দাবন গোস্বামী (শিক্ষা মন্ত্রী)য়ে উত্তৰ দিছেঃ

ক) স্কুল দুখনৰ ভিতৰত ডলু এম, ই, স্কুল আৰু হাইস্কুলৰ একত্রিকৰণৰ বাবে প্রস্তাৱ পোৱা হৈছে। এই সংক্রান্তত কোনো সিদ্ধান্ত এতিয়ালৈকে লোৱা হোৱা নাই।

**Re : Appoint ment of Grade III and Grade IV in Deputy Commissioner's office and sub-Divisional officer's of Cachar.**

**Shri Altaf Hussain Mazumdar, asked**

**573: Will the Chief Minister be pleased to state :**

a) Names of the persons appointment in Grade III and Grade

IV from is of January, 1986 to up- to- date under the establishment of Deputy, Commissioner, Cachar, Sub-Divisional Officer, Haila Kandi ? ( a list may be furnished)

b) The Procedure followed in the recruitment and whether on the basis of recommendation of selection Bord constituted for that purpose?

c) If so, names of the members of these selection Bord/ Selection Committees.

শ্রীপ্রফুল্ল কুমাৰ মহন্ত(মুখ্য মন্ত্ৰী)য়ে উত্তৰ দিছেঃ

ক) নিযুক্তিৰ তালিকা এখন সন্নিবিষ্ট কৰা হ'ল। (See Annexure- iv)

খ) কৰ্ম্মচাৰী নিযুক্তিৰ বাবে বৰ্ত্তমানে জিলা ভিত্তিত কেন্দ্ৰীয় নিয়োগ কমিটি (Central Recruitment Committee) গঠন কৰা হয় আৰু কমিটিয়ে প্ৰস্তুত কৰা তালিকাৰ পৰা কৰ্ম্মচাৰী নিযুক্তি দিয়া হৈছে।

গ) কেন্দ্ৰীয় নিয়োগ কমিটিখন তলত দিয়া সদস্য সকলৰে গঠিত কৰা হৈছে।

১) উপায়ুক্ত, কাছাৰ— চেয়াৰ মেন।

২) মহকুমাধিপতি, সদৰ — সদস্য, সম্পাদক।

৩) মুখ্য চিকিৎসা আৰু স্বাস্থ্য বিষয়া, কাছাৰ— সদস্য।

৪) জিলা নিয়োগ বিষয়া— সদস্য।

## Re :Bongaigaon Normal School.

**Shri Amritlal Basumatary, asked.**

**374. Will the Minister, Education be pleased to state:**

a) Whether Bongaigaon Normal School taken over by the Government ?

b) Whether required number of posts as per norms have been sanctioned to the school ?

c) If not, why ?

শ্ৰীবৃন্দাবন গোস্বামী (শিক্ষা মন্ত্ৰী) য়ে উত্তৰ দিছেঃ

ক) হয়।

খ) বৰ্ত্তমান প্ৰয়োজনীয় সকলো পদ মঞ্জুৰী দিয়া হোৱা নাই।

গ) বঙ্গাই গাওঁ নৰ্মাল স্কুলখন স্থানীয় ৰাইজে ১৯৬৭ চনৰ ১৭ আগষ্ঠত প্ৰতিস্থা কৰে। ৰাইজৰ আবেদন মৰ্ম্মে আৰু অবিভক্ত গোৱালপাৰা জিলাৰ শিক্ষক সকলৰ আৱশ্যকতা অনুসৰি বিদ্যালয় খন চৰকাৰে ১৯৭৫ চনৰ ১৫ আগষ্টত নিজৰ হাতলৈ অনাৰ সময়ত যিবোৰ পদ ৰাইজে চলাই আছিল তাৰে ভিতৰত প্ৰশিক্ষাৰ্থীৰ সংখ্যা অনুপাতে তলত উল্লেখ কৰা পদ সমুহ মঞ্জুৰী দিয়া হয়।

১) অধ্যক্ষ — ১ জন।

২) স্নাতক প্ৰশিক্ষক — ২ জন।

৩) নৰ্মাল প্ৰশিক্ষক — ১ জন।

৪) কাৰ্য্যালয় সহায়ক — ১ জন।

৫) ৪ ৰ্থ কৰ্ম্মচাৰী — ১ জন।

## Re : Increase In time of Bodo programme

**Shri Amritlal Basumatary asked,**

**375. Will the Chief Minister, be pleased to state:**

a) Whether the Government have received any representation of the Bodo Sahitya Sabha demanding increase of the duration of News item in Bodo and Bodo programme?

6) If so, the action taken in that behalf ?

**Shri Prafuela Kumar Mahanta ( Chief Minister ) replied,**

a) Yes.

b) The State Government Representative in the programme Advisory Committee has been asked to press for extension of the duration of the Bodo programme in All India Radio.

**বিষয় ঃ- অসম লাগালেণ্ড সীমা বিবাদ আৰু তদন্ত আয়োগ।**

**শ্ৰীদেবেশ্বৰ বৰাই সুধিছে ঃ**

**৩৭৬। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ**

ক) নাগালেণ্ডৰ লগত হোৱা সীমা বিবাদ স্থায়ী নিস্পত্তিৰ বাবে আপাততঃ কি ব্যৱস্থা লৈছে আৰু অপাততঃ হোৱা আলোচনাৰ বিষয়ে জ্ঞাত কৰিব নে?

**শ্ৰী প্ৰফুল্ল কুমাৰ মহন্ত (মুখ্যমন্ত্ৰী) য়ে উত্তৰ দিছে,**

কেন্দ্ৰীয় চৰকাৰ আৰু নাগালেণ্ড চৰকাৰৰ লগত সঘনে আলোচনা কৰা হৈছে। ইতিমধ্যে কেন্দ্ৰীয় চৰকাৰৰ উপদেষ্টা শ্ৰীসুন্দৰমৰ প্ৰতিবেদন মৰ্মে ব্যৱস্থা লববলৈ অনুৰোধ কৰা হৈছে।

**বিষয় ঃ- লেজাই উচ্চ মাধ্যমিক আৰু পথালিবাম উচ্চ মাধ্যমিক বিদ্যালয়।**

**শ্ৰীকিৰণ কুমাৰ গগৈয়ে সুধিছে ঃ**

**৩৭৭। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ**

ক) চলিত বিত্তীয় বছৰত চৰকাৰে নতুন কৈ উচ্চতৰ মাধ্যমিক বিদ্যালয় সিদ্ধান্ত লৈছে নেকি?

খ) যদি লৈছে ডিব্ৰুগড় জিলাৰ মৰান সমষ্টি অন্তৰ্গত লেজাই উচ্চ মাধ্যমিক বিদ্যালয় আৰু পথালিবাম উচ্চ মাধ্যমিক বিদ্যালয় দুখন চলিত বছৰতে উচ্চতৰ মাধ্যমিক বিদ্যালয়লৈ উন্নীত কৰাৰ বাবে ব্যৱস্থা লৈছে নেকি?

**শ্ৰীবৃন্দাবন গোস্বামী (শিক্ষামন্ত্ৰী) য়ে উত্তৰ দিছে,**

ক) নাই লোৱা।

খ) প্ৰশ্ন নুঠে।

**বিষয় ঃ- মাদ্ৰাছা বিলাকৰ প্ৰাদেশিকী কৰণ।**

**শ্বেখ ছামান আলীয়ে সুধিছেঃ**

**৩৭৮। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ**

ক) আন আন শিক্ষা প্ৰতিস্থানৰ দৰে ছিনিয়ৰ আৰু টাইটেল মাদ্ৰাছা বিলাক প্ৰাদেশীকৰণ কৰা হবনে?

খ) যদি কৰা হব, কেতিয়া কৰা হব ?

গ) যদি নহয়, কিয় নহব ?

**শ্ৰীবৃন্দাবন গোস্বামী (শিক্ষামন্ত্ৰী) য়ে উত্তৰ দিছে,**

ক) তেনে সিদ্ধান্ত লোৱা নাই।

খ) প্ৰশ্ন নুঠে।

গ) ধাৰ্ম্মীক শিক্ষাৰ স্বকীয়তা আৰু বাতাবৰণৰ অক্ষুন্নতা ৰখাৰ খাতিৰত প্ৰাদেশীকৰণ খোলা নাই।

**বিষয় ঃ- অসমত স্বীকৃত প্ৰাপ্ত ছিনিয়ৰ মাদ্ৰাছা।**

**শ্ৰীইউছুফ আলী আহমেদে সুধিছে ঃ**

৩৭৯। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

ক) অসমত কিমান খন স্বীকৃতিপ্ৰাপ্ত ছিনিয়ৰ মাদ্ৰাছা অছে ?

খ) স্বীকৃতি প্ৰাপ্ত মাদ্ৰছা বিলাক চৰকাৰী কৰণ হবনে ?

গ) যদি হয়, কেতিয়াৰ পৰা এই মাদ্ৰাছা বিলাক চৰকাৰী কৰণ কৰিব ?

**শ্ৰীবৃন্দাবন গোস্বামী(শিক্ষামন্ত্ৰী)য়ে উত্তৰ দিছে,**

ক) অসমত স্বীকৃতি প্ৰাপ্ত ছিনিয়ৰ মাদ্ৰাছা ৬৩ খন আছে।

খ) বৰ্ত্তমানে নহয়।

গ) প্ৰশ্ন নুঠে।

**বিষয় ঃ- উত্তৰ শালমাৰা মহকুমা**

**শ্ৰীমকবুল হুচেইনে সুধিছে ঃ**

৩৮০। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

ক) উত্তৰ শালমাৰা মহকুমাৰ স্থান নিৰ্ণয় কৰা হৈছে নেকি ?

খ) যদি হৈছে ক'ত কৰা হৈছে ?

গ) যদি হোৱা নাই তেন্তে উক্ত স্থান অভয়াপুৰীত কৰাৰ বিষয়ে চৰকাৰে বিবেচনা কৰি চাবনে ?

**শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত,(মুখ্য মন্ত্ৰী)য়ে উত্তৰ দিছে,**

ক) উত্তৰ শালমাৰা মহকুমাৰ সদৰ ঠাই ঘোষনা কৰোতে

খ) ইয়াৰ সদৰ ঠাই অভয়পুৰী বুলি ঘোষিত হৈছে।

গ) বৰ্ত্তমানে অভয়াপুৰীতেই সদৰ কাৰ্য্যালয় চলি আছে।

**বিষয় ঃ-মুখ্য সচিবৰ নিযুক্তি ঃ**

**শ্ৰীমজিবুদ্দিন আহমেদে সুধিছে, ঃ**

৩৮১। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে জনাবনে ঃ

ক) বৰ্ত্তমান অসমৰ মুখ্য সচিব (Chief Secretary) জনক (Seniority হিচাপে প্ৰমোচন দিয়া হৈছে নে কাৰোবাক Superside কৰোৱা হৈছে।

খ) প্ৰমোচন দিয়াৰ সময়ত কোনো নিদ্ধাৰিত নীতি পালন (Norms maintain) কৰা হয়নে ?

গ) যদি হয় তেন্তে কি নীতি পালন কৰা হয় ?

**শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত (মুখ্যমন্ত্ৰী) য়ে উত্তৰ দিছে,**

(ক) (খ) (গ)

মুখ্য সচিব পদটোৰ নিযুক্তিৰ বাবে যোগ্যতা আৰু জেষ্ঠতা দুয়োটাই বিবেচনা কৰা হয়। আৰু এইবোৰ দিশ পৰীক্ষা কৰিয়েই বৰ্ত্তমান মুখ্য সচিব জনক অসমৰ মুখ্য সচিব হিচাবে নিযুক্তি দিয়া হৈছে। শ্ৰীশইকীয়াতকৈ জেষ্ঠ দুজন আই, এ এচ, বিষয়াই বৰ্ত্তমান অসমত মুখ্য সচিবৰ সমপৰ্য্যায়ৰ পদত কাম কৰি আছে। গতিকে বৰ্ত্তমান মুখ্য সচিব জনক নিযুক্তি দিয়াত কাকো Superside: কৰা হৈছে বুলি কব নোৱাৰি।

**বিষয়ঃ অসমীয়া কথা ছবিৰ আমোদকৰ**

**শ্ৰীজয়নাথ শৰ্ম্মাই সুধিছে,**

৩৮২। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ

ক) অসমীয়া কথা ছবিৰ প্ৰয়োজক অমোদকৰ ঘূৰাই দিয়াৰ বাবে কিবা ব্যৱস্থা আছে নেকি ?

খ) যদি আছে এই ব্যৱস্থা অনুসৰি মুঠতে কিমান টকা ঘূৰাই দিয়া হৈছে? ১৯৮০-১৯৮৭ চনৰ জানুৱাৰী মাহলৈ।

গ) ১৯৮০-৮৬ চনৰ ভিতৰত কিমান জন প্ৰযোজকক এনেদৰে কাক কিমান

টকাৰ আমোদকৰ ঘূৰাই দিয়া হৈছে?

ঘ) অসমৰ বাহিৰৰ কোনো প্ৰযোজকক এই আমোদ কৰ ঘূৰাই দিয়া হৈছে নেকি?

ঙ) যদি দিছে, অসমীয়া কথা ছবিৰ আমোদকৰ থলুৱা প্ৰযোজকক সকাহ দিয়াৰ উদ্দেশ্যে ওভটাই দিয়াৰ পৰিবৰ্ত্তে নীতি নিয়ম নবন্ধাকৈয়ে এচাম অনা অসমীয়া প্ৰযোজক আমোদকৰ ঘূৰাই দিয়াৰ কাৰণ কি?

চ) অসমীয়া ছবিৰ উন্নতিৰ হকে প্ৰযোজকক দিয়া অনুদান কেৱলমাত্ৰ প্ৰযোজকৰ বাহিৰে যাতে আনে হস্তগত কৰিব নোৱাৰে তাৰ বাবে চৰকাৰে সুস্পষ্ট নীতি ঘোষনা কৰিবনে?

**শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত (মুখ্য মন্ত্ৰী)য়ে উত্তৰ দিছে,**

ক) নাই। তাৰ পৰিবৰ্তে অসমীয়া কথাছবিৰ প্ৰয়োজকৰ আবেদন মৰ্ম্মে কথাছবি খন মুক্তি পোৱাৰ পৰা প্ৰথম বাৰ মাহত সংগৃহিত আমোদকৰৰ সমপৰিমানৰ ধন পুঁজি সপেক্ষে অনুদান হিচাপে দিয়াৰ ব্যৱস্থাহে আছে।

খ) 'ক' প্ৰশ্নোত্তৰত উল্লেখ কৰা ব্যৱস্থামতে। ১৯৮০-১৯৮৬ মাৰ্চ মাহলৈ ৫৭,৮০,০৮৬০০ টকা অনুদান দিয়া হৈছে।

গ) ১৯৮০-৮৬ চনৰ ভিতৰত অনুদান পোৱা প্ৰয়োজকৰ বিতং তালিকা এখন সদনৰ মেজত দিয়া হৈছে। (See the Annexure-v)

ঘ) অসমৰ বাহিৰত পঞ্জীভূক্ত হোৱা এজন প্ৰয়োজক অনুদান দিয়া হৈছে।

ঙ) প্ৰশ্ন নুঠে।

চ) বিধিগত ভাবে মাত্ৰ প্ৰয়োজকক হে অনুদান দিয়া হয়।

**বিষয়ঃ প্ৰাথমিক বিদ্যালয়ৰ ঘৰ নিৰ্মাণ।**

**শ্ৰীশ্বহীদুল ইছলামে সুধিছে।**

**৩৮৩। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ**

ক) চৰকাৰে কৰা ঘোষনা অনুযায়ী নতুনকৈ সাজিব লগীয়া প্ৰথমিক বিদ্যালয় সমূহৰ ঘৰ সজাৰ দায়িত্ব কাৰ হাতত দিয়া হ'ব।

খ) এই প্ৰাথমিক বিদ্যালয় বিলাকৰ ঘৰ সাজিবলৈ চৰকাৰে খৰ টকীয়া কিবা ব্যৱস্থা লৈছে নে?

শ্ৰীযতীন মালী (ৰাজ্যিক শিক্ষামন্ত্ৰী) য়ে উত্তৰ দিছে,

ক) স্কুলৰ মেনেজিং কমিটি আৰু তদাৰক কমিটিৰ তত্বা বধানত এই ঘৰবোৰ সজাৰ ব্যৱস্থা লোৱা হৈছে।

খ) লোৱা হৈছে।

বিষয়ঃ চিফ ইনফৰ মেচন অফিচাৰ

শ্ৰীশ্বহীদুল ইছলামে সুধিছে,

৩৮৪। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ

ক) দিল্লীৰ বাবে Chief Information Officer ৰ Post এটি আছে নেকি?

খ) তথ্য আৰু সম্পৰ্কৰক্ষী সঞ্চালকৰ অধীনত কিমান জন সম্পৰ্ক ৰক্ষী বিষয়া আছে?

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত (মুখ্য মন্ত্ৰী) য়ে উত্তৰ দিছে,

ক) নাই

খ) ৪৭ জন।

## PRESENTATION OF THE LIST OF SUPPLEMENTARY DEMANDS FOR GRANTS AND SUPLEMENTARY APPROPRIATIONS

**Mr. Speaker :-** Now, Item No. 2 Hon'ble Chief Minister.

**Shri Prafulla Kumar Mahanta: (Chief Minister)**: Sir, I beg to present the list of Supplementary demands for grants and supplementary appropriations for the year, 1986-87.

3. **Shri Prafulla Kumar Mahanta** (Chief Minister):- Sir I beg to present the list of demands for excess Grants and Excess Appropriations relating to the year, 1973-74 as per recommendation of the Public Accounts Committee.

4. **Shri Prafulla Kumar Mahanta** (Chief Minister):- Sir I beg to present the list of demands for excess grants and excess appropriations relating to the year, 1974-75 as per recommendation of the Public Accounts Committee.

5. **Shri Prafulla Kumar Mahanta (Chief Minister):-** Sir I beg to present the list of demands for excess grants and excess appropriations relating to the year, 1975-76 as per recommendation of the public Accounts Committee.

6. **Shri Prafulla Kumar Mahanta (Chief Minister):-** Sir I beg to present the list of demands for excess grants and excess appropriations relating to the year, 1976-77 as per recommendation of the public Accounts Committee

7. **Shri Prafulla Kumar Mahanta** (Chief Minister):- Sir I beg to present the list of demands for excess grants and excess appropriations relating to the year, 1977-78 as per recommendation of the public Accounts Committee.

## VOTING ON DEMANDS FOR GRANTS

**Mr. Speaker:** Grant No 49. Hon'ble Minister Irrigation, Shri Pabindra Deka to move.

**Shri Prabin Chandra Deka** (Minister):- Sir, I beg to move that a sum of Rs.77,84,82,00 be granted to the Minister-in - charge to defray the charges which will come in course of payment during the year ending the 31st March, 1988, for the administration of Irrigation.

**Mr.Speaker**:- Grant No. 49 is moved. Now, Cut- motion No. 1 Shri Silvius Condpan.

**Shri Golok Rajbangshi:-**We are not moving the cut- motion

**Shri Ramendra De:-**No, Sir, we are not moving Cut- motion No. 3

**Shri Amrit Lal Basumatury:-**Not moving. Sir.

**Mr. Speaker:-** The, there is no Cut- motion. I am now putting the main motion. The motion is that a sum of Rs

77,84,82,000 be granted to the Minister- in- charge to defray the charges which will come in course of payment during the year ending the 31st March, 1988, for the administration of Irrigation.

(Grant No.49 is passed.)

Now, Grant No. 7.

**Shri Thaneswar Boro (Minister):-** Sir, I beg to move that a sum of Rs, 93,98,000 be granted to the Minister-in-charge to defray the charges which will come in course of payment during the year ending the 31st March, 1988, for the administration of Stamps and Registration.

**Mr. Speaker:-** Grant No. 7 is moved. Now, cut- motion No. 2

**Shri Golok Rajbangshi:-**We are not moving ? Sir.

**Mr. Speaker-**Hon'ble Member Shri Amritlal Basumatary.

**Shri Amritlal Basumatary :-** Sri, I am not moving.

**Mr. Speaker:-** I now put the main motion. The motion is that a sum of Rs. 93, 98,000 be granted to the Minister- in-charge to defray the charges which will come in course of payment during the year ending the 31st March, 1988, for the administration of Stamps and Registration.

( Grant No. 7 is passed.)

Now, Grant No. 6.

**Shri Thaneswar Boro (Minister):-** Sir, I beg to move that a Sum of Rs. 18,13,13,000 be granted to the Minister- in-charge to defray the charges which will come in course of payment during the year ending the 31st. March, 1988, for the administration of Land Revenue and Land Ceiling.

**Mr. Speaker:-** Grant No. 6 is moved. Now, out motion No.1.

**Shri Golok Rajbangshi:-** Sir, I beg to move that the total provision of Rs. 18,13,13,000, under Grant No. 6 in respective

Land Revenue and Land Ceiling at pages 39-62 of volume 11 pt. I of the budget be reduced to Re. 1000, ie. The amount of the whole grant of Rs18,13,13,000 do stant reduced to Rs. 1.00

**Mr. Speaker:-** No.2. Shri Binai Khungur Basumatari (Absent).

**Shri Yusuf Ali:-** Sir, I beg to move that the total provision of Rs. 18,13,13,000 under Grant No. 2 In Respect of " Land Revenue and Land Ceiling" at pages 39-62 of vol. II, part-I. of the Budget be reduced by Rs. 100.00, I. e., the amount of the whole grant of Rs. 18,13,13,000 do stant reduced to Rs.1.00

**Shri Ramendra De:-** Sir, I beg to Move that the total provision of 18,13,13,000under Grant No. 6. in respect of "Land Revenue and Land Ceiling" at pages 30-62 of volume-II, part-I of the Budget be reduced by Rs. 100.00 i.e., the amount of the whole grant of Rs. 18,13,13,000, do stant reduced by Rs 100.00

**Shri Amritlal Basumatary:-** Shri I beg to move that the total provision of Rs. 18,13,13,000, under Grant No. 6 in respect of {{Land Revenue}} and! Land Ceiling at pages 39-62 of volume-II, part-I of the Budget be reduced by Rs. 100.00 i.e., the amount of the whole grant of Rs. 18,13,13,000, do stant reduced by Rs. 100.00

**Mr. Speaker:-** Now. 6. Shri Charan Narzary (Absent). Now, Shri Golok Rajbangshi.

★**শ্ৰীগোলোক ৰাজবংশীঃ-** মাননীয় অধ্যক্ষ মহোদয়, এই কৰ্ত্তন প্ৰস্তাৱ উত্থাপন কৰিছো যিটো টকা ধৰিছে সেইটো বেচি বুলি নহয়। বৰ্ত্তমানে মাটিলৈ যিটো সমস্যা হৈছে সেই সমস্যাৰ পৰিপ্ৰেক্ষিতত আমাৰ যিটো পৰামৰ্শ আৰু সেই পৰামৰ্শ মতে কি কি কৰিব লাগিব সেই হিচাবে কিছু কথা দাঙি ধৰিব খুজিছো। দ্বিতীয় কথা দাঙি ধৰিব খুজিছো এই যিটো যন্ত্ৰ আছে সেই যন্ত্ৰটোও

★ *Speech not corrected*

যি চৰকাৰেই নাথাকক ভাল কাম কৰিব খুজিলেও কৰিব নোৱাৰে। তাৰে এটা ইঙ্গিত দিব খুজিছো। প্ৰথম কথা হ'ল মাটি সম্পৰ্কত অকল অসমতেই নহয় গোটেই ভাৰততেই এই ভূমি ব্যৱস্থাটো বৰ জটিল হৈ আছে। আমাৰ ভূমি সম্পৰ্কীয় ১০০ বছৰীয়া যি খন আইন আছে বিভিন্ন চৰকাৰে বিভিন্ন সময়ত তাৰ সংশোধন কৰিবৰ কাৰণে প্ৰচেষ্টা নকৰা নহয়। কৰিছিল কিন্তু কৰিব পৰা নাই। পৰা নাই এই কাৰণেই যে চৰকাৰ পক্ষ বা বিৰোধী পক্ষৰ মতানক্য হোৱাত এইটো কথা নহয় । এই আইন বিলাকৰ আশ্ৰয়ত কিছুমান ন্যাস্ত স্বাৰ্থই এনেকুৱা প্ৰভাৱ কৰে যে আমি সেই আইন বিলাক সংশোধন কৰাত বাধাগ্ৰস্থ হওঁ। আমাৰ চৰকাৰৰ যিটো ভূমি আইন আছে গোটেই অসমতেই একে আইন নহয়। ব্ৰহ্মপুত্ৰ উপত্যকাত যি আইন চলিছে, ঠাই বিশেষে একে আইন নহয়। বৰাক উপত্যকাত একে আইন নহয়। গোৱাল পাৰাত জমিদাৰী প্ৰথাৰ বিলোপ কৰি জনাসাধাৰণক মাটি দিব খুজিছিল। কিন্তু জমিদাৰী উচ্ছেদ কৰিছে কিন্তু তাক শেষ কৰিব পৰা নাই। ঠিক তেনেকৈ পাহাৰ বিলাকত তেওঁলোকৰ কাষ্টামাৰী ল' আছে। পৰিবৰ্ত্তন কৰিব খুজিলে সমাজৰ পৰা বাধা আহিব। তাৰোপৰি কিছুমান দেৱোত্তৰ, ব্ৰহ্মোত্তৰ, চাহ বাগিচা, যিকুচেম্পল গ্ৰান্ট আছে। প্ৰত্যেকতে বেলেগ চলি আছে। আজি আৱাজ হৈছে 'নাঙল যাৰ মাটি তাৰ'। প্ৰকৃততে আমি কৰিব পৰা নাই। এই চৰকাৰে যে সেইটো মই নকওঁ। বিপদৰ সন্মুখীন হ'ব। কিন্তু প্ৰচেষ্টা চলাই যাব লাগিব। ইয়াৰ বাহিৰেও হিন্দু চাকচেচন এক্ট, মুছলমানৰ পাৰ্চনেল ল' আছে। ইউনিফৰ্ম্ম ল' কৰিবৰ কাৰণে সুবিধা আমি নাপাওঁ, কাৰণ তাৰ পৰা বাধা আহে। অসমৰ মাটিৰ ওপৰত চলে ৰাজনীতি, অসমৰ মাটিৰ ওপৰত অসমৰ অৰ্থনীতি, অসমৰ মাটিৰ ওপৰত অসমীয়া সমাজ, সংস্কৃতি বৰ্ত্তি আছে। কাজেই মাটিৰ কথাখিনিৰ যেতিয়াই পৰিবৰ্ত্তনৰ কথালৈ চাও তেতিয়াই বিভিন্ন দিশৰ পৰা বাধা বিলাক আহে যাৰ কাৰণে সদিচ্ছা থাকিলেও চৰকাৰে কাম কৰিব নোৱাৰে। এই নতুন চৰকাৰে বহুত পৰিবৰ্তন কৰিম বুলি কৈছে তেতিয়া যদি কৰিব পাৰে সচাকৈ মই প্ৰশংসা কৰিম। কিন্তু বিষয়টো বৰ জটিল। এই খিনিত আমাৰ অসুবিধা কিছুমান আছে। মাটিৰ কিছুমান বিভাগ আছে। কিছুমান ম্যাদি পট্টৰ, কিছুমান একচনীয়া পট্টৰ আৰু কিছুমান ভৌজিবাহী। এনে ধৰনৰ মাটিৰ ওপৰত কৃষকৰ স্বভাব সমান নহয়। ফলত যেতিয়া মাটি লৈ কোনো গণ্ডগোলৰ সৃষ্টি হয় তেতিয়া কৃষকে আইনৰ সেই কাৰণে যদিও চেচলমেন্ট অপাৰেচন হৈ থাকে দুৰ্ভাগ্য বেশতঃ আমি আইনৰ জৰিয়তে মানুহক মাটি দিবৰ কাৰণে বা স্বত্ব দিবৰ কাৰণে প্ৰচেষ্টা ললেও যি

যন্ত্ৰৰ দ্বাৰা এই কাম বিলাক কৰিব পাৰে তাৰ পৰা সুবিধা পোৱা নাই। এই মাটি খিনি এক শ্ৰেণীভুক্ত কৰিব নোৱাৰি নেকি? মাটিৰ স্বভব বা হস্তান্তৰ কৰাৰ ক্ষেত্ৰতেই হওঁক কেবাখনো লাইন আছে। কেতিয়াবা মাটিৰ দখল লৈ গণ্ডগোল লাগে আৰু ভাৰতীয় কাৰ্য বিধিৰ ১৪৫ ধাৰাৰ মাজেদি বাচিবলৈ বিচাৰো। মাটি হস্তান্তৰ কৰিব লগা হলে ইণ্ডিয়ান ৰেজিষ্টেচন এক্ট মতে ৰেজিষ্ট্ৰাৰ কৰো স্বত্বৰ আবাদ দখল সাবাস্ত কৰিবৰ কাৰণে চিভিল প্ৰচিডিউৰ কজলৈ যাওঁ এই আইনৰ ব্যৱস্থা বিলাক ইমান দীঘলীয়া যে সচা কথা কবলৈ হলে গৰীব মানুহে কেতিয়াওঁ ন্যায় বিচাৰ নাপায়। কাজেই যিখিনি মানুহক ন্যায় বিচাৰ দিব লাগে প্ৰকৃততে আমাৰ বৰ্ত্তমান যি বিলাক আইন আছে সেই বিলাক সহজ নোহোৱাত ন্যায় বিচাৰ নাপায়। এই আইন বিলাক সহজ কৰিব পাৰি নেকি? এই ক্ষেত্ৰত মন্ত্ৰী মহোদয়ৰ প্ৰচেষ্টাৰ আহ্বান জানালো আমাৰ যি আসাম লেণ্ড ৰেভিনিউ মেনুৱেলৰ দ্বাৰা ৰাজহ প্ৰশাসন চলি আছে ইয়াৰ এশ বছৰ ওপৰ হৈ গ'ল বৃটিছক খেদিলো কিন্তু বৃটিছে কৰি থৈ যোৱা আইন উঠাব নোৱাৰো। বৃটিছে কৰি থৈ যোৱা আই, পি, চি আৰু ৰেভিনিউ মেনুৱেল আজিও চলি আছে বহুত সৰু সৰু কমিটি আয়োগ আদি কৰা হৈছে কিন্তু পিচৰ মন্ত্ৰী সভাই গুৰুত্ব নিদিয়ে। কাজেই এই বিলাক সংশোধন কৰিবৰ কাৰণে বিচক্ষণ ব্যক্তি আদিৰ পৰা পৰামৰ্শ পাবৰ কাৰণে নিয়োগ কৰিব নেকি? শাসন যন্ত্ৰটোত মাটিৰ ওপৰত দি, এল আৰৰ পৰা আমাৰ ভাগ্য নিয়ন্ত্ৰণ হয় মণ্ডললৈ । সকলোকে কণ্টল কৰিব পাৰিলেও মণ্ডলক কন্টল কৰা শক্তি দেখা নাই। এইটো আইন দোষ দি বা চৰকাৰৰ দোষত নহয়। মোৰ এটা কথা মনত পৰিছে তাহানিৰ ৰাজহ মন্ত্ৰী সিদ্ধি নাথ শৰ্মাই কৈছিল তেওঁৰ মাটি নামজাৰি কৰোতে মণ্ডলে টকা ৫০ খালে। গতিকে জীয়া মানুহৰ মাৰিব পাৰে আৰু মৰা মানুহক জীয়ব পাৰে। প্ৰত্যেক বছৰে জমাবন্দী, চিঠি শুদ্ধ কৰিব লাগে। কিন্তু তিনি পুৰুষৰ ওপৰৰ মানুহৰ নাম আছে। মাটি হয় এশ বিঘা , পুতেক, নাতিয়েক বেলেগ হ'ল, কিন্তু চিলিং আইনত পেলাইছে। গতিকে যি উদ্দেশ্যেই চিলিং আইন কৰা হৈছিল, সেই উদ্দেশ্য পালন কৰিব পৰা নাই। পট্টাও তিনি পুৰুষৰ মানুহৰ নাম জীৱিত কৰি ৰখা হৈছে।মোৰ দুই কঠা পট্টাও নাম আছে খজনা দি আছো। কিন্তু লোৱাৰ খাজনা দিবলৈ গৈ দেখো লগতে আন এজনৰ নাম সোমোৱাই থৈছে। চেটেলমেন্ট কৰাৰ পিছতো নাতিয়েকৰ নাম কেনেকৈ আহিল। এনে ধৰনে হলে কেনেকৈ গৰীব মানুহ ৰক্ষা পাব? কাজেই এই জমা বন্দী চিঠি চেটেলমেন্ট এই বিলাক যেনে ধৰনে যেনেকৈ কাম কৰিব লাগে তেনেকুৱা

ধৰনে নকৰে বা চেয়াৰমেন মহোদয় কিন্তু এই বিলাক তদন্ত কৰিব লাগে। কিন্তু তাকে নকৰি আজি অফিচত বহিয়েই ৫ বছেৰীয়া চেট্রোলমেন্টটো গৈ ১৫/২০ বছৰীয়া হয়গৈ। গতিকে এই বিলাক কেনেকৈ সংশোধন কৰিব পাৰি তাৰ ব্যৱস্থা কৰিব লাগে। এতিয়া এডিকচন কৰিবলৈ মুখ্যমন্ত্রী মহোদয়ে ঘোষনা কৰিছে। কিন্তু বে- দখল কাৰীয়ে কেনেকৈ কিয় মাটি দখল কৰিব লগীয়া হৈছে সেইটো মুখ্যমন্ত্রী মহোদয়ে তদন্ত কৰিব লাগে। যদি ভৌজি পট্টা থকা সকলো মানুহকে উচ্ছেদ কৰিব লাগে তেনেহলে লক্ষ্মিপুৰ, ধেমাজি, সদীয়াত বেছি মানুহক উচ্ছেদ কৰিব লাগে তেনেহলে লক্ষ্মিমপুৰ, ধেমাজি, সদীয়াত, বেছি মানুহক উচ্ছেদ কৰিব লাগে। সেইটো পাৰিনে, সম্ভৱ নহয়। অসমত কমেও চাৰিখন জিলাৰ প্ৰায় খিনি মানুহক উচ্চেদ কৰিব লগীয়া আছে অৱশ্যে এই চাৰিখন জিলাৰ প্ৰায় খিনি মানুহক উচ্ছেদ কৰিব লগীয়া আছে। অৱশ্যে এই চাৰিখন জিলাই নহয় আমাৰ বহুতো নদী উপ-নদী আছে। সেইবিলাক নদীৰ কামত আজি ২০/৩০ দখল কৰি তেওঁলোকে সেই বিলাকত ভৌজি পট্টা পাইছে আইন মতে তেওঁলোকক উচ্ছেদ কৰিব লাগে কিন্তু আইনৰ দিশত চালেই নহব। মানবিয়তা দিশৰ পৰাও সেই মানুহ বিলাকে কিয় দখল কৰি আছে সেইটো তদন্ত কৰিব লাগে। ডি, চি এচ/ডি, অ, বিলাকৰ কতৃত্বত এই মানুহ বিলাক বহিছিল। তেওঁলোকে ডি, চিক দৰস্ত দিছে আৰু ডি, চিয়ে টেমপয়াৰী অৰ্ডাৰ দি তেওঁলোকক বহোৱাইছিল। তেনে কুৰা দুটামান মই পঢ়ি শুনাও ordered without Causing any inconvenience to others who have been allowed to way temporarily. They must vacant when demanded,

তাৰমানে এই মানুহ খিনিয়ে যেতিয়ালৈকে চৰকাৰৰ পৰা ডিমান্দ নাহে তেখেত সকলে সেই মাটি দখল কৰিব পাৰিব। এই মানুহখিনিৰ একো দোষ নাই। ডি, চিয়ে পি, জি, আৰ /ভি, জি, আৰত আনকি কৰেষ্টটো তেওঁলোকক মাটি দিছিল। তেওঁলোকে আইনৰ কথা নেজানে। তেওঁলোকে কেৱল ঘৰ সজা কথাটোহে জানে। কিন্তু এই হুকুম মনা নাই। ১৯৫৫ চনৰে হুকুম। আৰু এটা আভাৰ আছে...

মাননীয় অধ্যক্ষ মহোদয়, মঙলদৈৰ এচ, ডি, অ, হুকুম । তেতিয়া মঙলদৈ জিলা হোৱা নাছিল। আজি তেওঁলোকক উচ্ছেদ কৰা হৈছে। আমি উচ্ছেদ বিৰোধীতা কৰা নাই। কিন্তু যি খিনি মানুহক অস্থায়ী ভাবে বহিবলৈ দিছে সেইখিনি মানুহৰ কাৰণে চৰকাৰৰ দায়িত্ব আছে। সেইবিলাক মানুহক চৰকাৰে এলটাৰনেটিভ ব্যৱস্থা কৰি দিব লাগে। কিন্তু তেওঁলোকক উচ্ছেদ

কৰাটো বৰ দুৰ্ভগ্য জনক কৰা হৈছে। তেওঁলোকক উচ্ছেদ কৰিবলৈ আইনৰ ব্যৱস্থা আছে। কিন্তু উচ্ছেদ কৰাৰ আগতে সেই মানুহ খিনিয়ে কি কাৰণে দখল কৰিছিল সেই কথাটো বিবেচনা কৰিব লাগে। কোনোবা পাকিস্থানী মানুহে দখল কৰিছে, আৰু পাকিস্থানী বুলি প্ৰমাণিত হয় তেতিয়াহলে তেওঁক উচ্ছেদ কৰা দৰকাৰ। প্ৰথম কথা হ'ল মানুহ খিনিহে মাটি পাব লগীয়া হয়নে নহয় সেইটো চৰকাৰে বিচাৰ কৰিব লাগে। এই উদ্দেশ্য নীতিটো প্ৰথমতে গুৱাহাটীতে আৰম্ভ কৰক চোন। সেই সৰু সৰু মানুহ খিনিক উচ্ছেদ কৰিব পাৰিব কিন্তু গুৱাহাটীৰ চিলিং ছাৰপ্লাচ লেণ্ডত যি বিলাক মানুহ বেদখল কৰিছে সেইবিলাকক প্ৰথমতেই উচ্ছেদ কৰক। তেওঁলোকক কাৰিব নোৱাৰে। মই আগতেই কৈছো দুখীয়া মানুহৰ শক্তি নাই। গতিকে তেওঁলোকক উচ্ছেদ কৰিব পাৰিব। কিন্তু ধনী মানুহৰ শক্তি বেছি কাৰণে তেওঁলোকক উচ্ছেদ কৰিবলৈ গলে ৰেভিনিউ বৌৰ্ডৰ যোগেদি হাইকোট, মুন্সী কোর্টলৈ যাব। গতিকে মই তেনেকুৱা উদাহৰণ দুটা দিব বিচাৰিছো। দুজন মানুহ চাহ বাগানৰ প্ৰাক্তান বনোৱা। তেওঁলোক হ'ল শ্ৰীইন্দ্ৰেশ্বৰ শৰ্মা পট্টা নং ১৪৭। আৰু শ্ৰী জ্যোতি প্ৰসাদ গাৰোৱান। তেওঁলোকক এন, এম পি স্কীমত পট্টা দিছিল। তেওঁলোকক পট্টা কেঞ্চেল কৰা হ'ল। কেৱল নট ডিৰেবুল বুলি ডি, চি,য়ে কলে। তেওঁলোকৰ এৰাবহে মাটি আছে তাকো উচ্ছেদ কৰা হ'ল। মাননীয় অধ্যক্ষ মহোদয়, যদি উচ্ছেদ কৰিব লগীয়া হয় তেনেহলে আইন চকুত সকলো সমান। মই সেইকাৰণে এটা প্ৰশ্ন দিছিলো ২৫৯ নং প্ৰশ্নত তেজপুৰ মহকুমাৰ ঘূঢ়াদল মৌজাত ১ নং আৰু ২ নং বৰপথাৰ গাওঁত কিমান লোকে বেদখল কৰিছে? কিন্তু উত্তৰটো দিছে শোনিতপুৰ জিলাৰ ঘূঢ়াদল মৌজাৰ ১ নং বৰপথাৰ গাওঁত ৫৯ জন লোকে ১ নং বৰপথাৰ গাওঁত ৫১ জন লোকে ১৫ বিঘা ২ কঠা ১২ লোচা আৰু ২ নং বৰপথাৰ গাওঁত ৭৮ জন লোকে ১৮ বিঘা ৪ কঠা ১৬ লেচা মাটি বেদখল কৰিছে। ২ নং বৰপথাৰ গাওঁত ৮ জন লোকৰ বেদখল কৰা হৈছে।

মাননীয় অধ্যক্ষ মহোদয়, মই মন্ত্ৰী মহোদয় সকলক আহ্বান জনাওঁ যে লক্ষিমপুৰলৈ যাওঁতে ১ মিনিটসময় ধলাই বিলৰ ওচৰত বৈ যাব। তাত দেখিব ডাঙৰ বৰ কেইটামান। সেই কেইটা উচ্ছেদ কৰা হোৱা নাই কিন্তু কৰিছে, (১) শ্ৰীসোমনাথ হাজৰিকা, (২) বদন দাস (৩) শ্ৰীৰজনি ডেকা (৪) মাইনা শইকীয়া, (৫) মুনিন্দ্ৰ বৰঠাকুৰ (৬) কন্তি বৰা। উচ্ছেদৰ নামত এনেকুৱা হলে আমি সমৰ্থন কৰিব নোৱাৰো। গতিকে আইন সকলোৰে কাৰণে সমান হ'ব লাগিব। বৰগাওঁ টাউনৰ কাৰণে মাটি লাগে উচ্ছেদ কৰক,

উচ্ছেদ কৰোতে আমি একো নকওঁ। কিন্তু আমি নকওঁ যে ৰাজহ মন্ত্ৰীয়ে এই হুকুম দিছে মই আগতে সদনত কৈছিলো যে চৰকাৰ এটা নহয়, চৰকাৰ চাৰিটা। এটা যে স্থানীয় চৰকাৰ আছে, সেই চৰকাৰৰ এই প্ৰস্তাৱ। গতিকে এই কথাটো চাব লাগে যাতে স্থানীয় চৰকাৰৰ প্ৰভাৱত উপাযুক্ত বা উপ প্ৰতি সমহৰ্ত্তা সকলে ন্যাস্ত স্বাৰ্থৰ লোক সকলক সুৰক্ষা নিদিয়ে। উচ্ছেদ কৰক, উচ্ছেদক সকলোৱে মানিব কিন্তু উচ্ছেদৰ নামত দিক্ৰিমিনেট কৰা হৈছে। আপোনালোকে ডিব্ৰুগড়লৈ যাওঁতে মিছ্বত ৰৈ যাওঁক। মিছ্বা অঞ্চলত ৰোড চাইন লেঙচ হিন্দুস্থানী সকলক উচ্ছেদ মালিকৰ যিটো পকীঘৰ আছে সেইটো কিয় উচ্ছেদ কৰা হোৱা নাই। গতিকে এই কথাবিলাক দেখা চৰকাৰৰ উচ্ছেদ নীতিত আমাৰ সন্দেহ হয়। চেয়াৰমেন মহোদয় মাটি আমি কিভাবে লোৱা উচিত? মাটি সম্পত্তি উৎপাদনৰ আহিলা নে খিতাপৰ বাবে? মাটিৰ সমাজত এটি গুৰুত্বপূৰ্ণ দিশ আছে। মাটিক সম্পত্তি হিচাবে নলৈ উৎপাদনৰ আহিলা হিচাবে ব্যৱস্থা কৰিব লাগে। আমি সমাজত দেখিছো মানুহৰ যিমানে টকা পইচা নাথাকক যদি ঘৰৰ ভিটিতো নাথাকে তেনেহলে তেওঁৰ একো নাই- এইটো এটা চাইকোলোজি। গতিকে মাটি হব লাগিব উৎপাদনৰ আহিলা কিন্তু উৎপাদনৰ আহিলা হিচাবে মাটি কিমানৰ হাতত আছে? মাটি আমাক নালাগে এজিপিকে দিয়ক কিন্তু উৎপাদনৰ আহিলা হিচাপে মাটি কিমানৰ হাতত আছে? মাটি আমাক নালাগে এজিপিকে দিয়ক কিন্তু উৎপাদনৰ কামত ব্যৱহাৰ কৰিব লাগিব। সেই সকলক মাটি দিয়ক যি সকলে দেশৰ উৎপাদনৰ আহিলা যোগাব (ভইচ- আপোনালোকে পাৰে নেকি?) যদি পাৰে আপোনালোকে কৰক কিন্তু বাধা আমি নকৰো আমি বিৰোধী পক্ষই নকৰো আপোনালোকৰ মাজতে কৰিব আইন মন্ত্ৰীয়ে আইনৰ চকুত আপত্তি কৰিব আপোনালোকৰ মাজত থকা ন্যাস্ত স্বাৰ্থৰলোকে আপোনালোকক বাধা দিব। মাটি খেতিয়কৰ হাতলৈ আনিব লাগে তাত আমাৰ সকলোৰে সমৰ্থন আছে। খেতি নকৰা মানুহৰ হাতত মাটি থাকিলে তাৰ ভাল ব্যৱহাৰ নহয় অকল খাজনা দিব পাৰিলেই নহয়, খেতি নকৰিলে অকল স্বাৰ্থৰ কাৰণে মাটি নালাগে মাটিত অৰ্থনীতিৰ কথা সোমাই আছে। গতিকে মাটিত উৎপাদন কৰিব তেওঁকহে স্বত্ব দিব লাগে এইখিনিকে পৰামৰ্শ হিচাবে আগবঢ়াই মই এইটো সাধু কথাৰে মোৰ বক্তৃতাৰ সামৰণি মাৰিব খুজিছো। "এজন মানুহে এটা বৰ ডাঙৰ ৰৌমাছ ৰজাৰ ঘৰলৈ লৈ গৈছিল- আশা আছিল তেওঁ ৰজাৰ ওচৰত বেছি দাম পাব। ৰাস্তাত ৰজাৰ পালি গ্ৰহৰীয়ে লগ পাই তেওঁক ধৰিলে যে মাছটো তেওঁক দিব লাগে তেওঁ বেছি

দাম লৈ দিহ ভৰা পিছত তেওঁলোকে চুক্তি কৰিলে যে যিমান দাম পাব তাৰ আধাখিনি তেওঁক দিব। সেই হিচাবে ৰজাৰ ওচৰলৈ মাছটো লৈ যোৱা হ'ল, ৰজাই মাছটোৰ মূল্য ২০ টা সোনৰ মুদ্ৰা দিবলৈ ঠিক কৰিলে তেতিয়া মানুহজনে কলে যে স্বৰ্গদেউ মোক মুদ্ৰা নালাগে- ২০ টা বেতৰ কোবহে লাগে। তেতিয়া ৰজা আচৰিত হ'ল তথাপি সেইমতে ২০ টা কোব মাৰিলে ঠিক কৰিলে। ১০ টা কোব মাৰাৰ পাছত মানুহজনে কলে স্বৰ্গদেউ অলপ ৰব বাকী দহোটা কোব মোৰ নহয় মোৰ লগত আৰু এজন সমভাঁগী আছে তেওঁহে এই ১০ কোব পাব। আমি ৩৬ বছৰ শাসন কৰিলো আমাৰ গাত যিমান গৰিৱ ভাব আধা আৰু কেনোবাই পাব। এই খিনিকে কৈ মোৰ বক্তৃতাৰ সামৰণি মাৰিলো।

★শ্ৰীই উচুফ আলিঃ– মাননীয় চেয়াৰমেন মহোদয়, ৰাজহ বিভাগৰ ওচৰত মাননীয় ভালে কেইজন সদস্যই বিভিন্ন পৰামৰ্শ আগবঢ়াইছে। আমাৰ বিৰোধী পক্ষৰ দলপতি ডাঙৰীয়াই ইতিমধ্যে ৰাজহ আইনৰ কৰাকৈ গৈছে অসমৰ বৰ্ত্তমানৰ যিটো ভূমি নীতি আছে তাত যথেষ্ট পৰিমানৰ আশোৱাহ আছে। সেই আশোৱাহ বিলাকৰ কথা আমি সকলোৰে জানো। আমাৰ গোৱালপাৰা জিলাত ইয়াৰ আগতে প্ৰজা স্বত্ব আইন প্ৰবৰ্ত্তন আছিল এতিয়া সেই আইন এবোলিছ কৰি ৰাজহ আইন প্ৰবৰ্ত্তনৰ কাম চলি আছে। আমি দেখিবলৈ পাইছো এই প্ৰজাস্বত্ব আইনত বহুত খেলিমেলি আগৰে পৰা চলি আছিল কিন্তু আজিও সেইবিলাক চিজিল নহল। জমিদাৰি বা জ্যোৎদাৰী প্ৰথা এবোলিছ কথা হ'ল। কিন্তু জমিদাৰ বা জোৎদাৰ সকলে দুখীয়া খেতিয়কৰ নামত ৰেকৰ্ড কৰি লৈছে। ফলত যিবিলাক দুখীয়া খেতিয়কে ঘৰবাৰী কৰি আছিল যিখিনি মাটিত খেতি কৰি আছিল তেওঁলোকৰ নামত ৰেকৰ্ড নহ'ল বৰং তেওঁলোকে উচ্ছেদিত হ'ব লগীয়া হৈছে। আমাৰ মাননীয় সদস্য সকলে কোৱাৰ দৰে আমাৰ যিটো ৰাজহ বিভাগ আছে সেইটো কণ্ট্ৰোল কৰিব পৰা নাই মণ্ডল, কাননগোৱে যাৰ পক্ষ লয় তেওঁৰে হয়।

চেয়াৰমেন মহোদয়, আমাৰ গোৱালপাৰা জিলাত যেতিয়াৰ পৰা প্ৰজাস্বত্ব আইন সংশোধন কৰা হ'ল, তেতিয়াৰ পৰাই মাটি বিলাকৰ খেলি মেলি চলি আছে। যিয়েই মণ্ডলক পইচা দিব পাৰিছে তেওঁৰ নামত মাটি ৰেকৰ্ড কৰা হৈছে। অথচ সেই মাটি তেওঁলোকে ভোগ দখল কৰা নাই। কিন্তু পইচা লৈ ৰেকৰ্ডত তেনেকুৱাকৈ সংশোধন কৰিছে আৰু ইয়াৰ ফলত

★ *Speech not corrected*

দুখীয়া মানুহ যিসকলৰ নামত মাটি নাই তেওঁলোক জোৰ জবৰ দস্তি উচ্ছেদ কৰা হৈছে। যোৱা চেটেলমেন্টৰ পিচৰ পৰাও আমাৰ গোৱালপাৰা জিলাত এতিয়ালৈকে বহুত মাটি আছে ৰেকৰ্ডত সংশোধন নোহোৱাকৈ আছে। তাৰ কাৰণ হ'ল দুখীয়া খেতিয়ক মানুহে মণ্ডলক পইচা দিব পৰা নাই। যাৰ কাৰণে এতিয়ালৈকে তেওঁলোকৰ নামত আৰু ৰেকৰ্ড সংশোধন হোৱা নাই। বৰ্ত্তমান চৰকাৰে সেই মানুহ বিলাকক উচ্ছেদ কৰি আছে তেওঁলোকক উচ্ছেদৰ জাননী দি আছে। সেই দুখীয়া মানুহ বিলাক আজিলৈকে জমিদাৰৰ জাননী দি আছে। সেই দুখীয়া মানুহ বিলাক আজিলৈকে জমিদাৰৰ প্ৰজা হৈ আছে। কিছুমান দুখীয়া মানুহে জমিদাৰৰ তলতীয়া হৈ থাকিলেওঁ কোনো কাগজপত্ৰ লোৱা নাই বা কাৰ্য্যালয়লৈ যোৱা নাই। সেই মানুহ জনে হয়তো কাৰ্য্যালয় কি বস্তু নাজানে বা জানিবলৈ চেষ্টা কৰাৰ সময়ো নাই। কাৰণ তেওঁপেটৰ অন্ন মুঠিৰ কাৰণেই টোপনিৰ পৰা উঠিয়েই চিন্তা কৰিবলগীয়া হয়।তেওঁ ভাবে মই বা মোৰ পৰিয়াল বৰ্গই কি খাব। ঠিক তেনেকুৱা মানুহকো চৰকাৰে উচ্ছেদৰ জাননী দি আছে। কিছুমান ঠাইত উচ্ছেদ কাৰ্য্য চলাইয়ে আছে। মোৰ সমষ্টি বগৰীবাসী বাৰ্কোলৰ অন্তৰ্গত ১৬ টা পৰিয়ালক যোৱা ২/২/৮৭ তাৰিখে উচ্ছেদ কৰা হৈছে। কিন্তু চৰকাৰে নিয়ম নীতি মতে এই মানুহ খিনিক উচ্ছেদ কৰাৰ আগতে জাননী দিব লাগিছিল। যোৱা ইং ২/২/৮৭ তাৰিখেই বগৰীবাৰী চাৰ্কোলৰ এচ, ডি, চি,য়ে পুলিচ লৈ গৈ সেই গাওঁৰ পৰিয়ালৰ ঘৰবাৰী ভাঙি দিয়ে। ইয়াৰ পিচত বাছন আনি নামৰ মানুহজনৰ এম, এন, পি, আচনিৰ যোগে পোৱা মাটি আছিল। সেই মাটিত তেওঁৰ পৰিয়াল তিনি ঘৰ মানুহে একে মাটিতে বসবাস কৰি আছিল। কিন্তু সেই মানুহ জনকো উচ্ছেদ কৰা হৈছে। তাৰ ১৫জন মানুহৰ ভিতৰত বহুতে টোজি বাহী খজনা কোনোবাই

দুই বছৰ, তিনি বছৰ,চাৰি বছৰ দিয়া স্বত্বেও জাননী নিদিয়াকৈ তেওঁলোকক উচ্ছেদ কৰা হ'ল। আমাৰ বিলাসী পাৰা চাৰ্কোলতো অন্তৰ্ভুক্ত কিছুমান মানুহক জাননী দি আছে। সেই জাননী বিলাকত যোৱা ডিচেম্বৰ মাহত, ডি, চি, য়ে চহী কৰিছে। ধুবুৰী জিলাৰ এ, ডি, চি, ৰ জাননীত স্বাক্ষৰ আছে। এই জাননী বিলাক সেই মানুহ জনৰ হাতত বা ঘৰত নিদি কোনোবা ল'ৰা ছোৱালীৰ হাতত দি আছে। আনকি সেই জাননীখন দি আহিওঁ তেওঁৰ পৰা চহী নলয়। জাননীখন কোন তাৰিখত দিয়া হ'ল, তাৰ কোনো প্ৰমাণ লোৱা নাই। মই দুইদিন মান আগতে বিলাসীপাৰাত আছিলো। মই জাননী দিয়া পিয়ন জনক সুধিলো যে জাননী ক'ত দি আহিছে। তেতিয়া পিয়ন

জনে ক'লে যে ওচৰতে দি আহা হৈছে। মই কলো যে নটিচ খন কাক দিয়া হ'ল। তেতিয়া পিয়ন জনে ক'লে যে নটিচ কাক দিলো, কি কৰিলো সেই বিলাক কোৱাৰ আমাৰ অধিকাৰ নাই। ঠিক এনেকুৱা ধৰনে আমাৰ উচ্ছেদ কাৰ্য্য চলি আছে। মই আগতে কৈছো যে এই যি বিলাক মানুহক উচ্ছেদৰ জাননী দিয়া হৈ আছে, তেওঁলোকৰ বেছিভাগ মানুহ দুখীয়া আৰু তেওঁলোকৰ কোনোবাই জমিদাৰৰ বা কোনোবা মাটি থকা মানুহৰ অধিনত ঘৰবাৰী কৰি কোনোমতে দিন মজুৰি কৰি আছে।

সভাপতি মহোদয়, বৰ্ত্তমান আমাৰ ধুবুৰী জিলাত যি চেটেলমেন আৰম্ভ কৰা হৈছে, সেই জৰিপ কাৰ্য্য যে কিমান দিনত শেষ হ'ব তাক কোনোও কব নোৱাৰে। ইয়াৰ আগতে যেতিয়া জৰিপ কাৰ্য্য হৈছিল, সেই জৰিপ কাৰ্য্যৰ মণ্ডজলৰ খেলি মেলি বিলাক আজি ২০ বছৰেওঁ সমাধান কৰিব পৰা নাই। এতিয়া যি জৰিপ কাৰ্য্য চলি আছে, এই জৰিপ কাৰ্য্য শেষ হোৱাৰ পিছত আমাৰ মণ্ডল বিলাকে যি খেলি মেলি কৰিব, সেই খেলি মেলি আমি কিমান দিনৰ মূৰত সমাধা কৰিব পাৰিম তাৰ কোনো নিশ্চয়তা নাই আমি দেখামতে এতিয়া জৰিপ কাৰ্য্য চলি আছে কিছুমান মণ্ডলে কিছুমান দুখীয়া মানুহৰ নামত ৰেকৰ্ড থকা স্বত্বেও বেলেগ ধনী মানুহৰ নামত দখল থকা বুলি দেখুৱাই আৰু তেনেদৰেই জৰীপ কৰে। আমাৰ এই চৰকাৰে কৈ আছে চৰ অঞ্চলৰ মাটি খিনি আমি সোনকালেই জৰীপ কৰিব আৰু এই কাৰ্য্য সমাধা হোৱাৰ পিচত চৰ অঞ্চলক আমি কেনেকুৱা উন্নয়ণ কৰিব পাৰো সেইটো আমি বিবেচনা কৰিম। ইয়াৰ আগতে আমাৰ বন বিভাগৰ মন্ত্ৰীয়ে এটা প্ৰশ্নৰ উত্তৰত কৈছে যে চৰ অঞ্চলত সামাজিক বননীকৰণ কৰা হব। বননীকৰণ কৰাৰ পিচত যিটো নাটক চলি আছে সেইটো বন্ধ হব। চৰ অঞ্চলৰ তেনেকুৱা একো ঠাইত ৮ ৰ পৰা ১০ বিঘালৈ মাটি আছে যদি চৰকাৰে ভাৱে তেন্তে তেনে ঠাইত চচিয়েল ফৰিষ্ট্ৰি কৰিব পাৰে কিন্তু মই জনামতে আমাৰ চৰ অঞ্চলত কিছু মাটি আছে, মই আগতেই কৈছো যে এই খাচ বিলাক যিবিলাক মানুহে দখল কৰি আছে তেওঁলোকৰ টকা পইচা নথকাৰ ফলত মণ্ডলৰ হতুৱাই ৰেকৰ্ড কৰাই লব পৰা নাই সেইবিলাক মাটিৰ এবিঘা বা দেৰ বিঘাৰ ওপৰত নাই বুলি আমি জানো। সেই মানুহ খিনিয়ে বহু কষ্টৰে অলপ অচৰণ খেতি কৰি কিছু লাভবান হয়। এনে ক্ষেত্ৰত আমি এই মানুহখিনিক যদি ৰেকৰ্ড নথকাৰ সুবিধা লৈ উচ্ছেদ কৰোতে তেন্তে বৰ অন্যায় কৰা হব। দ্বিতীয়তে উচ্ছেদ সম্পৰ্কে চৰকাৰে ১৯৭২ চনতে যি আইন বলবত কৰিছিল সেই সম্পৰ্কে মই দুইষাৰ কথা কব খুজিছো।

সেই আইনমতে এজন মানুহে ৫০ বিঘালৈকে মাটি ৰাখিব পাৰে কিন্তু সেই চিলিং আইন মতে চৰ আঞ্চলত তেনে বহুত মানুহ আছে এজন মানুহৰ নামত ৫০ বিঘা মাটিৰ হয়তো ৪৫ বিঘাই নদীৰ গৰ্ভত পৰিছে। এনে ক্ষেত্ৰত তাৰতম্য লক্ষ্য কৰা যায়।

**মাননীয় সভাপতি ঃ-** মাননীয় সদস্যজনে চমু কৰিবলৈ চেষ্টা কৰক।

**★শ্ৰীইউচুফ আলী** ঃ-যোৱা ১৯৮৪-৮৫ চনৰ বানপানীয়ে আমাৰ বিলাসীপাৰা অঞ্চলৰ দক্ষিণ পাৰত যিখন গাওঁ আছে তাত গৌৰাং নদীয়ে বালি পেলাই গোটেই মাটিখিনি খেতিৰ অনুপযোগী কৰি পেলাইছে। তাত এনেকুৱা মানুহো আছে যে যাৰ নামত ২০ বা ৩০ বিঘা মাটি থকা স্বত্বেও দিন মজুৰী কৰি কোনোমতে জীয়াই থাকিব লগা হৈছে।

মাননীয় ৰাজহ মন্ত্ৰী মই কথাবিলাক বিবেচনা কৰি চাই তাৰ প্ৰতি তেখেতে দৃষ্টি দিব বুলি আশা ৰাখি মোৰ বক্তব্যৰ সামৰণি মাৰিছোঁ।

**★শ্ৰীঅমৃত লাল বসুমতাৰীঃ-**মাননীয় সভাপতি মহোদয়, এইটো হেডত বিশেষকৈ লেণ্ড ৰেভিনিউ আৰু লেণ্ড চিলিঙৰ যিটো কাট মোচন ইয়াত আহিছে সেই সম্পৰ্কে দুষাৰমান কম বুলি আগবাঢ়িছো। এটা কথা মন্ত্ৰী ডাঙৰীয়াই সংখ্যা যিটো ইয়াত দেখুৱাইছে ১৮কোটি ১৩ লাখ ১৩ হাজাৰ টকা এই সংখ্যাটো আনলাকি সংখ্যা হৈছে । আনলাকি মোৰ কাৰনে নহয়। মন্ত্ৰী ডাঙৰীয়াৰ কাৰনেহে কিয়নো এই সংখ্যাৰ টকাৰে তেওঁ কাম কাজ বিলাক কৰিব পাৰিব। গতিকে এই টকাটো মন্ত্ৰী মহোদয়ৰ কাৰনে আনলাকি হব পাৰে। গতিকে টকাটো অলপ বঢ়াই দিলে বা কমাই দিলে বেয়া নহল হেতেন আমি জানো আমাৰ মাটিৰ ক্ষেত্ৰত বহুতো আইন আছে যেনে অসমত লেণ্ড ৰেভিনিউ ৰেগুলেচন এক্ট চিলিং আইন ইত্যাদি। আইন বিলাক প্ৰয়োগ কৰণ কৰা হৈছে। আৰু সেই গোটেই বিলাক আইন এক কথাও চাবলৈ গলে আমাৰ বৰ্ত্তমান সমাজৰ চাহিদা পুৰণ কৰিব পৰাকৈ আৰু বৰ্ত্তমান সমাজৰ চিন্তা ধাৰাৰ লগত খাপখোৱা নাই। আৰু বহুদিন আগতে এই আইন বিলাক প্ৰমান কৰাৰ বাবে বৰ্ত্তমান নিয়ম কানুন বা সমাজৰ লগত খাপখোৱা নাই। গতিকে মই প্ৰথমতে অনুৰোধ কৰিলো লেণ্ড ৰেভিনিউ আইন বিলাকৰ আমূল পৰিবৰ্ত্তন কৰিব লাগে। ইয়াত মাটিৰ ক্ষেত্ৰত আৰু মাটিৰ আইনৰ ক্ষেত্ৰত বহুতো আলোচনা হৈ গৈছে। আৰু এই বিষটো আলোচনা কৰি শেষ কৰিব নোৱৰা অৱস্থাৰ নিচিনা হৈছে। আমাৰ ট্ৰাইবেল সমাজৰ

★ *Speech not corrected*

ৰাজনৈতিকদল আৰু ৰাজনীতিৰ সৃষ্টি হৈছে। মাটিৰ সমস্যাৰ কাৰনেই বহুদিনৰ পৰা ৰুলিং পঠিয়ায়েই হওঁক বা বিৰোধী দলৰ পৰাই হওঁক ট্ৰাইবেল বেল্ট আৰু ব্লকৰ প্ৰটেকচনৰ কথা কৈ আহিছে আৰু তেনেধৰনৰ আইন সন্নিবিষ্ট কৰা হৈছে। আৰু আমাৰ একউটো এই বিষয়ে উল্লেখ আছে। ১০নং দফাত এটা কথা সন্নিবিষ্ট আছে যে ট্ৰাইবেল বেল্ট বিলাকৰ পৰা অনাট্ৰাইবেলক মুক্তি কৰা হ'ব। তেনে অৱস্থাত তাত একেবাৰে যি সকল অনা ট্ৰাইবেল যুগে যুগে বাস কৰি আহিছে আৰু মাটি নোহোৱাৰ কাৰনে বিভিন্ন ঠাইত বসবাস কৰিবৰ কাৰণে ট্ৰাইবেল বেল্ট আৰু ব্লকত সোমাই পৰিছে। তেওঁলোকক যদি এভিকচন কৰা নহয় অথচ আইনমতে মাটিৰ সম্পূৰ্ণ অধিকাৰ থকা স্বত্বেও যদিওঁ উচ্ছেদ কৰা হয় তেতিয়াহলে এই অনা ট্ৰাইবেল মানুহ বিলাকৰ মনত যেনে ভাবৰ উদ্ধব হয় সেইটো সকলোৱে জানে। যোৱা মাহত আমাৰ গোসাই গাৱৰ অন্তৰ্গত মেনাবাৰীত অনা ট্ৰাইবেল বোৰক উচ্ছেদ কৰা হৈছে। মই শুনিছো এই উচ্ছেদ অইন মতেই কৰিছে আৰু তেনে আইনো আছে কিন্তু প্ৰত্যেকটো আইন বলৱত কৰোতে আমি মানবীয় দিশটো চাব লাগিব। মানৱতাৰ ক্ষাতিৰত যদি এই আইন বিলাক প্ৰনয় কৰা নহয় তেতিয়াহলে সেই আইন বিলাক কিমান দূৰ যুক্তি সংগত হ'ব সেইটো চৰকাৰে অন্ততঃ বিচাৰ কৰি চাব লাগিব। কিন্তু প্ৰত্যেক আইনেই মনবতাৰ খাটিৰত কৰা নহয় যদি তেতিয়াহলে সেই আইন কিমান দূৰ যুক্তিসঙ্গত সেইটো বিচাৰ বিবেচনা কৰি চাব লাগিব। অধ্যক্ষ মহোদয়, এই ২০ টা ফেমিলি বহু দিনৰ পৰাই তোজি খাজনা দি আহিছিল। প্ৰায় ১৯৮৫ চনলৈকে তেওঁলোকে তৌজি বাহী খাজনা দি আহিছিল। তৌজিবাহী খাজনাৰ দ্বাৰাএনেধৰনৰ টাইটেন মাটিত থকাৰ বা থাকিব পৰাৰ অধিকাৰ দিয়া হৈছিল। যদি সেই মাটি সেই সকল লোকক দিব পৰা নাযায় তেতিয়াহলে খাজনা কিয় আদায় কৰা হৈছিল আৰু সেইটো কাৰনে কোনে চিন্তা কৰিব। মই সেই কাৰণে চৰকাৰক অনুৰোধ জনাব বিচাৰো যে মানুহক থাকিব দি বা মানুহক এনক্ৰোচ কৰিব দি আৰু মানুহ থকাৰ পাচত ইভিকচন কৰাতো বন্ধ কৰিব লাগে। কাৰন এইটো কৰাতো অন্যায় হৈছে বুলি মই ভাবো। এই বিলাক কথাও বিবেচনা কৰি চাব লাগিব। আমাৰ অসমত বুলিয়েই নহয় বিভিন্ন দেশত নতুন একশ্ৰেণীৰ মানুহ আছে যি শ্ৰেণীৰ মানুহ বোৰে মাটি নহ'লে কোনো প্ৰকাৰে জীয়াই থাকিব নোৱাৰে মই কব খোজা নাই তেওঁলোকে মাটি খাই জীয়াই থাকিব। কিন্তু কথা হ'ল তেওঁলোকে জীয়াই থাকিব নোৱাৰে। সেই সকল লোক হ'ল আমাৰ দৰিদ্ৰ কৃষক। আমি যদি আগৰ এই বিলাক পৰ্য্যালোচনা

কৰি চাওঁ তেতিয়াহলে দেখিবলৈ পাওঁ যি সকল লেণ্ডলেচ মানুহক চৰকাৰে বিভিন্ন খাচ মাটিত আৰু ফৰেষ্ট এৰিয়াৰ পৰা ইভিকচন কৰি পঠিয়াইছে, সেই ইভিকচনৰ পাচত তেওলোকে আকৌ বেলেগ জেগাত গৈ এনক্ৰোচ কৰিছে। সেয়েহে এই ইভেকচনৰ কৰা ফেমিলিবোৰেই আকৌ বাৰে বাৰে এনক্ৰোচ কৰা দেখিবলৈ পোৱা যায়। এই ক্ষেত্ৰত মই চৰকাৰক দোষাৰোপ কৰিব বিচাৰা নাই। কিন্তু মই অনুৰোধ জনাব বিচাৰিছো আমাৰ লেণ্ড ৰেভিনিউ একট খন সম্পূৰ্নভাবে পৰিবৰ্তন কৰিব লাগিব। মাটিৰ লগত খাপ খোৱাকৈ সেই শ্ৰেণীৰ মানুহক কেনেকৈ ফক্ষণা বেক্ষণ দিব পাৰি তাৰ ব্যৱস্থাহে কৰিব লাগে। আমাৰ মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে এবাৰ কৈছিল ইভিকচন কৰাৰ পাচত তেওঁলোকৰ ৰিহেবিলিটিচানৰ কোনো ব্যৱস্থা নাই। কিন্তু আমি চিন্তা কৰিব লাগিব ভাৰতবৰ্ষত যত লাখ লাখ টিবেটিয়ান ৰিফিউজিক সংস্থাপন দিছে আৰু বিভিন্ন ৰাজ্যত এনেকুৱা ধৰণে সংস্থাপন দিয়াৰ ব্যৱস্থা কৰিব লাগে। আমি আমাৰ মানুহক এনেকুৱা ধৰণে কিয় সংস্থা কৰিব নোৱাৰো, এই বিষয়ে চিন্তা কৰিও চাবলৈ মই চৰকাৰক অনুৰোধ জনাইছো। ১৯৭১ চনত ষ্টেটিষ্টিকচ মতে দেখা যায় প্ৰায় ১১ হাজাৰ মেতিনিউ ভিলেজ আছে। এই ভিলেজ বিলাকত মানুহ নাই। এই ১১ হাজাৰ খন ৰেভিনিউ ভিলেজত কিমান পৰিমাণৰ মাটি আছে সেইটো উলিয়াই লৈ ইভেকচন হোৱা মানুহ বিলাকক তাত কিয় সংস্থাপন দিব নোৱাৰো। যি সকল অভাবী মানুহ তেওঁলোকক বহুয়াৰ ব্যৱস্থা কৰিব লাগে। তেওঁলোকক অভাবী অৱস্থাত ৰাখিব নালাগে। ইভিকচন হোৱা ফেমিলিবোৰৰ কাৰণে আন ইভিকটেভ গাওঁ বিলাকত সম্ভব হলে চৰকাৰৰ ফালৰ পৰা এগ্ৰিকালচাৰ কৰ্পোৰেচন, ফাৰ্ম ইত্যাদি খুলি সেই মাটিত সম্পূৰ্ণ অধিকাৰ নিদিলেও অন্তত তাত কাম কৰি নিজৰ জীৱিকাৰ পথ উলিয়াই লোৱাৰ কাৰণে ব্যৱস্থা কৰিব লাগে আৰু এই ব্যৱস্থা অতি দূত গতিত কৰিব লাগে আৰু তেতিয়াহলে চৰকাৰৰো ৰাজহ আহিব আৰু আৰ্থিক দিশত আগবাঢ়ি যাব পাৰিব। কিন্তু তাকে নকৰি শত্ৰুৰ নিচিনাকৈ যদি এই মানুহ বিলাকক খেদাই পঠিওৱা হয় তেওঁলোকে কেনেকৈ জীয়াই থাকিব। এই লোক সকলক সংস্থাপন নকৰাকৈ খেদি পঠিয়ালে কিমানখিনি দায়িত্ব চৰকাৰে বহন কৰিব সেইটো ভাবিব লাগিব। চিলিং এক্টৰ ক্ষেত্ৰত এইখিনি কব বিচাৰিছো যে এই আইন প্ৰণয়ন কৰাৰ ক্ষেত্ৰত আৰু চিলিং কৰাৰ ক্ষেত্ৰত যোৱা ৩/৪ বছৰে কংগ্ৰেছ আইৰ দিনত এখন ভেকো ভাওনা হ'ল সম্পূৰ্ণ চিলিং চাৰপ্লাচ লেণ্ড বিলাক মহাজনক ঘূৰাই দিয়া হ'ল। আনকি কিছুমানে ঘূৰাই লবলৈ নিবিচাৰিলেও জোৰ কৰি

ঘূৰাই দিয়া হ'ল। ৰাজনীতিৰ মনোভাব পূৰ্ণ কৰি বা মনোভাবাপন্ন হৈ এখন জনপ্ৰিয় চৰকাৰে পাচকৰা আইন খন এনেকৈ নিৰৰ্থক কৰাটো যুক্তি সঙ্গত হোৱা নাই। এতিয়াও যদি চিলিং চাৰপ্লাচ লেণ্ডৰ ক্ষেত্ৰত একচুৱেল চাৰ্ভে কৰা হয় তেতিয়াহলে বহুত মাটি ওলাব। এইটো সচাঁ কথা মহাজন বিলাকে ভাল মাটি এৰি নিদিয়ে। এতিয়া মাটিৰ গুণাগুণ নিদ্ধাৰণ কৰিবলৈ কৈছে। ভাৰতবৰ্ষত বিভিন্ন ঠাইত, মৰুভূমিতো মানুহে অৱস্থান কৰিছে। আমাৰ ইয়াত মৰুভূমি নাই, আমাৰ ইয়াত পাহাৰৰ টিলাই হওক বা গো ৰিজাৰ্ভয়েই হওক সেই বিলাক আবাদ কৰিব পাৰি আৰু সেই বিলাকত কেনেকৈ বহুৱাব পাৰি সেইটো চিন্তা কৰিব লাগে এম, এন, পি চিচটেমত যি এক বিঘা মাটি দিয়াৰ নিৰ্দ্ধাৰণ কৰিছে সেইটো ঠিক হোৱা নাই। কিয়নো এক বিঘা মাটিত কৃষক জীয়াই থাকিব নোৱাৰে। তাত কোনোমতে বাৰি এখন বনাই বাস কৰিবহে পাৰে। তাৰ পৰা তেওঁলোকৰ কোনো ইনকাম নহয়। ১১ হাজাৰ চিলিং চাৰপ্লাচ লেণ্ড যিখিনিত আছে সেইখিনি কেনেধৰণে লব পাৰি আৰু মাটি হীন কৃষকৰ মাজত ভাগ কৰিব পাৰি এইটো হিচা ব কৰিব লাগে আৰু যাতে এই লোক সকলে জীয়াই থাকিব পৰাকৈ বছৰি ইনকাম হয় সেই ধৰণে নিৰ্দ্ধৰণ কৰিব লাগে।তেতিয়াহে এম, এন, পি আঁচনি চাকচেচফুল হব। এম, এন, পি স্কীমত যি মাটি দিয়া হৈছে তাত তেওঁলোকৰ বেছি ভাগেই পোৱা নাই আৰু লোৱা নাই। কিয়নো তেওঁলোকে কেৱল টকাৰ কাৰণেহে মাটি লৈছে। আনকি এনেকুৱাও দেখা যায় পইচাখিনি পোৱাৰ পাচতো মাটিলৈ নাযায়েই। গতিকে মই জনাব খুজিছো যি স্থানীয় বিষয়াক ইয়াৰ দায়িত্ব দিয়া হয় তেওঁ মাটিৰ পজিচনটো লব লাগে। তাৰ পাচতহে পইচা দিব লাগে। এতিয়া এই আচঁনিটো বৰ একটিভ হৈছে যে এক বিঘা মাটি আৰু আঢ়ৈ হেজাৰ টকাকৈ দিয়া হয়।

সেই কাৰণেই ভাল ভাল ফেমিলিৰ লৰা কিছুমানে ফেমিনিৰ পৰা চেপাৰেট হৈ এই মাটিৰ কাৰণে এপ্লাই কৰিছে। মই কওঁ এই এম, এন, পি ৰ স্কীমটো সম্পূৰ্ণ ভাবে কাৰ্য্যত পৰিণত কৰিবলৈ চেষ্টা কৰিব লাগে আৰু লগতে চিলিং এক্টৰ যি চিলিং নিৰ্দ্ধাৰণ কৰা হৈছিল এইটো ৩০ বিঘালৈ নমাব লাগে আৰু তেতিয়া আমাৰ আৰু বহুত মাটি ওলাব। বহু ক্ষেত্ৰত আমি দেখিছো যি সকলৰ মাটি বেচি আছে তেওঁলোকে কাম নকৰে, আনৰ ওপৰত নিৰ্ভৰ কৰে, কৰ্মচাৰী ৰাখে ইত্যাদি। কিন্তু প্ৰকৃত যি সকল কৃষক, যি সকলে মাটি নহলে জীয়াই থাকিব নোৱাৰে সেই সকলৰ ক্ষেত্ৰত চিলিংৰ লিমিতটো কমাব লাগে। গতিকে ৰেভিনিউ মিনিষ্টাৰক বাৰে বাৰে অনুৰোধ

কৰিছো আমাৰ যি বিলাক ইভেকটেড ফেমিলি আছে, যি সকলৰ মাটি নাই অথচ কৃষক আৰু আইনগত ভাবে তেওঁলোকে মাটি পাব পাৰে, তেওঁলোকৰ অৱস্থা ভৈয়াবহ হৈছে। তেওঁলোকৰ মাজত ক্ৰাইচিচ হৈছে। গতিকে সেই সকলৰ সংস্থাপনৰ ব্যৱস্থা কৰিব লাগে। এনফ্ৰোচাৰ্চ বিলাকক সন্দেযুক্ত নাৰীক বিচাৰ কৰাৰ অধিকাৰ নাই। অফিচাৰ থাকিব লাগে আৰু নিয়োজিত কৰিব লাগে আৰু সেই সকলেই বিদেশী হয়নে নহয় ঠিক ঠাক কৰিব। এনেয়ে বিদেশী বুলি কৈ থাকি বছৰৰ পাচত বছৰ সময় নষ্ট কৰিব নালাগে। যি সকল বাস্তবিকতে ভাৰতীয় নাগৰিক তেওঁলোকক সংস্থাপন দিয়াৰ কাৰণে অনুৰোধ জনাইছো। এইখিনিকে কৈ মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

★ **দেৱান জয়নাল আবেদিনঃ-** মাননীয় চেয়াৰমেন মহোদয়, ৰাজহৰ ওপৰত যি দাবী মঞ্জুৰী আনিছে এই মঞ্জুৰীৰ ওপৰত উখা পন কৰা কৰ্ত্তন প্ৰস্তাৰৰ সাপক্ষে কৰলৈ মই থিয় হৈছো। চেয়াৰমেন মহোদয় মুখ্যমন্ত্ৰী মহোদয়ৰ বাজেট বক্তিতাত এটা ধাৰনা দিছে যে ৰাজ্য খনৰ ৰাজহৰ যি অভাৱ, এই অভাৱবৰ কাৰণেই ৰাজ্যখনৰ উন্নয়নৰ কাৰণে এটা সমস্যা হৈছে।এই ৰাজহ যদি বৃদ্ধি কৰিব লাগে, তেনেহলে প্ৰত্যেক মানুহৰ আৰু খেতিয়কৰ উপাৰ্জন বৃদ্ধি কৰিব লাগিব। ইতিমধ্যে আমাৰ মাননীয় সদস্য এগৰাকীয়ে কৈছে যে, আমাৰ ৰাজ্যত শতকৰা ৭৮ ভাগ মানুহেই দৰিদ্ৰ সীমা ৰেখাৰ তলত বসবাস কৰি আছে। বেচিভাগ মানুহেই গাওঁ অঞ্চলত বাস কৰে। শতকৰা ৮০ ভাগ মানুহেই জীৱিকা নিৰ্ব্বাহৰ কাৰণে উপায় নোপোৱা হৈছে। সভাপতি মহোদয়, আজি এই অৱস্থাৰ পৰা পৰিত্ৰান পাবলৈ হলে একমাত্ৰ উপায় ভূমি সংস্কাৰ কৰিব লাগিব। আৰু খেতি বাতিৰ পদ্ধতি আধুনিকিকৰণ কৰিব লাগিব। প্ৰকৃত খেতিয়ক সকলক তেওঁলোকৰ প্ৰাপ্য বস্তু খিনিৰ যোগান ধৰিব লাগিব। আৰু বছৰেকত দুই তিনিটা খেতি কৰিব পৰা ব্যৱস্থা কৰিব পাৰিব লাগিব। তেতিয়া আয়ৰ পৰিমান বৃদ্ধি হব পাৰে। কিন্তু আমি দুখেৰে সৈতে লক্ষ্য কৰিছে যে খেতিয়ক সকলৰ যি পদ্ধতিৰে আয় বৃদ্ধি হব পাৰে সেই পিনে নজৰ নিদি তেওঁলোকে ভূমি সংস্কাৰৰ নামত আৰু কিছুমান নীতি গ্ৰহণ কৰিছে. যাৰ ফলত ৰাজহ বৃদ্ধি হোৱা নাই আৰু ৰাইজৰ হাৰাশাস্তি বৃদ্ধি পাইছে আৰু চৰকাৰৰো কাৰ্য্য সিদ্ধি হোৱা নাই। আমি এতিয়া বিভিন্ন ঠাইত দেখিছো যে চৰকাৰে উচ্ছেদ নীতি গ্ৰহণ কৰিছে। আৰু ব্যপক ভাবে উচ্ছেদ চলাইছে। চৰকাৰে এনে এটা কথা কব খুজিছে, যে ইয়াৰ মাজেৰে ৰাজ্যৰ

★ *Speech not corrected*

অৰ্থনৈতিক সমস্যা সমাধান কৰা হব। এই ক্ষেত্ৰত অত্যন্ত দুখলগা কথা হৈছে যে, ৰাজ্যৰ বিভিন্ন ঠাইত বিনা বিচাৰে অমানুষিক ভাৱে উচ্ছেদ কাৰ্য্য চলাই আছে। অকল সেয়ে নহয় বিভিন্ন ঠাইত বে- চৰকাৰী ভাৱে বিভিন্ন ব্যক্তিত উচতনি দি আইন বিৰোধী কাৰ্য্যত উদগনি দি আছে। কৰবাত সমবায় কৃষি পামৰ নামত কৰবাত বেলেগ ধৰনে ৫০/১০০ বছৰ বসবাস কৰি থকা মানুহক উচ্ছেদ কৰা হৈছে। এই মাটি বিলাক হয়তো চৰকাৰ ত্ৰুটিৰ কাৰণে জৰীপ হোৱা নাই। নাম পঞ্জীভুক্ত হোৱা নাই। বেদখল কৰিবলৈ উচতনি দি সমস্যা সমাধান কৰিব খুজিছে নেকি মই বুজিব পৰা নাই। এনে ধৰণৰ আইন বিৰোধী কাৰ্য্যকলাপেৰে সমস্যা সমাধান নহব বৰং বৃদ্ধিহে পাব। পশ্চিম বঙ্গঁৰ নিৰ্ব্বাচনৰ সংক্ৰান্তত যোৱা ১৮ তাৰিখে পশ্চিমবঙ্গঁলৈ গৈছিলো তাত দেখিছো আজিকালি পেপাৰ খনত ডাঙৰ আখৰেৰে হোমেন বৰগোহাইয়ে লিখিছে অসমত ভূমি দখলৰ নামত জুৰজুলুম আৰু নাৰী ধৰ্ষন চলি আছে। গোটেই ভাৰতবৰ্ষতেই এনে ধৰণৰ প্ৰচাৰ হৈছে। মোৰামাৰী চাপৰিত কেনে ধৰণৰ উচ্ছেদ কাৰ্য্য চলি আছে। গৰু ছাগলী চোৰ হৈ আছে। পুলিছে কোনো ধৰণৰ তৎপৰতা দেখুৱা নাই। আগতে দুবাৰ দুগৰাকী সংখ্যালঘু ছোৱালীক ধৰ্ষণ কৰা হৈছে। তাৰ বিৰুদ্ধে অভিযোগ দিয়া হৈছিল কিন্তু বিচাৰ হোৱা নাই। ইয়াৰ ফলত সংখ্যালঘু সম্প্ৰদায়ৰ মানুহ বিলাকৰ প্ৰশাসনৰ ওপৰত আস্থা হেৰাইছে। এনেধৰণৰ কাৰ্য্যকলাপৰ বিৰুদ্ধে প্ৰশাসনৰ কাষ চাপিবলৈ মানুহৰ উৎসাহ নোহোৱা হৈ গৈছে। আমাৰ ইয়াত হয়তো সন্দেহযুক্ত বিদেশী থাকিব পাৰে। তেওঁলোকক বাহিৰ কৰিব লাগে। কিন্তু বিদেশীক বাহিৰ কৰিব নোৱাৰি সমূহ সংখ্যালঘু সম্প্ৰদায়ক বিদেশী বুলি সন্দে কৰিব নোৱাৰে। চৰকাৰে আগতে কৈছিল ৪০ বিদেশী আছে। ভাল কতা। আইনৰ জৰিয়তে ৪০ লাখ কোটি যিমান খিনি আছে বিদেশীক বাহিৰ কৰি উলিয়াই দিয়ক। ৪০ লাখ মানুহ মানে কি? প্ৰয় সকলো সংখ্যালঘু সম্প্ৰদায়ক ডিচলোকেট কৰিব? কাগজে পত্ৰই যি ৰেকৰ্ড দিছে কৰবাত দুই তিনিটা মানুহ ওলাইছে। বিদেশীক ধৰিব নোৱাৰি তাৰ বিনিময়ত সকলো সংখ্যালঘু মানুহক বিদেশী বুলি সন্দেহ কৰিব নেকি? সকলো মানুহক নিৰ্ব্বিচাৰে উচ্ছেদ কৰিব নেকি? যদি এনে ধৰণৰ নীতি গ্ৰহণ কৰিবলৈ যায় ফলটো ভাল নহব। অসমত বসবাস কৰা কোনো সম্পদায়ৰ মানুহৰে ভাল নহব। চৰকাৰৰ কাৰণেও ভাল নহব। সেই কাৰণে আমি সকলোৰে শান্তি সম্প্ৰীতি কামনা কৰো। আজি জাতি ধৰ্ম্ম নিৰ্ব্বিশেষে টাইবেল, সংখ্যালঘু, নেপালী, বিহাৰী, বঙালী মুছলমান সকলো উচ্ছেদ হৈছে। চৰকাৰে সকলো

জনসাধাৰণৰ দায়িতবে লব লাগিব। চৰকাৰে মাটি দি সকলোকে পুনৰ বাসৰ ব্যৱস্থা কৰিব লাগিব। এঠাইত হলে আৰু আন ঠাইত বহিব আৰু সেই ঠাইৰ পৰাওঁ উচ্ছেদ হব তেনেধৰণে নহব। সেই কাৰণে যিবিলাক মাটি বনানী কৰণৰ কাৰণে উপযুক্ত নহয়, সেই বিলাক ঠাইত মাটি দি বহুৱাৰ ব্যৱস্থা কৰিব লাগিব। ফৰেষ্টৰ বিষয়া সকলে বনাঞ্চলৰ খেতি বাতি হোৱা ঠাইত জমিদাৰি হিচাবে ৰাখি আছে। ইয়াৰ ফলত চৰকাৰেওঁ ৰাজহ পোৱা নাই আৰু ফৰেষ্ট বিভাগেও ৰাজহ পোৱা নাই। বগৰীবাৰীৰ ওচৰৰদেউবাৰীত ৰাজহ মন্ত্ৰীয়ে লিখি দিয়া সত্বেও চাওঁতাল বড়ো মুছলমান আদি মানুহক উচ্ছেদ কৰিছে। বছৰ বছৰ ধৰি সেই মাটি বিলাকত বসবাস কৰি আহিছে। এই সকলো অসমীয়া মানুহক ৰাজহ বিভাগে বন্দবস্তী দিব লাগিছিল। কিন্তু এই ধৰণৰ মাটি বিলাক উলিয়াই ৰাজহ বিভাগে বন্দবস্তী দিয়া ব্যৱস্থা কৰিব লাগে। ইয়াৰ আগতেওঁ কোৱা হৈছে যে গোৱালপাৰা আৰু কৰিমগঞ্জত প্ৰজাস্বওঁ আইন আছিল। এই দুই ঠাইত জৰীপ হোৱা নাছিল। বৰ্ত্তমান জৰীপ কাৰ্য্য চলি আছে. কাৰ্য্যত দেখা গ'ল ইয়াতো খেলি মেলি হৈছে। মাটি কিনা বেচা হৈ গৈছে অথচ তিনি পুৰুষৰ নাম আছে। কিছু দিন আগতে প্ৰশ্ন উত্তৰত ৰাজহ মন্ত্ৰীয়েকৈছিল যে, দক্ষিণ শালমৰাত ১৯৯৫/৮৬ চনত গড়াখহনীয়াত পৰা ২০০০ পৰি.ালক লেণ্ড চিডিউলত নপৰা কাৰণে সাহাৰ্য্য দিব পৰা হোৱা নাই চৰকাৰৰ গাফিলতিৰ কাৰণে এই মানুহ বিলাক বঞ্চিত হ'ব লগা হ'ল কিয়? মোৰ সমষ্টিত জৰোৱাবন্দী চৰত ২০০ ঘৰ মানুহৰ গড়াখহনীয়া হৈছে। জোনাই ধেমাজী আদিৰ নিচিনাকৈ এই চৰ বিলাকতো কেডেচট্ৰেল চাৰ্ভে কৰি পট্টন দিয়াৰ ব্যৱস্থা কৰিব লাগে। মই আক্ষেপৰ সৈতে কব লগা হৈছো যে মোৰ সমষ্টিৰ ১২০ ঘৰ মানুহ ১০৮৬/৮৭ চনৰ গড়াখহনীয়াত পৰিছে। সেই মানুহ বিলাকক ঘূনৰ বাসনৰ মঞ্জুৰী দিয়া হোৱা নাই। সেই দূৰ্গত সকলৰ প্ৰতি থকা নিম্নতম কৰ্ত্তব্য চৰকাৰে পালন কৰা নাই। মাননীয় সদস্য ৰমেন্দ্ৰ দে বকেন্দ্ৰ দে বকেয়া খাজানাৰ কথা কৈ গৈছে। ৰাজহ মন্ত্ৰীৰ ওচৰলৈ জাতি দল আহিছিল। ধুবুৰী জিলাৰ ব্ৰহমপুৰৰ মাজৰ বহু ঠাইত বহু বছৰ আগতে গড়াখহনীয়া হৈছিল। কিন্তু বকেয়া খাজানা ৰেহাই দিয়াৰ ব্যৱস্থা আশ্বাস দিছিল যে সিও বাস্তবত কৰা হোৱা নাই। গতিকে মন্ত্ৰী মহোদয়ক মই অনুৰোধ কৰিছো এই বাকেয়া খাজানা ৰেহাই দি কাবৰণ্ট খাজানা লব লাগে। এই খিনিকে কৈ মই বক্তব্যৰ সামৰণি মাৰিলো।

★শ্ৰীদেব বৰাঃ– মাননীয় অধ্যক্ষ মহোদয়, আমাৰ ইতিমধ্যে কেইবাজনো মাননীয়

★ *Speech not corrected*

সদস্যই অসমৰ ভূমিৰ নীতিৰ আৰু উচ্ছেদৰ সম্পৰ্কে কেতবোৰ কথা ইয়াত উৎথাপিত কৰিছে। সেয়েহে মোৰ ফালৰ পৰাও কিছু মতামত আগবঢ়াব বিচাৰিছো। অসমৰ মাটি কালি যদি পৰীক্ষা কৰি চোৱা হয়, এসময়ত অসমৰ যিমান চিত্ৰ আছিল, সেই মানচিত্ৰৰ বুকুত পলিটিকেল ডিভিজনও কৰি ৭ (সাত) খন ষ্টেট কৰা হ'ল। এই পৰিপ্ৰেক্ষিতত আমাৰ অসম ৰাজ্যৰ বৰ্ত্তমান মাটি কালি ইয়াৰ পৰা উদ্ভৱ হোৱা আমাৰ মানচিত্ৰৰ মাটি কালি কম। অৰুনাচলৰ কথাতে কব পাৰো যে অৰুনাচলৰ টুটেল এৰিয়া অসমতকৈ বেছি। তাৰোপৰি অসমৰ ভূমিৰ মাজেদি ব্ৰহ্মপুত্ৰ নদী বৈ গৈছে। এইব্ৰহ্ম পুত্ৰ উপত্যাকাৰ ক্ষেত্ৰত যি খিনি মাটি কালি ইতিমধ্যে গড়াখহনীয়াৰ বুকুত বিভিন্ন ধৰণে ক্ষয় গৈছে। কমপাৰেটিভলি যদি চোৱা হয় দেখা যায় যে ভাৰতবৰ্ষৰ টুটেল ইকনমিক পৰিসংখ্যাৰ যোগেদি অৰ্থনৈতি দিশত অসম বহু ধৰণে বাধাগ্ৰস্থ হৈ আহিছে।

মাননীয় অধ্যক্ষ মহোদয়, ইয়াৰ পিচত আমাৰ যি ভূমি নীতি আছে সেই ভূমি নীতিৰ এটা পৰিবৰ্ত্তন লাগে বুলি কোৱা হৈছে। ১৯৮৪ চনত যি ভূমি আইনৰ বেচিক ডকোমেণ্ট আছে সেইটো ৰিৰ্ফমচ পলিচি লব লাগে বুলি বিৰোধী পক্ষৰ পৰা পৰামৰ্শ আৰু সমালোচনা কৰিছে। এই ক্ষেত্ৰত মই আঙুলিয়াই দিব বিচাৰো যে ১৯৮১ নে ১৯৮২ চনত মই নেজানো কিন্তু ওৱান মেন লেণ্ড ৰিৰ্ফমচ কমিটি এটাৰ ৰিপৰ্ট দাখিল কৰা হৈছিল। অসম চৰকাৰক অসমৰ ভূমি নীতি, প্ৰগতিশীল নীতি এটা দাখিল কৰিছিল। ভূমি নীতি ৰক্ষনা বেক্ষনা দিয়া, অবৈধ আৰু বিদেশীয়ে অসমৰ ৰাইজৰ ভূমিৰ ওপৰত বেদশল কৰা আৰু ভূমি হস্তান্তৰ আইন সমুহৰ ক্ষেত্ৰত তাত পৰামৰ্শ দিছিল। কিন্তু আজি বিৰোধী পক্ষৰ সদস্য সকলে- লেণ্ড ৰিফমচ কমিচনৰ কথা চিক্ৰেটলি ৰাখি কেনেকৈ নতুন দাবী উৎথাপন কৰিছে তাকে ভাৱি মই আচৰিত হৈছো। লেণ্ড ৰিৰ্ফমচ কমিটিত আৰু ভূমিৰ ৰক্ষণা-বেক্ষণাৰ স্বাৰ্থত এই ৰিপৰ্টটো সৰ্বসাধাৰনৰ জ্ঞাতাৰ্থে আমাৰ বিধান সভাৰ মজিয়াত উত্থাপন কৰা হলে, আচল প্ৰতিছবিটো পোৱা যাব। ইয়াৰ উপৰিও এই ভূমিৰ ক্ষেত্ৰতেই 'মেন পাৱাৰৰ' সমালোচনা হৈছে। এটা প্ৰশ্নৰ উত্তৰত মন্ত্ৰী মহোদয়ে কৈছে যে মেক্ট্ৰিক পাচ কৰা হলেই মণ্ডল হব পাৰে। এই ক্ষেত্ৰত মই কব খুজিছো যে ৰাজহ বিলাকৰ যিবিলাক ট্ৰেকনিকেল সৰ্ম্পকীয় আঁসোৱাহ আছে সেইবিলাক বন্ধ কৰিবৰ বাবে সকলো খুটি নাতি চাই যাতে কাম সম্পন্ন কৰিব পাৰে তাৰ কাৰণে চিভিল ইঞ্জিনিয়াৰ নিযুক্তি দিব লাগে। কাৰণ তেওঁলোকে ভালধৰণে চাৰ্ভে কৰি মেপ আদি কৰিব পাৰিব। তাতো

কিবা কমপ্লেন থাকে এই ক্ষেত্ৰত বেলেগ এটা ক'চ দিয়াৰ ব্যৱস্থা কৰিব পৰা যাব। ইয়ৰোপৰি ৰেচটিকচন আন টেন্সফাৰক এগ্ৰিকালচাৰেল লেণ্ড টনন এগ্ৰিকালচাৰেল পাৰপাচ কৰিছে। এই চৰকাৰেই প্ৰথম বাৰৰ কাৰণে অসমত এই ক্ষেত্ৰত হস্তক্ষেপ কৰিছে। ইয়াৰ আগতে কোনো চৰকাৰেই সাহস কৰা নাই বা পৰোমভাৱে পুজিপতি সকলক সহায় কৰি আছিল। মাটি হস্তান্তৰ কৰাৰ ক্ষেত্ৰত কোনো চৰকাৰেই আগতে সাহস কৰা নাছিল। আমাৰ চৰকাৰ আহিয়েই এই ব্যৱস্থা লৈছে। ইয়াৰ দ্বাৰা অন্ততঃ থলুৱা মানুহ আৰু থলুৱা কৃষক সকলৰ মাটি ৰক্ষণা বেক্ষনা দি থকা হৈছে। যি সকল মাটিৰ মালিক, যি সকল শক্তিশালী মানুহ, আৰু যি সকল পুঁজিপতিয়ে ইমান বছৰে শোষন কৰি আহিছে তাত গণ পৰিষদ চৰকাৰে বাধা দিয়াত কি মহাভাৰত খন অশুদ্ধ হ'ল। কিন্তু এই পৰিবৰ্ত্তনত হস্তক্ষেপ কৰা হৈছে। ভবিষ্যতৰ দিশলৈ চালে আমি এই ভূমিৰ ওপৰত প্ৰগতিশীল নীতি আনিব লাগিব। এই ক্ষেত্ৰত মাননীয় মন্ত্ৰী মহোদয়ে লেণ্ড ৰিফাৰ্চম কমিচন অধ্যায়ন কৰক আৰু কাৰ্য্যকৰী কৰিব পাৰিলে অসমৰ যি ভূমি সমস্যা ভূমি সমস্যা সমাধানৰ পথত আগবাঢ়ি যাব।

মাননীয় অধ্যক্ষ মহোদয়, ইয়াৰ পিচত নেচনেল হাইৱেত ৰেলৱেৰ যিটো লেণ্ড এনক্ৰচমেণ্ট হৈ আছে সেই ক্ষেত্ৰত মই কব খুজিছো যে যি বিলাক ৰেলৱেৰ পিলাৰ আছে তাত এন, এফ, ৰেলৱেৰ বুলি লিখা থাকে ডিমাৰকেচনৰ ক্ষেত্ৰত আমাৰ ফালৰ পৰা কিছু ঘৰ কৰিব লগীয়া হৈছে। তাৰোপৰি ৰাস্তাৰ কিনাৰত যি বিলাক দোকান থাকে বিশেষকৈ নতুনকৈ গঢ়িব ধৰা টাউন বিলাকত বে- আইনী ভাৱে দখল কৰি আছে। এই বিলাক ক্ষেত্ৰত যাতে ঠাইখিনি সৌন্দৰ্য্য নষ্ট নহয় বা বে- আইনী ভাৱে মাটি দখল নহয় তাৰ কাৰণে কিছু চাব লগীয়া হৈছে। তাৰোপৰি নতুনকৈ গঢ়লৈ উঠা টাউন বিলাকত দোকন, পোহাৰ, হোটেল, ৰেচটোৰেণ্ট আদি যাতে যি কোনো ঠাইত বহিব নোৱাৰে তাৰ ব্যৱস্থা কৰিব লাগে। ইয়াৰ গাৱৰ পৰা হেজাৰ হেজাৰ মানুহ টাউনলৈ টকা পইচা খৰচ কৰি ৰেভিনিউ ডিপাৰটমেন্ট, কোৰ্ট, কাছাৰি আহিয়েই আছে। কিন্তু সেই ধৰণে আহি থকাৰ পিচতো বহু বছৰ ধৰি কাম হোৱা নাই। গতিকে তেনেকুৱা ক্ষেত্ৰত মোবাইল লেণ্ড চেটোলমেন্ট কৰ্টু কৰিব পাৰি। আৰু এই গাৱলীয়া মানুহ খিনিৰ সমস্য সমাধান হব।

তাৰ পিছত বোৰ্ডাৰত আইডেন্টি কাৰ্ড দিয়া হ'ব বুলি ঘোষনা কৰিছে এইটো বৰ ভাল কথা হৈছে। কাৰণ বিগত কালছোৱাত কংগ্ৰেছ আই চৰকাৰে ভোটৰ নামত এই লোক সকলক পলিটিকেল ব্লেক মেইল কৰি আহিছিল। ভোট

নিদিলে তেওঁলোকক উঠাই দিয়া হব বুলি ভাবুকি দিছিল গতিকে এতিয়া এই ব্লেক মেইলিং চিস্তেমটো নাইকীয়া হব আৰু তেওঁলোকৰ লেজিটেমেন্ট ৰাইটো কনফাৰ্ম হব। যোৱা ৩৮ বছৰে তেওঁলোকে এনেকৈ খেলক পলিটিকেল ব্লেক মেইল কৰি ভাষণ ৰাখি আছে। এতিয়া আমি এই প্ৰগতিশীল গতিধাৰাৰে আগবাঢ়ি যাব লাগিব। চিলিং বান্ধি লেণ্ড কমাব লাগে বুলি পৰামৰ্শ দিছে। ভাৰতবৰ্ষত এইটোৱে এটা ডাঙৰ সমস্যা। কাৰণ কৃষি আধুনীকৰণ কৰিবলৈ গৈ আমি টেক্টৰেৰে হাল বাব লোৱাত স্মল হোল্ডিং বিলাকৰ অসুবিধা হৈছে। গতিকে ইকনোমিক ভয়েবিলিটিৰ কাৰণে লেণ্ড পলিচিটোত কিছু বাধাৰ সন্মুখীন হ'ব লগীয়া হয়। গতিকে এই বিষয়টো পৰিক্ষা কৰিবলগীয়া আছে কিন্তু মই এইটো নকওঁ যে কমাব নালাগে কিন্তু বিজ্ঞান সন্মত সমস্যা হ'ব বুলি ধাৰণা কৰা হয়। আনহাতে অইল আৰু নেচাৰেল গেচ কমিচনে দুখীয়া খেতিয়কৰ মাটিখিনিৰ ওপৰত অইল ড্ৰিলিং কৰি তেওঁলোকক বিনিময়ত কোনো কম্পেনচেচন নিদি বিভিন্ন ধৰণৰ লুণ্ঠন চলাই আছে। অইল আৰু নেচেৰেল গেচ কমিচনে তেওঁলোকে নিজৰ কেপাচিটিৰ ওপৰত এইবিলাক কৰেণে অসম চৰকাৰে তাত কিবা কৰিব পাৰে অৰশ্যে এই বিষয়ে মই নাজানো। অৰশ্যে মিনাৰেল ৰিচোৰ্চটো ইউনিয়ন লিষ্টত পৰে। ৰাজ্য চৰকাৰে এই বিষয়টো অনুসন্ধান কৰি বৰ্ত্তমান যি ধৰণৰ লুন্থণ চলিছে তাক বন্ধ কৰিব লাগে। আমি প্ৰতিদিনে অভিযোগ পাই আছো যে অমুকত ড্ৰিলিং কৰিলে কিন্তু কম্পেনচেচন নাপালো। যাতে ৰাজ্য চৰকাৰৰ অনুমতি নহলে এই বিলাক কৰিব নোৱাৰে তাৰ কাৰণে ৰেচট্ৰীকচন ইমপ্পোজ কৰিব লাগে তাৰ পিছত গুৱাহাটী মহানগৰীৰ আশে পাশে যি বিলাক পাহাৰ আছে সেই পাহাৰ বিলাকত বহুতো লোকে ঘৰ বন্ধি বহি আছে। ইয়াৰ মালিক কোন তাৰ কোনো হিচাব নাই। এইটো এটা ডাঙৰ সমস্যা হৈছে। তাৰ ফলত পাহাৰৰ ওপৰত মাটি কাতিলে সেই মাটি বিলাক বৰষুণৰ পানীত উতি আহি গুৱাহাটী মহা নগৰীৰ যি বিলাক ড্ৰেইন আছে সেই ড্ৰেইন বিলাক বন্ধ কৰি পেলায় যাৰ ফলত বৰষুণ দিলেই পানী মহানগৰীৰ বাট পথত উপচি পৰে, ওলায় যাব নোৱাৰে আৰু সেই পানীয়ে বান পানীৰ সৃষ্টি কৰে। গুৱাহাটী মহীনগৰীৰ নিচিনা এখন সৌন্দৰ্য্যশালী চহৰৰ এই অৱস্থা। গতিকে এই পাহাৰ বিলাকত কোন ক'ত কেনেকৈ বহিছে তাৰ এটা অনুসন্ধান চলাব লাগে। এই বিলাক বন্ধ কৰিবলৈ একোতা প্ৰটেকচন ফোৰ্চ খুলিব লাগে, নহলে খালি থকা মাটি বিলাক বেদখল হৈ থাকিব। এই প্ৰটেকচন ফোৰ্চ বিলাকে য'ত খালি মাটি থাকে তাত পহৰা দিয়াৰ ব্যৱস্থা কৰিব লাগে। তেওঁলোকৰ লোকেচন চেঞ্জ কৰি থাকিব লাগে। আমি দেখিছো কাজিৰঙা

নেচনেল পাৰ্কৰ ওচৰে পাজৰে বহুত বেদখল হৈছিল এতিয়া বেদখল কিছু মুক্ত হৈছে। কিন্তু যি বিলাক ঠাইত বেদখলকাৰীৰ পৰা মুক্ত কৰা হয় সেই ঠাই বিলাকত এমাহ বা ৬ মাহলৈ প্ৰটেকচন ফোৰ্চ ৰাখিব লাগে যাতে পুনৰ বেদখল কৰিব নোৱাৰে তেতিয়া হলে মাটি কিছু ৰক্ষা হব। আমি দেখিছো খালি মাটিৰ অভাৱত সামাজিক বনানীকৰণে তেওঁলোকৰ আচনিৰ সম্পূৰ্ন কৰিব পৰা নাই, তেওঁলোকে মাটি নাপায়। গতিকে মাটিখিনি মুক্ত ৰাখি যাতে বনানী কৰণ কৰিব পাৰে তাৰ যথোপযুক্ত ব্যৱস্থা হাতত লব লাগে।

মোৰ আৰু বেছি পৰামৰ্শ নাই এই খিনিকে কৈ মোৰ বক্তৃতাৰ সামৰণি মাৰিলো।

★শ্ৰীগুনীন হাজৰিকাঃ– মাননীয় চেয়াৰমেন মহোদয়, ৰাজহ মন্ত্ৰী মহোদয়ে, উৎথাপন কৰা দাবী মঞ্জুৰীলৈ মই সমৰ্থন জনাইছো। ভুমি সমস্যা সম্পৰ্কে বহুত কথাই আলোচনা কৰা হৈছে। অসমৰ ভূমি সমস্যা এটা আতংক আৰু সেই আতংক ভুমিৰ লগত জড়িত হৈ আছে। অসমত মাটি আছে, মানুহ বাঢ়িছে কিন্তু মাটি বাঢ়ি যোৱা নাই। বাহিৰৰ পঢ়া মানুহ প্ৰব্ৰজন হৈয়ে আছে এই প্ৰব্ৰজনক বাধা দিবৰ কাৰণে চৰকাৰে নীতি গ্ৰহন কৰিছে আৰু সেইমতে কিছুমান ব্যৱস্থা লৱলগীয়া হৈছে যিটো আজি ইমান দিনে অৱহেলা কৰি থকা হৈছিল, অথচ আজি ইমান দিনে অৱহেলা তাক বাধাদান কৰিছে। ১৯৩১ চনতে লক্ষ্মীনাথ বেজবৰুৱা দেৱে সেই সময়ৰ কংগ্ৰেছ সভাপতি পণ্ডিত জৱহাৰলাল নেহৰুক স্মাৰক পত্ৰ দি জনাইছিল অসমৰ বৰ্ত্তমান জলন্ত সমস্যাৰ কথা, কিন্তু আজিও সেই বেদখল চলিয়ে আছে। আমাৰ ১৫ হাজাৰ বৰ্গ কিলোমিটাৰ ৰিজাৰ্ভ ফ্ৰৰেষ্ট আছে। গতিকে বেদখল মুক্ত কৰাটো অবান্তৰ হৈছিল নেকি? গতিকে অসমৰ স্বাৰ্থ ৰক্ষা কৰিবলৈ যাওঁতে বিৰোধী পক্ষৰ সদস্য সকলে যি বিলাক অভিমত উত্থাপন কৰিছে তেখেত সকলে এটা কথা মনত ৰখা উচিত হব যে এই বেদখল কাৰী সকলৰ প্ৰত্যেক জনৰ লগতে একোটা কাহিনী জড়িত হৈ আছে।

মাননীয় বিৰোধী দলৰ সদস্য শ্ৰীগোলোক ৰাজবংশী দেৱে দুটামান কথা কৈছে। বিশেষ কৈ বাগানৰ মাটি আবণ্টন দিয়া শ্ৰীইন্দ্ৰেশ্বৰ শৰ্মা আৰু জ্যোতি প্ৰসাদ লোৱাৰ কথা উল্লেখ কৰিছে। মই আন ঠাইৰ কথা কব নাযাওঁ। তেনেকুৱা আৰু ৰঙাগোৰা মৌজাত মাটিহীনে নহয় ধনী মানুহেওঁ পাইছে। দুই তিনি খন গাড়ী থকা মানুহেওঁ মটি পাইছে। আগৰ চৰকাৰৰ দিনৰ কিছুমান পুৰণা কাহিনী আছে। তেওঁ হয়তো নাযানে বা নকৰে। এনেকুৱাকৈ সাদৰী বোলা এগৰাকী মহিলাক দিয়া হৈছিল। তেওঁ বাহিৰৰ মানুহৰ লগত

★ *Speech not corrected*

বিয়া হৈছিল, সেই মানুহজন বিহাৰী মানুহ আছিল । তেওঁ ডিজু নদীৰ ওচৰত ব্যৱসায় কৰিছে। তেওঁলোক ব্যৱসায়ৰ বাবে প্ৰলোভিত হৈছিল আৰু এনেকুৱা ধৰণে ইন্দ্ৰদেব শৰ্মাকো আনিছিল। এই ১৯৮৫ চনৰ আগৰ কথা কোৱা হৈছে। এই ধৰণে মানুহ গৰাকীয়ে নিজৰ নামত মাটি আবন্টন কৰি লৈছিল আৰু ঘৰো সাজিছিল। আমাৰ চৰকাৰ হোৱাৰ পিছত উচ্ছেদো হৈছিল, গতিকে মানুহ গৰাকীৰ উচ্ছেদৰ কাহিনী যি কোৱা গতিকে মানুহ গৰাকীৰ উচ্ছেদৰ কাহিনী যি কোৱা হৈছে তাৰ আগতে মহিলা গৰাকী উচ্ছেদ হৈছে। এই দুয়োজনে ৰেভিনিউ বোৰ্ডৰ পৰা মাটি কাৰি লৈছিল। সেই কাহিনী তেখেতে ইয়াত প্ৰকাশ নকৰিলে নগাওঁ জিলাত এনেকুৱা বহুত কাহিনী আছে। নগাওঁ জিলাত গেৰুৱা মুখত লালুং মানুহ আছে। কংগ্ৰেছ চৰকাৰৰ দিনত ৰিজাৰ্ভ মুকলি কৰি দিয়া হৈছিল। সেই বিলাকে থলুৱা মানুহ বিলাকৰ গৰু চোৰ কৰি নিয়ে। এইদৰে নগাওঁ জিলাৰ গোৰং গাৱত অত্যাচাৰ চলিছিল। নগাওঁ জিলাত এনেকুৱা বহুতো কাহিনী আছে। এই বিলাক কাৰণে তাৰ পৰা তেওঁলোকে মাটি বিক্ৰী কৰি আনঠাইলৈ উঠি গৈছে। আজি ৩৮ বছৰে সেই সময়ত সেই চৰকাৰে কি কৰিছিল ? গতিকে এনেকুৱা সময়ত যি উচ্ছেদ হৈছে চৰকাৰে বেছি গুৰুত্ব দিয়াতো কৰ্ত্তব্য। সেয়েহে আমি চাব লাগিব যাতে অসমীয়া মানুহৰ স্বাৰ্থ ৰক্ষা হয়। তাৰ কাৰনে আমি আইন কৰিব লাগিব। চৰকাৰী মাটিৰ পৰা বেদখল কাৰীক উচ্ছেদ কৰিবই লাগিব। বাহিৰৰ মানুহৰ ধাৰণা যে অসমত মাটি পায়। কিন্তু আমি বুজাই দিব লাগিব যে অসমত সহজে মাটি নেপায়। এচ, ডি. চি, মণ্ডল, বা হাকিমক পইচা দিলেই মাটি নেপায়। এই ধাৰণাটো সকলোৰে হ'ব লাগিব যাতে মাটি সহজে লব নোৱাৰে। তেতিয়া প্ৰৱজনৰ সমস্যা বন্ধ হৈ যাব মণ্ডলক পইচা দিলেই মাটি লোৱাৰ ব্যৱস্থা নাই। বাহিৰত ধাৰণা সমষ্টি হ'ব লাগিব যে অসমত মাটি লব নোৱাৰি সহজে লব পৰা ব্যৱস্থা নাই। এনেকুৱা সবল নীতি অমাৰ চৰকাৰে গ্ৰহন কৰিব লাগিব। মই মুখ্যমন্ত্ৰী মহোদয়ক আহ্বান জনাওঁ যে আমাৰ চৰকাৰে নতুন ভূমি নীতি গ্ৰহণ কৰিব লাগে। চৰ অঞ্চলত কিমান মাটি আছে, পৰ্ব্বতত কিমান আছে, ভৈয়ামত কিমান আছে তাৰ জৰিপ চলাব লাগিব। চাহ উদ্দ্যোগৰ কাৰণে মাটি দি লাভ নাই। ১৯৬৮ চনৰ লেণ্ড ৰেভিনিউ যদি চোৱা হয় তেতিয়া দেখা যায় যে চাহ বাগানত নিয়োগৰ সংখ্যা বঢ়া নাই। বঢ়াব নোখোজে যদি এক হেজাৰ মাটি ভূমীহিন মানুহক দিয়া হয়। তেতিয়া হ'লে সেই মাটিত কিছুমান পৰিয়াল চলি থাকিব পাৰিব। তেওঁলোকক যদি তাত অন্য খেতি কৰিবলৈ দিয়া, ৰবৰ আদি খেতি তেতিয়া

হলে তাত বেছি উপাৰ্জ্জন হ'ব। উদ্দ্যোগ খোলাৰ নামত সেউজীয়া বনাঞ্চল ধ্বংস কৰি দিব নালাগে। ভূমিহীন লোৰাৰ কাৰণে ক'ত কি দিলে ভাল হ'ব, ক'ত উদ্দ্যোগ খুলিব লাগিব, মানুহৰ নিয়োগৰ ব্যৱস্থা কেনেকৈ সুচল হ'ব পাৰে, তেনেধৰনে এৰিব লাগিব। চৰ অঞ্চলত ক'ত কেনে ধৰনে কি দিলে মানুহৰ সংস্থাপনৰ পথ হ'ব সেইটো ব্যৱস্থা কৰিব লাগে। মাননীয় সদস্যই অভিযোগ কৰিছে যে চিলিভৰ মাটি যি সকলক দিয়া হয় তেওঁলোকে নেযায়। এনেকুৰা হয় যি সকল লোকে পানীৰ কাষত থাকে, তেওঁলোকক যদি বাহিৰত মাটি দিয়া হয় তেনেহলে নেযায়। কাৰণ তেওঁলোকে মাছৰ ব্যৱসায় কৰে গতিকে নেযায়। সেই কাৰণে চাই লব লাগিব যে মানুহৰ প্ৰবৃতিওঁ কি কি। তাৰ ওপৰত নিৰ্ভৰ কৰিহে মাটি বিতৰণ কৰিব লাগে। তেতিয়া হলে প্ৰকৃত মানুহে মাটি পাব আৰু এই অৱস্থৰ অৱসান ঘটিব। মাননীয় সদস্য গৰাকীক কৈছে যে অ', এন, জি, ছিক মাটি দিয়া হৈছে। ফলত খেতি পথাৰ নষ্ট হৈছে। তাৰ কাৰনে তেওঁলোকক ক্ষতিপুৰণ দিয়া হৈছে। কিন্তু এনেবোৰ মাটি নষ্ট হৈছে। মোৰ সমষ্টিত বহ্মপুত্ৰৰ দলং দিওঁতেও মাটি অধিগ্ৰহণ কৰা হৈছিল। সেই মাটিবোৰ ৫০ বছৰৰ কাৰণে খেতিৰ উপযোগী নহয়। কিন্তু সেই মাটি বিলাকত মাটি উপযুক্ত ক্ষতিপুৰণ দিয়াৰ ব্যৱস্থা কৰিব লাগে। তাৰ কাৰণে চৰকাৰে এটা নীতি গ্ৰহণ কৰিব লাগে। আমি দেখিছো আৰণ্টন হোৱা যি বিলাক ম্যাদি আছে সেই বিলাক অধিগ্ৰহণ কৰা হয়। আপোনালোকে দেখিছে যে মিছা অঞ্চলত মাটি দিয়া হৈছিল।

তাত ৰাষ্ট্ৰীয় পথৰ কাষত মাটি দিয়াৰ যুক্তি নাই। কাৰণ তেওঁলোকে তাত এখন নগৰ কৰি পাৰে। কিন্তু আমাৰ মানুহে নোৱাৰে। গতিকে সামৰিক কাহিনীক পৰ্বত পাহাৰ আদিৰ নিচিনা ঠাইত মাটি দিলে তাত তেওঁলোকে এখন ভাল নগৰ কৰিব পাৰিলে হেতেন।

মই প্ৰশাসনৰ বিষয়ে কবলৈ ওলাইছো। যি সকলে মাটিৰ ওপৰত খেলি মেলি কৰি আছে বিশেষ কৈ মণ্ডলৰ কথা কৈছে। এই নীতি পৰিবৰ্ত্তন কৰিবৰ কাৰণে এটা গুৰুত্বপূৰ্ণ সিদ্ধান্ত লব লাগে যাতে মাটি নামজাৰিৰ ক্ষেত্ৰত কিছুমান নিয়ম থাকে। তেওঁলোকে ৫ শ ৬ শ বা এক হাজাৰেই হওঁক, দুই হাজাৰেই হওঁক এটা নিৰ্দ্দিষ্ট ভাবে নিয়ম কৰি নামজাৰি কৰিব লাগে। এই ক্ষেত্ৰত ফিলু মিটুৰেচন হব লাগে, কিন্তু তাকে নকৰি অফিচ মিটুৰেচন কৰে। গতিকে নামজাৰিটো নিৰ্দ্দিষ্ট ভাবে এটা ব্যৱস্থা কৰি দিব লাগে। কাৰণ এই ক্ষেত্ৰত দেখা যায় যে কিছুমান ককায়েকৰ দিনৰ মাটিওঁ নাতিনীয়েকৰ দিনত নামজাৰি হোৱা নাই। এই ক্ষেত্ৰত লেণ্ড একুইজিচন

সমিটি আছে। তেওঁলোকে চৰকাৰক পৰামৰ্শ দিব পাৰে নিৰ্দ্দেশ দিব পাৰে। এনেকুৱা ক্ষেত্ৰত যাতে কিছুমান মানুহে যাতে ম্যাদী পট্টাৰ মাটিও বহিব পাৰে তাৰ আইন সংগত ভাৱে ব্যৱস্থা কৰিব লাগে।

শেষত মই ৰাজহ মন্ত্ৰী মহোদয়ৰ মঞ্জুৰীটোক সমৰ্থন কৰিছো আৰু অনুৰোধ কৰিছো যাতে তেসেতে নতুন ভূমি নীতি ঘোষনা কৰি যাতে তেসেতে নতুন ভূমি নীতি ঘোষনা কৰি যাতে আগতে কৰি অহা ভূলৰ অৱসান কৰি আমাৰ জনসাধাৰণৰ স্বাৰ্থ ৰক্ষাৰ প্ৰতি লক্ষ্য ৰাখি নতুন ভূমি নীতি ঘোষনা কৰে তাৰ বাবে আশা ৰাখিছো। এইখিনি কৈয়ে মই মোৰ বক্তব্যৰ সামৰণি মাৰিছো।

(At 12-25 p.m. Mr. Speaker occupied the chair and Mr. Chairman vacated)

★শ্ৰীভবেন নাৰ্জীঃ-অধ্যক্ষ মহোদয় মই মাত্ৰ পাছ মিনিট সময় কম। মাননীয় ৰাজহ মন্ত্ৰী ডাঙৰীয়াই যি দাবী মঞ্জুৰী আনিছে মই সেইটো সমৰ্থন কৰিছো। এসময়ত অসমত মণ্ডলে মাটি ইস্তকা দিব লাগে বুলি মানুহক কৈছিল, কাৰণ বহুত মাটি একেলগে মানুহৰ আছিল আৰু সেইবোৰ হাবিয়ে জংঘলে গৈ জোখ- মাখ কৰাত তেওঁলোকে অসুবিধা পাই তেৱেঁই কৈছিল। কিন্তু সেই অসমত আজি মাটিৰ ইমান হাহাকাৰ লাগিছে। আজি ৫০ বছৰৰ ব্যৱধানত মাটিৰ যি সমস্যা হৈছে এই ক্ষেত্ৰত মই দুটা মান পৰামৰ্শ আগবঢ়াব খুজিছো। হয়তো মোৰ পৰামৰ্শ গ্ৰাহ্য নহব পাৰে কিন্তু মোৰ গ্ৰাহ্য কৰিলে ভৱিষ্যতে উপকাৰ হ'ব।

মোৰ প্ৰস্তাৱটো হৈছে আমাৰ চৰকাৰী যি বিলাক ডি, জি আৰু পি, জি আৰ আছে সেইবোৰত সমবায় পদ্বতিত খেতি কৰিব লাগে। প্ৰতিটো পৰিয়ালক শাক পাচলি কৰাৰ কাৰনে দুই বিঘাকৈ বাকী বোৰত সমবায় ভিত্তিত বৈজ্ঞানিক পদ্বতিৰে মেচিনাৰীৰ জৰিয়তে খেতি কৰাওক কৰ্য্য বিভাগে উন্নত মানৰ সাৰ আৰু সজুলিৰ যোগান ধৰক, মীন বিভাগে উন্নত মেচিনাৰীৰে মীন পালন কৰাৰ ব্যৱস্থা কৰাওক দেখিব মেট্ৰিক পাছ কৰাই নহয় বি, এ পাছ কৰাওঁ আগবাঢ়ি আহিব খেতিকৰাৰ কাৰনে মাত্ৰ চৰকাৰে সন্তোষজনক দৰমহা দিয়াৰ ব্যৱস্থা কৰক। এনে ধৰনেৰে কৰিবলৈ যাওঁতে অৱশ্যে টকাৰ প্ৰয়োজন হ'ব কিন্তু সকলোকে সমানে এমুঠি খাবলৈ পাব। আৰু মাটিৰ সমস্যাৰ পৰা চৰকাৰেওঁ হাত সাৰিব পাৰিব। অধ্যক্ষ মহোদয়

★ *Speech not corrected*

মোক মাফ কৰিব মই এটা সচা কথা কব খোজো কথাটো হৈছে আমি যি গাখীৰ খাওঁ সেই গাখীৰ খাই সত্যত থাকিব লাগে, কাকো অন্যায় বা ধ্বংস কৰিব নালাগে। কিন্তু এই গাখীৰ খাবলৈ যাওতেওঁ আমি এটা অন্যায়কৰো। অন্যায়টো হৈছে ৰাতি মাকৰ পৰা পোৱলি আতৰাই ৰাখো আৰু আমি পুৱা গাইজনী খীৰাই গাখীৰ খাও ইউ এটা সচা সকলোৱে স্বীকাৰ কৰি ললে তাৰ দোষ নাথাকে। ট্ৰইবেলক মাটি লাগে। অমুকক মাটি লাগে তমুকক মাটি লাগে সকলোকে মাটি লাগে খালি মাটিৰ সমস্যা। সেই কাৰণে মই কৈছো সমবায় ভিত্তিত খেতি কৰাৰ ব্যৱস্থ্য কৰিলে এই সমস্যা সমাধান হ'ব। অনুস্থান প্ৰতিস্থানৰ কাৰনে মাটি লগা হলে ৰিজাৰ্ভৰ মাটি ম্যাদী কৰি দি তাতে অনুস্থান প্ৰতিস্থান কৰিব লাগে। কিবা প্ৰজেক্ট কৰিবলৈ হলেওঁ এনেদৰে চৰকাৰী মাটিতে কৰিব লাগে। আধ্যক্ষ মহোদয়, মই আৰু বেছি নকওঁ। এই খিনি পৰামৰ্শ ৰাখি সামৰণি মাৰিছো।

★**শ্বেখ চামান আলিঃ**–অধ্যক্ষ মহোদয়, কৰ্ত্তন প্ৰস্তাৱ সমৰ্থন কৰি মই দু-আষাৰ ক'ব বিচাৰিছো। ভূমি সংস্কাৰৰ যিটো নীতি বিশেষকৈ গোৱালপাৰা আৰু কৰিমগঞ্জ জিলাত অসমৰ বাকীবোৰ জিলাত বোধ হয় তেনে ধৰনৰ নহয়। প্ৰজা স্বত্ব আইন উঠাই দিয়াৰ পিছত চৰকাৰৰ পৰা মাটি দিয়াৰ নীতি প্ৰৱৰ্ত্তন কৰাৰ পিছতো চৰ- চাপৰি বোৰত আজিওঁ সামন্ত প্ৰথা চলি আছে। আমাৰ মাননীয় মুখ্য মন্ত্ৰী দেৱে অলপতে গোৱালপাৰালৈ যাব বুলি প্ৰগ্ৰেম দিছে, এইটো সুখৰ বিষয়। যোৱা ৩০ বছৰে কোনো মুখ্যমন্ত্ৰী গোৱালপাৰালৈ যোৱাৰ কথা মনত নপৰে। এইবাৰ মুখ্য মন্ত্ৰী দেৱে যাব ৰাইজৰ মাজত গুনা- গঠা চলিছে যে মুখ্য মন্ত্ৰী দেবে মাটি দিব নে উচ্ছেদ কৰিব? নে জমিদাৰ সকলৰ মাটি মুখ্যমন্ত্ৰীৰ দৃষ্টি আকাৰ্যণ কৰি কৰি কব খুজিছো যে ১৯৮৮ চনলৈ যি চেটোলমেণ্ট হৈছিল তাৰ পিছত আৰু আজিলৈ চেটেলমেণ্ট হোৱা নাই গোৱাল পাৰা আৰু বালিজানত পুনৰ চেটোলমেণ্ট হ'ব লাগে। অভিজ্ঞ গোৱালপাৰা জিলালৈ বাকী বিলাক অফিচ আছিল কিন্তু চেটোলমেণ্ট অফিটো আজিও ধুবুৰীতে আছে। ইয়াৰ কাৰণে কৃষিজিৰী মানুহ খিনিৰ বহুটো অসুবিধা হৈছে। এই বিষয়ে প্ৰতি মাননীয় ৰাজহ মন্ত্ৰীৰ দৃষ্টি আকৰ্ষণ কৰি ক'ব খুজিছো যে চেটোলমেণ্ট অফিচটো গোৱালপাৰালৈ স্থানান্তৰ কৰাৰ প্ৰয়োজনীয় ব্যৱস্থা হাতত ল'ব লাগে।

মাননীয় অধ্যক্ষ মহোদয়, অজি চৰৰ মাটিৰ সম্পৰ্কত এটা কথা চলি আহিছে "লাঠি যাৰ মাটি তাৰ"। কোনো আইন নাই। লাঠি ল'ব পাৰিলে

★ *Speech not corrected*

মাটি থাকিব আৰু লাঠি লব নোৱাৰে মাটি ৰাখিব নোৱাৰিব। আমি আগতে শুনিছিলো যে অসমত পাকিস্থানী আছে। কিন্তু যেতিয়া বাংলাদেশ হ'ব তেতিয়া আমি ভাবিছিলো যে এতিয়া আমাক আৰু কোনেও বাংলাদেশী নকব। কিন্তু পিছত দেখিলো আমাৰ ওপৰৰ পৰা বাংলাদেশী চাপটো নুগুচিব। সেইটো থাকিয়েই গ'ল। গতিকে এই ধৰণৰ শব্দ বিলাক প্ৰয়োগ কৰোতে এই শব্দ বিলাক ভালনে বেয়া সেইটো চাব লাগে। থলুৱা শব্দটো থকাৰ কাৰনেই বিদেশী শব্দটো আছে। কিন্তু আমাৰ প্ৰশ্ন হৈছে যে থলুৱা কিমান আছে আৰু সেই বিলাক কোন ? গতিকে থলুৱা শব্দটো চাইহে বাকী বিলাক শব্দ প্ৰয়োগ কৰা উচিত হ'ব।

মাননীয় অধ্যক্ষ মহোদয় চৰৰ মাটি জৰিপ কৰা হ'ব বুলি এই চৰকাৰে কৈছিল। কিন্তু আজিলৈকে চৰৰ মাটি জৰিপ নহ'ল কিয় ? অকল চৰৰ মাটিয়েই নহয় যি বিলাক খাচ মাটি ব্ৰহ্মপুত্ৰ নদীয়ে খহায় নাইকিয়া কৰিছে সেইবিলাক সংৰক্ষন কৰিবৰ কাৰণে কি ব্যৱস্থা লৈছে। এই মাটি বিলাক সংৰক্ষন কৰা দায়িত্ব আৰু কৰ্ত্তব্য চৰকাৰৰ। আৰু এতিয়া আগতে ব্ৰহ্মপুত্ৰ নদীয়ে ভাঙি নিয়া মাটি পুনৰ ওলাইছে সেই বিলাক মাটি আগৰ যি বিলাক আছিল বুলি নথি পত্ৰ আছে সেইবিলাক মানুহক দিয়াৰ ব্যৱস্থা কৰিব লাগে। আৰু এই মানুহ বিলাক মাটিৰ খাজনা নিদিয়ে তেনেহলে তেওঁলোকক স্বত্ত ৰহিত কৰিব লাগে। লগতে আৰু এটা কথা চাব লাগে যাতে যি বিলাক মানুহে মাটি গৰাসহনীয়া হেৰাই যোৱাৰ কাৰনে, কেবল নদীত মাটি আছে, কিন্তু প্ৰকৃততে নাই সেই বিলাক মানুহৰ পৰা খাজানা আদায় কৰিব নালাগে যি বিলাকে মাটি ভোগ কৰিছে সেই সকলৰ পৰা খাজানা ল'ব লাগে আৰু যি বিলাকে মাটি ভোগ কৰিবলৈ পোৱা নাই। অথচ নদীত মাটি আছে সেই সকলক খাজনাৰ পৰা ৰেহাই দিব লাগে।

অধ্যক্ষ মহোদয়, ব্ৰহ্মপুত্ৰৰ দুয়োকাষে বানয়িন্ত্ৰন বিভাগৰ যি বিলাক মাঠাউৰি আছে সেই বিলাক মাঠাউৰিৰ খেতিয়কৰে মাঠাউৰি জীয়াই ৰাখিছে। তেওঁলোকে গৰাখহনীয়া ৰোধ কৰি ভূমি ৰক্ষা কৰাৰ কাৰনে যে কিবা দায়িত্ব আৰু কৰ্ত্তব্য আছে সেই কথা মুঠেই নাভাৱে। মই ৰাজহ মন্ত্ৰী ডাঙৰীয়াক অনুৰোধ জনাইছো যাতে এই ধৰনে গৰাখহনীয়াত যোৱা মাটি বিলাক ৰক্ষা কৰিবলৈ চেষ্টা কৰে। আজি যিটো গৰাখহনীয়াৰ পৰিস্থিতি হৈছে আমি আশংকা কৰিছো যে অদুৰ ভবিষ্যতে ব্ৰহ্মপুত্ৰৰ গৰাখহনীয়াই অসমৰ অৰ্থনীতিত এটা গুৰুত্ব প্ৰভাৱ পেলাব। মোৰ ওপৰোক্ত বিৰোধী দলৰ দলপতিয়ে এটা কথা কৈ গৈছে যে সকলোকে কনট্ৰল কৰিব পাৰিলেওঁ

মণ্ডলক কনট্ৰোল কৰিব নোৱাৰি এইটো সচা কথা। এই খিনিতে এটা কব বিচাৰিছিলো যে চৰ অঞ্চলত কিছুমান চেলফ হৈছিল জমিদাৰ আছে। তেওঁলোকে মণ্ডল বিলাকক কনট্ৰোল কৰিব পাৰে। তেওঁলোকৰ কথাকেই মণ্ডল বিলাক চলে। এই চেফ হৈছিল জমিদাৰ বিলাকক বিলুপ কৰিব লাগে। ভূমি সংৰক্ষণ নীতি যদি লোৱা নহয় তেতিয়াহলে এতিয়া যি বেদখল চলিছে অদুৰ ভবিষ্যতে ইমান বেদখল হ'ব যে বেদখলকাৰী উচ্ছেদ কৰিব নোৱাৰিব। তেতিয়া এটা পেৰেলেল চৰকাৰ হৈ পৰি উচ্ছেদ ভাষা ধৰ্মৰ নামও নোহোৱাও ভাল পাইছো যদিওঁ যি বিলাক খহনীয়াত পৰা লোক সেইসকলক সংস্থাপন কৰিব লাগে। ইয়াকে কৈ মই মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

★ **শ্ৰীবলভদ্ৰ তামুলীঃ**– মাননীয় অধ্যক্ষ আমাৰ ৰাজহ মন্ত্ৰীয়ে ১৯৮৮ চনৰ ৩১ মাৰ্চত শেষ হ'ব লগীয়া বছৰটোৰ কালছোৱাত ভূমি ৰাজহ আৰু ভূমি সিমীত কৰণ শিতানৰ প্ৰশাসনৰ ক্ষেত্ৰত বহন কৰিব লগীয়া ১৮,১৩,১৩০০ টকাৰ যি দাবী মঞ্জুৰী বিচাৰিছে, তাৰ সমৰ্থনত মই কেইটামান পৰামৰ্শ আমাৰ চৰকাৰক আগবঢ়াব খুজিছো। মাননীয় অধ্যক্ষ মহোদয়, আমাৰ ৰাজ্যখনৰ বৰ্ত্তমানৰ যি ভূমিনীতি সেই ভূমি নীতি অসমৰ বৰ্দ্ধিত জনসংখ্যাৰ লগত খাপ নোখোৱা এক ব্যৱস্থা। আমাৰ ভূমি আইন খন ১৮৮৬ চনতে হোৱা আইন। গতিকে আজি ইমান বছৰৰ পিছত এই আইন খন অসমৰ জনসাধাৰণৰ স্বাৰ্থৰ লগত খাপ খোৱা নাই। সেই কাৰণেই যিমান পাৰি সোনকালে এই আইন খনৰ আমূল সংশোধনৰ ব্যৱস্থা কৰিব লাগে। তাৰ কাৰনে মই আমাৰ মাননীয় ৰাজহ মন্ত্ৰী মহোদয়ক অনুৰোধ জনাইছো। লগতে মই এই কথাটোওঁ উল্লেখ কৰিব খুজিছো যে, যিটো প্ৰশাসনীয় যন্ত্ৰৰ দ্বাৰা আমাৰ ভূমি আইন কাৰ্য্যকৰী আছে সেই যন্ত্ৰটোৰো আমুল সংস্কাৰ সাধন কৰাটো সমানেই প্ৰয়োজনীয় হৈ পৰিছে। আমাৰ মাননীয় সদস্য শ্ৰী দেবকুমাৰ বৰা ডাঙৰীয়াই যি পৰামৰ্শ আগবঢ়াইছে সেইটো মইও সমৰ্থন কৰিছো আৰু সেই মতে চৰকাৰে বিহিত ব্যৱস্থা গ্ৰহন কৰিববৈলে চৰকাৰক অনুৰোধ কৰিছো।

মাননীয় অধ্যক্ষ মহোদয়, এম, এন পিৰ নামত আগৰ দিনৰে পৰা যি ব্যৱস্থা চলি আছে সেইটোৰ আজি সংশোধনৰ প্ৰয়োজনীয় হৈ পৰিছে। এই ক্ষেত্ৰত আমি যথেষ্ট খিনি আসোৱাহ দেখা পাইছো। আঢ়ৈ হাজাৰ টকাকৈ দিয়া যিটো ব্যৱস্থা সেইটোৰো অলপ সংস্কাৰ হৈ পৰিছে। আমি বাস্তৱত

---

★ *Speech not corrected*

এনে কিছুমান কাম দেখা পাইছো যে ভূমি নীতিৰ নামত এনে কিছুমান মানুহে মাটি পাইছে প্ৰকৃততে সেই মানুহ খিনিৰ কোনো কামত অহা নাই। যি কেইটা টকা দিয়া হৈছে সেই টকাও আন কোনোবাই লৈ গৈছে বা পোৱা সকলোৰো কোনো কামত অহা নাই। তাৰ উদাহৰণ স্বৰূপে মই ক'ব খুজিছো যে সৰিহা তোলাৰ নদীয়ে খহাই নি বিপৰ্য্যই কৰা মানুহ খিনিক নি ভকত চাপৰিত সংস্থাপন কৰাৰ ব্যৱস্থা কৰা হৈছে। কিন্তু আজি হয় সাত বছৰে সেই মানুহ বিলাকক মাটি আৰু টকা দি থকা হৈছে কিন্তু আচলতে কোনো মানুহ বহাগৈ নাই। একোটা পৰিয়ালৰ একে লেঠাৰিয়ে ক্ৰমান্বয়ে আতাই কেইজন ভাই ককাইয়ে মাটি আৰু টকা পাই আছে কিন্তু প্ৰকৃততে তাত বসবাস দিব পৰা নাই সেই কাৰনে মই আজি পৰামৰ্শ দিছো যে, এম, এন পি আচঁনিটো ভালদৰে পৰীক্ষা নিৰীক্ষা কৰি ফলপ্ৰসু আচঁনি লোৱাৰ ব্যৱস্থা কৰিব লাগে। মাননীয় অধ্যক্ষ মহোদয়, আমাৰ আন এজন মাননীয় সদস্য শ্ৰীভবেন নাৰ্জী ডাঙৰীয়াই সমবায়ৰ যোগেদি যি পৰামৰ্শ আগবঢ়াইছে সেইটো মইও সমৰ্থন কৰিছো আৰু সেইমতে মাটি দিবলৈ মই চৰকাৰক পৰামৰ্শ আগবঢ়াইছো। লগতে আমাৰ ৰাজ্য খনৰ যি সকল শিক্ষিত যুৱক আছে সেই সকলক খেতিৰ প্ৰতি আকৃষ্ট কৰিব লাগে। আধুনিক পদ্ধিতিৰে খেতি বাতি কৰিবলৈ চৰকাৰে সকলো ধৰনৰ সা- সুবিধা আদি আগবঢ়াব লাগে। আমাৰ ৰাজ্যখনত চিলিঙৰ মাটিৰ পৰিমান যিটো আছে সেই সীমা কমোৱাৰ কোনো বাৰে আমি দেখা নাপাওঁ।

মাননীয় অধ্যক্ষ মহোদয়, আমাৰ ৰাজ্য খনত মাটি বিলাক সৰু সৰু ভাগ কৰাটো বন্ধ কৰিব লাগে আৰু এই বিলাক সংস্কাৰৰ জৰিয়তে একত্ৰিকৰণ কৰি আধুনিক কৃষি পদ্ধিতি অৱলম্বন কৰি কৃষি কাৰ্য্য প্ৰৱৰ্ত্তন কৰাৰ দিহা কৰিব লাগে।

মাননীয় অধ্যক্ষ মহোদয়,'আৰ্বান অঞ্চলত মাটি দিয়াৰ পদ্ধতিটো বৰ আসোৱাহ পূৰ্ণ হৈ পৰিছে। যি বিলাক অঞ্চল নগৰলৈ উন্নীত হৈছে সেই বিলাক ঠাইত আমাৰ থলুৱা খিলিঞ্জীয়া মানুহ বিলাকক যি বিলাক মাটি দিয়া হৈছিল সেই মাটি বোৰ বাহিৰাগত মানুহক বেছি দামত বিক্ৰী কৰি দিয়াতোহে পৰিলক্ষিত হৈছে। আমাৰ বোকাখাটতে এইটো হোৱা আমি দেখা পাইছো। থলুৱা মানুহক দুকঠা আঢ়ৈ কঠাকৈ মাটি দিয়া হৈছিল। অতি কম প্ৰিমিয়ামত এই মাটি বিলাক দিয়া হৈছিল। সেই মাটি বিলাক বহুত টকাত অন্যান্য মানুহ বিশেষকৈ বাহিৰাগত ব্যৱসায়ী আদি মানুহক বিক্ৰী কৰি দিয়াৰ ফলত সেই বিলাক ঠাইত আজি ৰাজ অট্টালিকা সমূহ গঢ়ি উঠিছে। গতিকে এই

মানুহ বিলাকে যাতে এই মাটি বোৰ হস্তস্তৰিত কৰিব নোৱাৰে তাৰ কাৰনে চৰকাৰে আইন কৰি হলেওঁ ব্যৱস্থা কৰিব লাগিব। লগতে মই এইটোওঁ পৰামৰ্শ হিচাৱে আগবঢ়াইছো যে আন ৰাজ্যৰ নিচিনাকৈ যেনে, মেঘালয়ৰ নিচিনাকৈ অমাৰ ইয়াতো মাটি বাহিৰাগত যতে হস্তান্তৰিত কৰিব নোৱাৰে তাৰ কাৰনে আইন পাছ কৰিব লাগে। আমাৰ গণপৰিষদ চৰকাৰে যদিও খেটিৰ মাতি আন কামত লগাব নোৱাৰে বুলি বিধি নিষেধ কৰিছে যদিওঁ পিছ দুৱাৰেদি সেই বিলাক অবাধ গতিও চলিয়েই আছে।

(বেল)

মাননীয় অধ্যক্ষ মহোদয়, অকল আইন কৰিয়েই ক্ষান্ত থাকিব নালাগিব। সেই আইনক কটকটীয়া ভাবে প্ৰয়োগ কৰাৰ ব্যৱস্থাও কৰিব লাগিব। এই খিনিকে কৈ ৰাজহ মন্ত্ৰীয়ে উৎথাপন কৰা দাবী মঞ্জুৰীৰ সমৰ্থনত মই (মোৰ বক্তব্যৰ সামৰণি মাৰিছো।

★শ্ৰীদিলীপ কুমাৰ শইকীয়া ঃ– মাননীয় অধ্যক্ষ মহোদয়, আমাৰ মাননীয় ৰাজহ মন্ত্ৰীয়ে আজি ১৮,১৩,১৩,০০০ টকাৰ দাবী মঞ্জুৰী বিচাৰিছে সেইটো মই সমৰ্থন কৰিছো আৰু কৰ্ত্তন প্ৰস্তাৱটোৰ বিৰোধিতা কৰি মোৰ বক্তব্য ৰাখিবলৈ বিচাৰিছো।

মাননীয়া অধ্যক্ষ মহোদয়, ভূমি আৰু ৰাজহ নীতিৰ ওপৰত ইতিমধ্যেই বহুতো আলোচনা বিলোচনা আদি হৈ গৈছে। আমাৰ চৰকাৰে এই ক্ষেত্ৰত এটা নতুন ভূমি নীতি ললে ভাল হয় বুলি মই বিবেচনা কৰিছো। আমাৰ ওচৰ চুবুৰীয়া ৰাজ্য মেঘালয়ত যেনেকৈ 'নন মেঘালয়ানে' মাটি কিনা বেচা কৰিব নোৱাৰে ঠিক সেইদৰে অসমতো তেনে এখন আইন প্ৰণয়ন কৰি বাহিৰাগতই যাতে মাটি কিনা বিকা কৰিব নোৱাৰে তাৰ ব্যৱস্থা কৰিব লাগে।

দ্বিতীয়তে, অধ্যক্ষ মহোদয় আমাৰ চৰকাৰে গোটেই ৰাজ্যখনতে জৰীপৰ ব্যৱস্থা কৰিব লাগে। কিছুমান জেগা যেনে শদিয়া আদি ঠাইত জৰীপ কৰা হোৱা নাছিল কিন্তু আমাৰ গণ পৰিষদ চৰকাৰ ক্ষমতালৈ অহাৰ পিছত শদিয়া, ধেমাজি, জোনাই আদি ঠাইত জৰীপৰ কাম আৰম্ভ হৈছে। সেই কাৰনে মই এই জৰিপৰ ওপৰত অধিক গুৰুত্ব দিবৰ কাৰনে আমাৰ চৰকাৰক অনুৰোধ জনাইছো তথা পৰামৰ্শ আগবঢ়াইছো।

ইয়াৰ পিছত মই পৰামৰ্শ দিব খুজিছো যে, যি বিলাক মাটিওঁ বিশেষকৈ আমাৰ যি সকল খিলঞ্জীয়া মানুহ আছে সেই সকলক ম্যাদী পট্টা দিয়াৰ

★ *Speech not corrected*

ব্যৱস্থা কৰিব লাগে। কিয়নো এইটো কৰিলে আমাৰ শিক্ষিত যুৱক সকলে বেংক আদিৰ পৰা মাটি মৰ্টগেজত দি ঋণ আদি লৈ উদ্দ্যোগ আদি গঢ়াত বা আত্মসংস্থাপনৰ সুবিধা কৰাত সহায়ক হ'ব। আমাৰ মাননীয় সদস্য শ্ৰীদেব বৰা ডাঙৰীয়াই যি পৰামৰ্শ আগবঢ়াইছে যে ৰাজ্য খনত মাটি চেটেলমেণ্ট দিবৰ কাৰণে মবাইল লেণ্ড চেটেলমেণ্ট ইউনিট এটা সুলিব লাগে। বিভিন্ন জিলাৰ সদৰত এই মবাইল লেণ্ড ছেটেলমেণ্ট ইউনিটে কাম কৰিব পাৰিব। আমাৰ অসমত ইয়াৰ মাটি এনেয়ে পৰি থকা স্বত্বেও অসমীয়া মানুহৰ মাটি বুলি কৰিব লগীয়াটো বৰ লাজ লগা কথা আমাৰ ট্ৰইবেল লোক সকলক চৰকাৰে উচ্ছেদ কৰি আছে বুলি কেইজনমান জনজাতীয় বিধায়কে খজোৰে এই বিধান সভাতে বাৰাম্বাৰ উৎথাপন কৰি আছে। তেখেত সকল আজি ইয়াত উপস্থিত নাই। কিন্তু এজন ট্ৰইবেল বিধায়ক হিচাপে মইওঁ সজোৰে ক'ব পাৰো যে, গোৱালপৰা, কোকৰাঝাৰ আদি ঠাইৰ জনজাতীয় মানুহে সেই বিলাক ঠাইত মাটি বাৰী বিক্ৰী কৰি অসমৰ বিভিন্ন ঠাইত বসবাস কৰিছে। তাৰ পিছত সেই ঠাইৰ পৰা মাটি আদি বিক্ৰী কৰি আন ঠাইত বসবাস কৰাটো আমাৰ পৰিলক্ষিত হৈছে। সেইকাৰনেই বেংমা, গঢ়পুৰ আদি অঞ্চলত যি বিলাক দুখলগা ঘটনা হৰলৈ পালে সেই বিলাক এই প্ৰৱণতাৰ পৰাই এই লোক সকলৰ পৰাই হৰলৈ পালে ১৯৮৩ চনত গণ্ডগোল এই বিলাক কাৰণতে হৈছিল। পি, টি, চিৰ মাননীয় সদস্য কেইগৰাকীয়ে ট্ৰাইবেল মানুহৰ উচ্ছেদৰ কথাটো প্ৰায়েই উৎথাপন কৰে, মই যেতিয়া শ্বিলঙত পঢ়ি আছিলো তেতিয়া সেই সময়ৰ বন বিভাগৰ মন্ত্ৰী আৰু এতিয়াৰ অসমৰ এম, পি শ্ৰীসমৰ ব্ৰহ্ম চৌধুৰীক সুধিছিলো। উদায়াচল ৰাজ্যৰ দাবী তেখেত সকলে কিয় কাৰ বুলি সোধা প্ৰশ্নৰ উত্তৰত মাননীয় সেই সময়ৰ বনমন্ত্ৰী জনে ক'লে যে ' উদয়াচলৰ দাবীটো হৈছে এটা ব'মচেল। বিশেষ কিবা এটা দাবী পুৰণ নহলেই এই উদয়াচল দাবী কৰো। আমিওঁ ট্ৰইবেল কিন্তু হলেওঁ আমি উদয়াচল নিবিচাৰো। অসমৰ সামগ্ৰীক স্বাৰ্থৰ কাৰণে অমি সকলো অসমীয়া মানুহেই কাম কৰিব লাগিব। ট্ৰইবেলেই হওঁক বা অনাট্ৰাই বেলেই অসমীয়া মানুহেই কাম কৰিব লাগিব। ট্ৰইবেলেই হওঁক বা অনাট্ৰই বেলেই হওঁক অসমৰ স্বাৰ্থৰ কাৰণে সকলোৱে সমান ভাৱে কাম কৰিব লাগিব। তাকে কাৰনেহে অসমৰ উন্নতি হ'ব।

মাননীয় অধ্যক্ষ মহোদয়, চৰকাৰৰ উচ্ছেদ নীতিৰ ক্ষেত্ৰত কওঁতে অবৈধ বেদখল কাৰীক উচ্ছেদ কৰিবই লাগিব লাগিলে আবৈধ বেদখল কাৰী জন অসমীয়াই হওঁক বা আন কোনোবাই হওঁক। এই নীতি সদায় থাকিব। অমাৰ মণ্ডল সকলে যে কণ্ডল লগায় সেইটো সকলোৱে জানে। মণ্ডলৰ কুকাৰ্য্য কৰনেই আমাৰ নিৰীহ দুখীয়া মানুহ বিলাক কট কাছাৰীলৈ

যাবলাগীয়া হয়। কিয়নো মণ্ডলৰ ৰিপৰ্টতে সকলো বিলাক কাম হয়। ধেমাজীত ভূমিহীন মানুহক মাটি বিতৰণ কৰিবলৈ যাওঁতে এটা কেছ ধৰা পৰে। সেইটো কেছ কিজানি এতিয়া মানে চলি আছে। সেইকাৰনেই মই এই ক্ষেত্ৰত পৰামৰ্শ আগবঢ়াব খোজো যে আমাৰ একোজন কাননগু থাকে যদিওঁ তেসেতেই যথেষ্ট নহয়। সেইকাৰনে ই মণ্ডল আৰু কাননগুৰ মাজত কথাবিলাক চোৱা চিতা কৰিবৰ কাৰনে একোজন চাৰ্ভে অফিচাৰৰ পদ সৃষ্টি কৰিব লাগে তাকে কৰিলে সুবিধা হ'ব বুলি মই ভাবো। সেয়েহে চৰকাৰক মই এইটো পৰামৰ্শ হিচাবে আগবঢ়াইছিলো।

মাননীয় অধ্যক্ষ মহোদয়, খেতিৰ মাটি খেতিৰ বাহিৰে আন আন কামত ব্যৱহাৰ কৰিব নোৱাৰাৰ কাৰনে আমাৰ কাৰ্য্য ক্ষেত্ৰত এইটো বন্ধ হোৱা নাই। নানান দূনীতিৰ যোগেদি এই বিলাক কাম চলিয়েই আছে। মণ্ডল কাননগু আদি এই বিলাক দুনীতিত জড়িত হৈ আছে। গতিকে এই কথা বিলাক চাবৰ কাৰনে মই চৰকাৰক অনুৰোধ জনাইছো। অসমীয়া মানুহৰ বাহিৰে যাতে অনা অসমীয়াই মাতি কিনিব নোৱাৰে তাৰ কাৰনে আমাৰ চৰকাৰে আইন কাৰি হলেওঁ ব্যৱস্থা কৰিব লাগে।

। । মাটি পট্টা দিয়াৰ ক্ষেত্ৰতো যিমান পাৰি সোনকালেই পট্টা দিয়াৰ কাৰ্য্যকৰী ব্যৱস্থা কৰিব লাগে। আমাৰ অসমীয়া মানুহৰ শিক্ষিত যুৱক সকলক চাকৰী মুখী নকৰাৰ কাৰণে আৰু আন দিশত আগ্ৰহিত কৰিবৰ কাৰণে আমি মাটিৰ পট্টা আদি দিয়াৰ ব্যৱস্থা খৰতকীয়া ভাৱে কৰিব লাগে যাতে বেংক আদিৰ পৰা ঋণ আদি লৈ অন্যান্য কামত শিক্ষিত অসমীয়া যুৱক সকলে নিজকে নিয়োজিত কৰিব পাৰে।

মাননীয় অধ্যক্ষ মহোদয়, এই খিনিকে কৈ কৰ্ত্তন প্ৰস্তাৱটোৰ বিৰোধিতা কৰি আৰু দাবী মঞ্জুৰীটোৰ সমৰ্থন কৰি মই মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

★**Shri Abdul Rob Laskar:-** Mr. Speaker Sir, I take my stand to support the Cut Motion brought- in Grant No. 2 Sir, when the particular party is holding power by the majority verdict of the people, then this Govt. should be the Govt. of the people of the entire State.Sir, the A. G. P. Govt. is functioning, and it has also decided to follow some norms and laws strictly. This should be welcome. So far as the eviction from the Govt land is concerned, there are some provisions in the Assam Land Acquisition Act. The Govt. is following rules and regulations, as enacted, so far this

---

★ *Speech not corrected*

particular point, I think, we must not criticise this Govt. to a great extent because they are following the rules and regulation. It is the duty of the Govt. to pootect the Govt, land so that nobody encroaches upon it. But Sir, by following the rules and regulations, the Govt. should have to think about the difficulties of the people. Sir, if the people residing in the V. G. R. , P G R and forest land are proved to be foreigners, then the Govt. has power to deal with them. The Accord is also there. Every thing is in the hands of the Govt. The Govt. can decide who are the foreigners. Sir, all the people are not foreigners; some genuine persons are also residing there. The Govt. should think about these people. It known to you and our Law Minister that in the eye of law, every person is equal and he should not be hararassed and evicted. This is not the only question to be decided according to law. It should be followed come every sphere of human life. It is a matter of Great pleasure that this Govt. is very such sympathise, very Mach kind- hearted towards wild life of the State. So, where the Govt. is very should similarly be sympathetic towards the human life. The Govt. is for the benefit of the human society. Otherwise, there was no necessity for creating a govt.

So, I think on humanitarian ground Govt. should think over the matter and see that these people are rehabilitated. Sir, these people should not be harassed in this way. Sir, pear landless are residinig in the districts of Karimganj and Cachar for the last 40\50 years and since they have no place to go, they have taken shelter in the jungles. Circumstances compelled them to take shelter in the jungles. But they are all Indian citizens They are not foreigners. These people are belonging form Rang community, Barman Community, Chakma community, Bengali, Hindus and Muslims, There fore Sir, I would request the Hon'ble Minister, Revenue, to make some alternative arrangements, then will again occupy Govt. land elsewhere. There fore, they should be given lands elsewhere. This is my submission. Now, I would like to bring another matter to the notice of the Hon'ble Revenue Minister, Sir, the Hon'ble Revenue Minister. was kind enough to sanction grants for fire victims to small businessmen like pan- shopsowners etc in Kabuganj Bazar but the D. C. Cachar has submitted a report saying the grant should not

be give to those people as they are all rich- men. So, Sir, though the Hon'ble Minister has kindly santioned the amount, they are not provided the grants because of the report given by the D. C. Sir, I took up the matter personally with the Hon'ble Minister and he was pleased to sanction the grants to those people. I do not understand how the D. C. has said that they are not poor people and they are all rech people. Sir, it is not the fact. Then, Sir, I would like to mention here that they are very poor and residing in a deplorable condition.

**Mr. Speaker:-** Now, Shri Thaneswar Boro, Minister Education;

★**শ্ৰীথানেশ্বৰ বড়ো (মন্ত্ৰী) ঃ-** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য সকলে যথেষ্ট ধৰণৰ সমলোচনা তথা পৰামৰ্শ আগবঢ়াইছে, তাৰ কাৰণে মই ধন্যবাদ জ্ঞাপন কৰিছো। অৱশ্যে সকলো প্ৰশ্নৰ উত্তৰ দিয়াতো সম্ভৱপৰ নহব পাৰে কিন্তু মই এই খিনি ধন ১৮ কোটি ১৩ লাখ ১৩ হাজাৰ টকাৰ কিয় অনুদান বিচাৰিছো। এই ধন যথেষ্ট নহয়। ৰাজহ বিভাগৰ কাম কাজ বিলাক চলাই নিবৰ কাৰনে এই ধন খিনি মুঠেই যথেষ্ট নহয়। তথাপিটো এই খিনি ধনেৰে যিখিনি পৰা যায় সেইখিনি কৰিবলৈ আৰু কৰিব লগীয়া খিনি সমাধা কৰিবলৈ বিচাৰিছো আৰু ধন খিনি কিয় প্ৰয়োজন হৈছে মই কওঁ কাজেই সেই কাৰণে এই খিনি ধনৰ প্ৰয়োজন হৈ পৰিছে। আপোনালোকৰ আগত মই ব্যক্ত কৰিছো যে মাটি বাৰী সমস্যা সমধান কৰাৰ কাৰনে ৰেভিনিউ চাৰ্কোলৰ সংখ্যা আৰু বঢ়োৱাতো প্ৰয়োজন হৈ পৰিছে। কাৰন এতিয়া আমাৰ অসমত ২২ হাজাৰ ৰেভিনিউ ভিলেজ আছে। ইয়াৰে এশ খন গাওঁত একোটা ৰেভিনিউ চাৰ্কোল ৰখা হয়। মুঠতে এই খিনি গাওঁত দুটা মৌজা হয়। এখন মৌজাত ৪০ খন গাওঁ ৰখা হয়। তেতিয়াহলে স্বাভাৱিকতে আমাৰ ২০০ খন ৰেভিনিউ চাৰ্কোল হ'ব লাগে। এইতয়ালৈকে ১২০ খন হৈছে। প্ৰতি বছৰে ২ খন ৩ খনকৈ বঢ়াই থকা হৈছে। কিন্তু প্লেনত ৪৬ খন আৰু ননপ্লেনত ৭৪ খন মুঠ ১২০ খন। এই বছৰ ৪ কন লোৱা হৈছে। সেই কেইখন হৈছে নাওঁধেচা নাৰায়নপুৰ, ৰূপহি আৰু ডিচপুৰ। এই চাৰ্কোল কেইটা বঢেওৱাৰ কাৰণে ৪ লাখ টকাৰ প্ৰয়োজন হৈছে। ইয়াৰ দ্বাৰা মাটিৰ সমস্যাই নহয় নিবনুৱা সমস্যা সমাধান কৰাৰ কাৰনেওঁ এই চাৰ্কোল বৃদ্ধি কৰাৰ প্ৰয়োজন হৈ পৰিছে এতিয়ালৈকে ৫৭৮ টা মণ্ডল লাট কৰা হৈছে। ২০৭৫ জন মণ্ডল লাগিব। ইতিমধ্যে ২৬৫০ জন মণ্ডল আছে। এই আচঁনিৰ দুটা কিছুমান নিবনুৱা সমস্যা সমাধান কৰাৰ পাচত তেওঁলোকক ৬ মাহৰ কাৰণে প্ৰশিক্ষণ দিয়া হয় আৰু তাৰ পাছত নিযুক্তি কৰাৰ ব্যৱস্থা কৰা হয়। মই অনুভব কৰিছো যে

---

★ *Speech not corrected*

এই মণ্ডল সকলক প্ৰমোচন দিবলৈ হলে তেওঁলোকক চিলেকচন কৰিব লাগিব। তাৰ কাৰণে ষ্টেণ্ডাৰ্ড কুৱালি ফিকেচনৰ প্ৰয়োজন। The Govt. need the entire amount to most the expenditure under Non-plan ( General areas and Sixth Scheduled areas). Adqquate provision is also necessary to implement the various land reforms measures under' The Assam Fixation of ceiling on land Holdings Act, 1956 and amended up to date, The Assam Temporarily Settled Areas Tenancy Act, 1971' The Assam State Acquisition of Land Belonging to Religious of Charitable Institutions of Public Nature Act, 1959 etc., during 1987-88 as regards Non- plan expenditure we have to maintain officers, and staff in 120 expenditure we have to maintain officers as staff in 120 Revenue Circle, 215 Subcircles and 2,653 Mandals Lost. Besides Commission and other benefits are required to be paid be 313 Mouzadars and remuneration to 6,024 Candelabras. Under Non- plan Sixth Schedule areas, a seletion staff is being maintained.

Under the p;an expenditure we have to meet the expenditure to implement the Tenancy Act. Besides some revenue circles. Sub circles and lots are also being maintained. Candastral survey is proposed to be continued in Jonai and Dhemaji and Sadiya Sub-division. The Assam Survey School at Gauhati is proposed to be improved besides maintaining the existing establishment. The revised Central Sector for both General and T. S. P . areas will be continued on 50;50 basis with Govt. of India. As such the provision has to be made under this need. In Hill plan, provisions have made to provide grants in- side to both District Council and hill cell survey work at Diphu

In Hill plan, provisions have been made to provide grants in- aid to both District Council and Hill Cell Survey work at Diphu.

Implementation of Ceiling Laws and various land reforms measures like acquisition of Ceiling Laws and various land reforms measures like acquisition of land under the Assam State Acquisition of Salamanders Act, Assam State Acquisition of Land belonging to Religious Institutions of public Nature Act etc. Besides the Assam Fixation of Ceiling on Land Holdings Act have to be continued. Compensation for lands already acquired under these Acts have to be paid and annuity for maintenance of the Reli-

gious Indistutions have to be continued.

The normal Revenue Administration under various Revenue Laws have to be continued and for this purpose the expenditure proposed to maintain the existing structure of Revenue administration can not be closed down"

নতুন চৰকাৰে অনুভৱ কৰিলে, মণ্ডল সকলক প্ৰমোচন দিব লাগিছিল। গতিকে চিলেকচনৰ সময়ত মিনিমাম কুৱালিফিকেচন মেট্ৰিকুলেচন কৰা হ'ল, মণ্ডল সকলে তেওঁলোকৰ কামৰ প্ৰতি উৎসাহ পাব লাগিব। কিন্তু প্ৰমোচন দিয়াৰ ব্যৱস্থা নাই। তাৰোপৰি প্ৰশিক্ষন আধুনিক পদ্ধতিত হ'ব লাগে। আগতে যধে মধে আহি গৈছে। কিন্তু এতিয়া কুৱালিফিকেচন মেট্ৰিকুলেট কৰা হৈছে। মাননীয় সদস্য সকলে গণতান্ত্ৰিক পদ্ধতিত সমালোচনা কৰাটো ভাল। কিন্তু লগতে পৰামৰ্শ থাকিব লাগে। আজি যথেষ্ট সমালোচনা দেখিছো কিন্তু পৰামৰ্শ কম। আজি কালি বাতৰি কাকত সমূহত পৰামৰ্শ কম। আজি কালি বাতৰি কাকতত সমূহত পৰামৰ্শ কম আৰু সমালোচনা বেছি। বাস্তৱ দিশত পৰামৰ্শআগবঢ়ালে ভাল হয়। মাটি সম্পৰ্কত আইন খুটি নাটি আঙুলিয়াই দিয়াত ভাল হৈছে। মই আশা কৰিছিলো যে ভূমি কেনে শুতি নাতি পালে ভাল হয়। বিৰোধী পক্ষৰ পৰা ভাল পৰামৰ্শ আহিছে। কিন্তু আশা কৰা মতে পৰামৰ্শ নাপালে আমাৰ চৰকাৰী পক্ষৰ এজন মাননীয় সদস্যই এটা ভাল পৰামৰ্শ দিয়া কাৰনে ধন্যবাদ দিছো। তেসেতে কৈছে যে চৰকাৰী ভিজিয়াৰ আৰু পিজ্বিয়াৰ বিলাকত সমবায় পদ্ধিতিত খেতি কৰা ব্যৱস্থা হ'ব লাগে। এই পৰামৰ্শৰ বাবে ধন্যবাদ জনাইছো। অসমত থলুৱা লোক সকলে বা উত্তৰ পূৰ্বাঞ্চলৰ লোকসকলে সমাজবাদী আদৰ্শৰ লোক আছিল। এই লোক সকলে ভূমিক কোনো দিনে সম্পত্তি হিচাৱে ব্যৱহাৰ কৰা নাছিল। উত্তৰ পূৰ্বঞ্চলৰ মানুহে মাটিক উৎপাদনৰ, শক্তি আহিলা হিচাবে ব্যৱহাৰ কৰা নাছিল। উত্তৰ পূৰ্বঞ্চলৰ মানুহে মাটিক উৎপাদনৰ, শক্তি আহিলা হিচাপে হিচাবে ব্যৱহাৰ কৰিছিল। এতিয়া মানুহ বিলাকে অনুভৱ কৰিছে যে মাটি এটা সম্পত্তি এই লোক সকলে এঠাইত খেতি কৰি আন ঠাইলৈ গুছি যায়। সম্পত্তি হিচাৱে ব্যৱহাৰ কৰিলে মাটিৰ ওপৰত স্বত্ব থাকি যায়। সেই কথাটো আমাৰ অসমীয়া মানুহে বৰ দেৰিকৈ অনুভৱ কৰিলে। পশ্চিমৰ পৰা হাৰা আহিল যে মাটি দখল কৰিব লাগে। যোৱা ৩৮ বছৰে এনেধৰনৰ অৱস্থা হ'ল যে এটা ৰাজহ বিভাগ আছে তাক স্বকাৰ কৰি নোলোৱা যেন হ'ল। মাটি পাব লাগিলে আগতে বেদখল বুলি স্বকৃতি দিব লাগে। ভিজিয়াফ পিজিয়াৰ বিলাকত এনে ধৰনৰ বেদখল চলি আছে। আজি এই মনোভাৱ আতৰাব লাগিব। এনেকুৱা ধৰনৰ হৈছে যে সমান্তৰাল ভাৱে এটা ৰাজহ বিভাগ চলি আছে। গুৱাহাটী চহৰত মাটি পাবৰ কাৰনে গুৱাহাটী চিভিল এছোছিয়েচন। ট্ৰইবেল লেণ্ড লেচ এছোচিয়েচন আদি কৰি বিভিন্ন সন্থা আছে। এই ধৰনে দালাল শ্ৰেণীৰ সৃষ্টি হৈছে। ঠিক সেই ধৰনে চৰ অঞ্চলত

**Mr. Speaker:**-Now Hon. Member, Shri Golok Rajbangshi, are you withdrawing your Cut Motion, on Grant No. 6?

**Shri Golok Rajbangshi:**- I am not pressing Sir. (With the leave of the House, the cut Motion was withdrawn)

**Mr. Speaker :**- Hon. Member, Shri Yusuf Ali Ahmed,will you withdraw your Cut Motion,

**Shri Yusuf Ali Ahmed:**- I withdraw my Cur Motion Sir (with the leave of the House, the Cut Motion was withdrawn)

**Mr. Speaker :**- Hon. Shri Ramendra De, will you withdraw your Cut Motion?

**Shri Ramendra De:**- I am not pressing Sir (with the leave of the House, the Cut Motion was with drawn)

**Mr. Speaker :**- Shri Amritlal Basumatary, are you withdrawing your Cut Motion?

**Shri Amritlal Basumatary :**- Sir I with draw the Cut motion. (With the leave of the House, the Cut Motion was withdrawn)

**Mr. Speaker :**- Now I put the main motion before the august House. The Motion is that a Sum of Rs. 18,13,13,000 be granted to the Minister In- charge to defray the charges which will come in course of payment during the year ending the 31st. March, 1988, for the administration of land Revenue and Land Ceiling.

(The Motion was passed by voice vote, Grant No. 6 was passed)

আজি ২৩-৩-৮৭ তাৰিখে ৰাতি পুৰা ৯ বজালৈ সদন স্থগিত ৰখা হ'ল

## ADJOURNMENT

The House rose at 1-30 P.M and stood adjourned till 9 A. M. tomorrow the 23rd March, 1987,

*DISPUR*
*The 21st March, 1987*

*Dr. P. N. Hazarika*
*Secretary*
*Assam Legislative Assembly*

# Annexury-1

## অসম চৰকাৰ

## শিক্ষা, সাধাৰণ বিভাগঃ দিশপুৰ

নং ই পিই-২৫/৮৩/অংশ তাৰিখ ২৬ চেপ্তেম্বৰ, ১৯৮৬ ইং।

প্ৰতি, সভাপতি,

মহকুমা প্ৰথমিক শিক্ষা উপদেষ্ট সমিতি। সকলো বিদ্যালয় সমূহৰ উপ পৰিদৰ্শক সকলো

বিষয়ঃ- প্ৰদেশীকৃত বিদ্যালয়ত শিক্ষক নিযুক্তি।

মহাশয়,

ওপৰত উল্লেখ কৰা বিষয় প্ৰসঙ্গত বৰ্ত্তমানৰ পৰা তলত উল্লেখ কৰা নিয়মৰ ভিত্তিত হে সকলো প্ৰদেশীকৃত বিদ্যালয়ত শিক্ষক নিযুক্তিৰ ব্যৱস্থা কৰিব।

'ক' পূৰ্বৰ ব্যৱস্থা অনুযায়ী প্ৰদেশীকৃত সকলো প্ৰথমিক বিদ্যালয়ত শিক্ষক নিযুক্তিৰ দায়িত্ব বিদ্যালয় সমূহৰ উপৰিদৰ্শকৰ হাততেই থাকিব। মহকুমা প্ৰাথমিক শিক্ষা উপদেষ্টা পৰিষদৰ দ্বাৰা অনুমোদিত তালিকাৰ পৰা ক্ৰমশঃ নিযুক্তি দিয়াৰ ব্যৱস্থা কৰিব লাগিব। এটা শৈক্ষিক বছৰৰ ভিতৰত খালী হোৱা বা নতুনকৈ মঞ্জুৰীকৃত পদৰ চৰকাৰী প্ৰচলিত নিয়মমতে অনুসূচীত জনজাতি/অনুসুচিত জাতি/অন্যান্য পিচপৰা আদি শ্ৰেণীৰ প্ৰাৰ্থীৰ বাবে সংৰক্ষণ পিচ পৰা আদি শ্ৰেণীৰ প্ৰাৰ্থীৰ বাবে সংৰক্ষণ কৰাৰ পিচত বাকী থকা পদ সমুহ শতকৰা তলত দিয়া ধৰনে ভাগ কৰিব—

| | | |
|---|---|---|
| ১/ | যোগ্যতাৰ ভিত্তিত— | ৫০ শতাংশ |
| ২/ | বিদেশী বিতাৰণ আন্দোলনতনিৰ্য্যাতিত/ শ্বহীদ পৰিয়ালৰ প্ৰৰ্থীৰ বাবে— | ১০ শতাংশ |
| ৩/ | অৱসৰ প্ৰাপ্ত/ মৃত শিক্ষকৰ ল'ৰা-ছোৱালী প্ৰাৰ্থীৰ বাবে— | ১০ শতাংশ |
| ৪/ | অভিজাত্য সম্পন্ন মহিলা/ বিধৱা প্ৰৰ্থীৰ বাবে— | ১০ শতাংশ |

৫/ আনুস্থানিক/ প্ৰাপ্তবয়স্ক বা আন
পদত অস্থায়ী ভাৱে কাম কৰা প্ৰৰ্থীৰ বাবে ১০ শতাংশ

৬/ ৫ বছৰ ধৰি অবৈতনিক ভাৱে কাম
কৰা নিম্ন বুনিয়াদী নৰ্মাল প্ৰশিক্ষন প্ৰাপ্ত
নিবনুৱা প্ৰৰ্থীৰ বাবে— ১০ শতাংশ

'খ' মজলীয়া / মধ্য-ইংৰাজী মাদ্ৰাছা/ উচ্চবুনিয়াদী বিদ্যালয়ত শিক্ষক নিযুক্তিৰ দায়িত্ব জিলা প্ৰাথমিক শিক্ষা বিষয়াৰ হাতত থাকিব আৰু তলত উল্লেখ কৰা মন কৰিব লগীয়া তালিকাৰ 'ক' উল্লেখ কৰা ধৰণে এনে নিয়োগেৰে মহকুমা প্ৰাথমিক শিক্ষা উপদেষ্টা পৰিষদৰ দ্বাৰা অনুমোদিত তালিকাৰ পৰাই ক্ৰমশ নিযুক্তি দিয়াৰ ব্যৱস্থা কৰিব লাগিব।

'গ' সকলো ধাৰাৰ সময়িক ভাৱে খালী হোৱা অস্থায়ী পদৰ ক্ষেত্ৰতো অনুমোদিত তালিকাৰ বাহিৰৰ কোনো প্ৰাৰ্থীকে নিযুক্তি দিব নোৱাৰিব। বিশেষকৈ মন কৰিব যাতে অস্থায়ী পদৰ বিপৰিতে কাম কৰি থকা নিৰ্বাচিত প্ৰাৰ্থীক অনুমোদিত তালিকাৰ পৰা জেষ্ঠ্যতাৰ ভিত্তিত ভৱিষ্যতে স্থায়ী ভাবে খালী হ'ব লগীয়া পদত নিযুক্তি দিয়া হয়। কোনো ক্ষেত্ৰতে অনুমোদিত তালিকাৰ বাহিৰৰ প্ৰাৰ্থীৰ নিযুক্তি দিব নোৱাৰিব।

**প্ৰাৰ্থী নিৰ্বাচনৰ ক্ষেত্ৰত বিবেচনা কৰিব লগীয়া বিষয়ঃ-**

১/ বিজ্ঞাপনত উল্লেখ কৰা ধৰণে বিদ্যালয় উপৰিদশক সকলে শতকৰা ৪০ ভাগ আৰু ৩৫ অনুসুচীত জনজাতি আৰু অনুসুচীত জাতিৰ নম্বৰ পোৱা প্ৰাৰ্থী সকলৰ এখনি তালিকা প্ৰস্তুত কৰিব। স্বৰ্ত্তপুৰণ নকৰা আবেদন সমুহ নাকচ কৰিব।

২/ যোগ্যতাৰ ভিত্তিত তালিকা সমুহ তলত উল্লেখ কৰা ধৰণে প্ৰস্তুত কৰি উলিয়াব লাগিব।

'ক' বিভাগীয় প্ৰশিক্ষন প্ৰাপ্ত নিৱনুৱা প্ৰাৰ্থীৰ তালিকা এনে প্ৰাৰ্থীৰ ক্ষেত্ৰত শেষান্ত পৰীক্ষাত পাব লগীয়া নম্বৰৰ মধ্য বধীকতা প্ৰযোজ্য নহব।

'খ' যোগ্যতাৰ তালিকা শেষান্ত পৰীক্ষাত পোৱা নম্বৰৰ ভিত্তিত।

'গ বিদেশী বহিস্কাৰ আন্দোলনত নিৰ্য্যাতিত/শ্বহীদ পৰিয়ালৰ প্ৰাৰ্থীৰ তালিকা উক্ত শিতানত নম্বৰ সীমা নাথাকিব।

'ঘ' অৱসৰ প্ৰাপ্ত বা শিক্ষকৰ পৰিয়ালৰ প্ৰাৰ্থীৰ তালিকা।

'ঙ' অভিজ্ঞতা সম্পন্ন মহিলা প্ৰাৰ্থীৰ তালিকা ।

'চ' অনানুষ্ঠানিক বা প্ৰাপ্ত বয়স্ক শিক্ষা অধিনৰ অধীনত বা আন পদত অস্থায়ী ভাবে বাস কৰা প্ৰাৰ্থীৰ তালিকা।

'ছ' বিদ্যালয় প্ৰতিষ্ঠা হোৱা দিনৰে পৰা অবৈজ্ঞানিক ভাবে শিক্ষক হিচাবে কমেওঁ ৫ বছৰ কাম কৰি অহা প্ৰাৰ্থী/ নিম্ন বুনিয়াদি/ নৰ্মাল প্ৰশিক্ষণ প্ৰাপ্ত নিবনুৱা প্ৰাৰ্থীৰ তালিকা।

'জ' অনুসুচীত জনজাতি/ অনুসুচিত জাতি/ অনুন্নত জাতি আদিৰ প্ৰাৰ্থীৰ তালিকা।

৩/ মহকুমা প্ৰাথমিক শিক্ষা উপদেষ্টা পৰিষদে গঠন কৰি দিয়া বাছনি সমিতিয়ে প্ৰাথমিক আৰু মজলীয়া শিশুৰ শিক্ষকৰ বাবে তালিকা সমুহ সুকীয়া ভাবে যোগ্যতাৰ ভিত্তিত প্ৰস্তুত কৰি উলিয়াব। চুড়ান্ত তালিকা তৈয়াৰ কৰোতে মুঠ খালি পদৰ তিনিগুণ প্ৰাৰ্থী বাছনি কমিটিয়ে ৰাখিব। প্ৰস্তুত কৰা তালিকা সমুহ মহুকুমা প্ৰাথমিক শিক্ষা উপদেষ্টা পৰিষদ দাখিল কৰিব। পৰিষদে নিৰ্বাচিত কৰা চুড়ান্ত তালিকাত মুঠ খালি পদৰ দুগুণ প্ৰাৰ্থী থাকিব।

৪/ বিভাগীয় প্ৰশিক্ষন প্ৰাপ্ত নিৰনুৱা প্ৰাৰ্থী সকলক অগ্ৰাধিকাৰ ভিত্তিত নিযুক্তি দিব লাগিব।

৫/ উক্ত তালিকা সমুহৰ ম্যাদ অনুমোদনৰ তাৰিখৰ পৰা এক বছৰৰ বাবে থাকিব।

৬/ অনুসুচিত জনজাতি/ অনুসুচিত জাতি আদিৰ প্ৰাৰ্থীয়ে সাধাৰণ তালিকাত নিৰ্বাচিত হ'লেও সংৰক্ষিত আসনৰ সংখ্যা কমি নাযায়।

ওপৰত উল্লেখিত গোটেই প্ৰক্ৰিয়াটো তলত দিয়া সময় সূচি মতে নিৰ্ধাৰণ কৰা হৈছে।

'ক' আবেদন পত্ৰ সমুহৰ সাধাৰণ বাছনি ১/১০৮৬ ৰ পৰা ৯/১০/৮৬ লৈ।

খ' নিৰ্বাচনী কমিটিৰ দ্বাৰা প্ৰাৰ্থী বাছনি ১৪/১০/৮৬ ৰ পৰা ২৫/১০/৮৬ লৈ।

'গ' মহকুমা ভিত্তিত চুড়ান্ত তালিকা তৈয়াৰ ২৬/১০/৮৬ ৰ কৰি প্ৰকাশ আৰু নিয়োগ প্ৰক্ৰিয়া পৰা ৭/১১/৮৬ লৈ এই নিৰ্দ্দেশ আগৰ চিঠি নং ই পি ই ২৫/৮৩ অংশ তাৰিখে ২৩/৯/৮৬ ৰ জৰিয়তে দিয়া নিৰ্দ্দেশ বাতিল কৰিব।

ইতি

ভবদীয়

উপাযুক্ত, শিক্ষা বিভাগ

অসম, দিশপুৰ

## Annexure - II

### তালিকা

১৯৮২চনৰ এচিয়াত খেলৰ সময়ত কিনা ৪ টা দুৰদৰ্শন যন্ত্ৰ স্থাপনৰ স্থান।

১। গুৱাহাটী প্ৰেছ ক্লাব

২। গৃহ আয়ুক্তৰ কাৰ্য্যালয় কক্ষত

৩। ৰাজ ভৱনত

৪। জনসংযোগ বিভাগৰ তথ্য কেন্দ্ৰত

মুঠ ২২ টা

| | | | | |
|---|---|---|---|---|
| ১। | শিৱসাগৰ | খণ্ড | উন্নয়ণ | কাৰ্য্যালয় |
| ২। | বাঘ চোঙ | ,, | ,, | ,, |
| ৩। | খোৱাং | ,, | ,, | ,, |
| ৪। | ঢেকিয়াজুলি | ,, | ,, | ,, |
| ৫। | খাগৰি জান | ,, | ,, | ,, |
| ৬। | নাৰায়ণ পুৰ | ,, | ,, | ,, |
| ৭। | পূব নলবাৰী | ,, | ,, | ,, |
| ৮। | সদিয়া | ,, | ,, | ,, |
| ৯। | কমলা বাৰী | ,, | ,, | ,, |
| ১০। | উত্তৰ গোলাঘাট | ,, | ,, | ,, |
| ১১। | হাইলা কান্দি | ,, | ,, | ,, |
| ১২। | কমলপুৰ | ,, | ,, | ,, |
| ১৩। | ওদালগুৰি | ,, | ,, | ,, |
| ১৪। | কলিয়াবৰ | ,, | ,, | ,, |
| ১৫। | লক্ষ্মীপুৰ | ,, | ,, | ,, |
| ১৬। | নাওজান | ,, | ,, | ,, |

সপ্তলক

## Annexury-III

## অসম ৰাজ্যিক হজ কমিটিৰ সদস্য সকলৰ নাম ঠিকনাৰ তালিকা

| | | |
|---|---|---|
| ১। | জোনাব চহিদুল আলাম চৌধুৰী, মন্ত্ৰী, পৌৰ প্ৰসাশন, অসম | সভাপতি। |
| ২। | জোনাব অতাউৰ ৰহমান, লোক সভাৰ সদস্য, বৰপেটা | সদস্য |
| ৩। | জোনাব চাইফুদ্দিন আহমেদ লোক সভাৰ সদস্য, দৰং | সদস্য |
| ৪। | জোনাব ময়দুল ইছলাম বৰা,ৰাজ্যিক মন্ত্ৰী অসামৰিক যোগন বিভাগ | সদস্য |
| ৫। | জোনাব চিৰাজুল হ'ক চৌধুৰী, বিধান সভাৰ সদস্য, কৰিমগঞ্জ | সদস্য |
| ৬। | জোনাব ৰিয়াজ উদ্দিন আকান্দ, শোণিতপুৰ | সদস্য |
| ৭। | জোনাব হবিবুৰ ৰহমান, উকিল, গুৱাহাটী | সদস্য |
| ৮। | জোনাব ইনায়ত উল্লাহ, নিজামী, গুৱাহাটী | সদস্য |
| ৯। | জোনাব এচ, এম ৰহমান, গুৱাহাটী | সদস্য |
| ১০। | জোনাব হাজী মচিউক জামান, গুৱাহাটী | সদস্য |
| ১১। | জোনাব হাজী মহম্মদ আলী, গুৱাহাটী | সদস্য |
| ১২। | জোনাব হাজী মৌলনা চৈয়দ আব্দুল ৰচিত, গুৱাহাটী | সদস্য |
| ১৩। | জোনাব ইয়াহিয়া তমিজ, গুৱাহাটী | সদস্য |
| ১৪। | জোনাব মৌলনা আহমেদ আলী, বাচকান্দি, গুৱাহাটী | সদস্য। |
| ১৫। | জোনাব মোচাম্মত আনোৱাৰা মনচুৰ, নগাওঁ | সদস্য। |
| ১৬। | জোনাব এেইচ ৰহমান হাজৰিকা, উত্তৰ লক্ষ্মীমপুৰ | সদস্য। |
| ১৭। | জোনাব চাইফুদ্দিন আহমেদ, উকিল, ডিব্ৰুগড় | সদস্য। |
| ১৮। | জোনাব ইনামূল মজিদ বড়া | সদস্য। |
| ১৯। | জোনাব হাজী আনফৰ আলী, নগাওঁ | সদস্য। |
| ২০। | জোনাব আবুচাম, উকিল, নগাওঁ | সদস্য। |
| ২১। | জোনাব আব্দুল ওৱাহেব আকান্দ, ধুবুৰী | সদস্য। |
| ২২। | জোনাব আখিৰুল ইছলাম, গোৱালপাৰা | সদস্য। |
| ২৩। | জোনাব নজৰুল কৈ মাজাৰ ভূএগ্গা, হাইলাকান্দি, কাছাৰ | সদস্য। |
| ২৪। | জোনাব মুচলিমুদ্দিন বৰলস্কৰ, শিলচৰ, কাছাৰ | সদস্য। |
| ২৫। | জোনাব চৌয়দ চাইদ্দন ৰহমা শিৱ সাগৰ | সদস্য। |
| ২৬। | জোনাব মহিদুল উচলাম, গুৱাহাটী | সদস্য। |
| ২৭। | জোনাব চিদ্দিক আলী মজুমদাৰ, দিশপুৰ | সম্পাদক সদস্য। |

## Annexury-IV

### ১-১-৮৬ চনৰ পৰা বৰ্ত্তমানলৈকে কৰ্ম্মচাৰী নিযুক্তিৰ তালিকা

### শিলচৰ মহকুমাৰ ৩য় বৰ্গৰ কৰ্ম্মচাৰী

১। শ্ৰীদেবব্ৰত দাস বৰভূঞা।

২। শ্ৰীমতী অনিতা লস্কৰ।

৩। শ্ৰীদেবাশীষ মিত্ৰ।

৪। শ্ৰীআব্দুল কাশিম লস্কৰ।

৫। শ্ৰীদেবাশীষ দাসগুপ্ত।

৬। শ্ৰীগোপীনাথ সিনহা।

৭। শ্ৰীমতী অজন্তা দত্ত।

### শিলচৰ মহকুমাৰ ৪ৰ্থ বৰ্গৰ কৰ্ম্মচাৰী

১। শ্ৰীমনজুৰ আহমেদ মজুমদাৰ।

২। শ্ৰীবাদল দাস।

৩। শ্ৰীনজৰুল ইচলাম বৰভূঞা।

৪। শ্ৰীদিলীপ চক্ৰৱৰ্ত্তী।

৫। শ্ৰীসমিৰণ চন্দ্ৰ দাস।

### হাইলাকান্দি মহকুমাৰ ৩য় বৰ্গৰ কৰ্ম্মচাৰী

১। শ্ৰীজামাল উদ্দিন লস্কৰ।

২। শ্ৰীনীতিভূষণ দে।

৩। শ্ৰীদেবজীত বিশ্বাস।

### হাইলাকান্দি মহকুমাৰ ৪ৰ্থ বৰ্গৰ কৰ্ম্মচাৰী

১। শ্ৰীকৃপেশ চন্দ্ৰ দাস।

২। শ্ৰীমহিবুৰ ৰহমান চৌধুৰী।

৩। শ্ৰীআচমান আলি।

৪। শ্ৰীবিভাস নাথ।

৫। শ্ৰীসুমথ চক্ৰবৰ্ত্তী।

৬। শ্ৰীযতীশ নাথ।

৭। শ্ৰীজামাল উদ্দীন।।

## Annexure-IV

| ক্ৰমিক নং | কথাছবিৰ নাম | প্ৰয়োজকৰ নাম | ১৯৮০-৮১ ৰ পৰা | ১৯৮৬-৮৭ |
|---|---|---|---|---|
| ১। | মন প্ৰজাপতি | ব্ৰহ্মপুত্ৰ বোলছবি গুৱাহাটী | ১৯৮৫-৮৬লৈ মুঠ ৫০,২০০.০০ | বৰ্ত্তমানলৈ নাই |
| ২। | বনজুই | ৰূপজ্যোতি চলচিত্ৰ কো অপাৰেচিভ লিমিটেদ তিনিচুকিয়া | ৭৭,২০০.০০ | |
| ৩। | ফাগুনী | বৰ্নালী ফিল্ম কো অপাৰেচিভ লিমিটেদ গোলাঘাট। | ২৬,৫০০.০০ | |
| ৪। | সোণৰ হৰিণ | শইকিয়া ফিল্ম টংলা দৰং | ১২৪,৬০০.০০ | |
| ৫। | কল্লোল | গতিচিত্ৰ প্ৰা) লিমিটেড খানাপাৰা গুৱাহাটী | ৬২,৯০০.০০ | |
| ৬। | আশ্ৰয় | সৃষ্টি ফিল্ম গুৱাহাটী | ৫৯,৯৫০.০০ | |
| ৭। | দুৰনীৰ ৰং | নাভাবুন ফিল্ম তেজপুৰ | ১,৫২,৪০০.০০ | |
| ৮। | পলাশৰ ৰং | প্ৰগতি চাইন প্ৰডাকচন উত্তৰ লক্ষ্মীমপুৰ | ৮০,১১০.০০ | |
| ৯। | মৰমী | ৰাজেন্দ্ৰ চলচিত্ৰ প্ৰোঃ লিমিটেজ ৰিহাবাৰী গুৱাহাটী-৮ | ৯২,৬০০.০০ | |
| ১০। | শ্ৰীমতী মহিমায়ী | পুলক গগৈ, গুৱাহাটী | ৮,৪০০.০০ | |

| ক্ৰমিক নং | কথাছবিৰ নাম | প্ৰয়োজকৰ নাম | ১৯৮০-৮১ ৰ পৰা | ১৯৮৬-৮৭ |
|---|---|---|---|---|
| ১১। | নিয়তি | অসম চাইন আজিছিনগু টেকনিছিয়ান কো অপাৰেটিভ এন্টাৰ প্ৰইজ লিমিটেড গুৱাহাটী | ৯২,৬০০.০০ | |
| ১২। | মৰম | জয়কালী প্ৰডাকচন হিবাৰী গুৱাহাটী-৮ | ৪,৩৩,৯৪৬.০০ | |
| ১৩। | মেঘ | অসম চিত্ৰম (অসম)(প্ৰাঃ) লিমিটেড যোৰহাট | ১,৩২,১৫০,.০০ | |
| ১৪। | সোনমা | লুইডপাৰ ফিল্ম,ডিব্ৰুগড় | ১,৩০,৫৮০.০০ | |
| ১৫। | মইনাজান | প্ৰেম পিকচাৰ ৰিহাবাৰী গুৱাহাটী | ২,০১,৭৭০.০০ | |
| ১৬। | মন আৰু মৰম | শইকিয়া এন্টাৰ প্ৰইজ, নগাওঁ | ১,৩১,১০০.০০ | |
| ১৭। | অকন | জি বি. চি. প্ৰডাকচনচ গুৱাহাটী | ৬৮,৯০০.০০ | |
| ১৮। | সন্ধ্যাৰাগ | ড. ভবেন্দ্ৰ নাথ শইকিয়া গুৱাহাটী | ১৪,৫০০.০০ | |
| ১৯। | উপপথ | ইউনাইটেড চলচিত্ৰ প্ৰডাকচন চাৰিআলি শোনিত পুৰ | ৬৪,৬৯০.০০ | |
| ২০। | ৰজা হৰিচন্দ্ৰ | চামছুল ফিল্ম, নগাওঁ | ১,১৯,১০০.০০ | |
| ২১। | মানসী | গৌৰঙ্গ ফিল্ম কেলভিন চিনেমা কম্পাউন্দ, গুৱাহাটী | ২৩২,১০০.০০ | |
| ২২। | অনির্ব্বান | শ্ৰীমতী প্ৰীতি শইকীয়া, গুৱাহাটী | ৯৪,৩৩০.০০ | |
| ২৩। | মেঘমুক্তি | সন্দিপ ফিল্ম (প্ৰাঃ) লিমিটেড গুৱাহাটী | ৩,৫০,৭০০.০০ | |

| ক্ৰমিক নং | কথাছবিৰ নাম | প্ৰয়োজকৰ নাম | ১৯৮০-৮১ ৰ পৰা | ১৯৮৬-৮৭ |
|---|---|---|---|---|
| ২৪। | ৰংঢালী | ৰাজেন্দ্ৰ চলচিত্ৰ (প্ৰাঃ) লিমিটেড বিহাবাৰী গুৱাহাটী | ১,৫৬,৫০০.০০ | |
| ২৫। | বোৱাৰী | ইন্দ্ৰানী এন্টাৰ প্ৰইজ, গোলাঘাট, | ৬,১৭,০০০.০০ | |
| ২৬। | নিশাৰ চকুলো | কথা আৰু ছবিফিল্ম শিল পুখুৰী, গুৱাহাটী | ৩৭,৩৭০.০০ | |
| ২৭। | অপৰূপা | জাহ্নু বৰুৱা প্ৰডাকচনচ্ বম্বে | ১,৯১,৩০০.০০ | |
| ২৮। | পোনাকন | চলচিত্ৰ, ৰাজাবাৰী, যোৰহাট, | ৯৫,০০০.০০ | |
| ২৯। | ৰাজা | কে.কে ফিল্ম ৰিহাবাৰী গুৱাহাটী | ১,৩২২০০.০০ | |
| ৩০। | আজলী নবৌ | এন, চি, প্ৰডাকচনচ ৰিহাবাৰী গুৱাহাটী | ৭,২০,৭৯০.০০ | |
| ৩১। | ৰজনী গন্ধা | কাৰ্ব্বি চাইন ট্ৰজ, ডিফু নগু উষা চাইন প্ৰডাকচনচ জয় সাগৰ | ১৮,৬০০.০০ | |
| ৩২। | সাদৰী | প্ৰাগ ফিল্ম, গুৱাহাটী | ৮৩,৬০০.০০ | |
| ৩৩। | শ্ৰীশ্ৰী মা কামাখ্যা | চিত্ৰ প্ৰতিস্থান গুৱাহাটী | ১,৩১,৩০০.০০ (দিয়া হোৱা নাই) | |
| ৩৪। | ঘৰ সংসাৰ | আৰ. বি প্ৰডাকচনচ গুৱাহাটী | ২,৪৫,৭০০.০০ | |
| ৩৫। | শকুন্তলা শংকৰ জোছেফ আলি | শইকিয়া এন্টাৰ প্ৰইজ নগাওঁ | ৪,৬৩,৪০০.০০ | |